www.epaper.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

❐ PRGI REGD. NO. (Title) : ASSASS01389

‘ যি মানুহৰ ধৈৰ্য শক্তি আছে, তেওঁৰ অসাধ্য একোৱে নাই
—— বেঞ্জামিন ফ্ৰেংকলিন —— ’

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন ‘অসম বাৰ্তা’ কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- ‘অসম বাৰ্তা’ গোষ্ঠী -

❐ ষষ্ঠ বছৰ ❐ সংখ্যা - ১৫৫ ❐ বৃহস্পতিবাৰ ❐ ১৭ জুলাই, ২০২৫ চন ❐ ১ শাওন, ১৯৪৭ শক ❐ VOL - 6 ❐ NO.- 155 ❐ Thursday ❐ 17th July, 2025 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৮

অসমৰ মুখ্যমন্ত্ৰী গৰাকীয়ে নিজকে মুখ্যমন্ত্ৰী বুলি নাভাবে, অসমৰ ৰজা বুলি ভাবে ঃ ৰাহুল গান্ধী

# ’২৬ৰ নিৰ্বাচনৰ পিছত জেললৈ হিমন্ত বিশ্ব শৰ্মা !

## বেইলত থকা মানুহে আনক জে’ল যোৱাৰ কথা ক’ব নালাগে; মুখ্যমন্ত্ৰীৰ প্ৰতিক্ৰিয়া



**অসম বাৰ্তা, গুৱাহাটী, ১৬ জুলাই ঃ** অসমৰ ৰাজনৈতিক পৰিৱেশ কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ সাম্প্ৰতিক অসম ভ্ৰমণ আৰু তেওঁৰ বিতৰ্কিত মন্তব্যৰ পিছত উত্তপ্ত হৈ পৰিছে। বুধবাৰে গুৱাহাটীৰ সমীপৱৰ্তী বকোৰ বনগাঁৱত কৰ্মীসভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীক ৰাহুল গান্ধীয়ে তীব্ৰভাৱে সমালোচনা কৰি কয় যে, শৰ্মাই নিজকে ‘ৰজা’ৰ দৰে ব্যৱহাৰ কৰে যদিও দুৰ্নীতিৰ অভিযোগত অসমৰ জনতাই তেওঁক জেলত ভৰাব। তেওঁ দাবী কৰে যে, হিমন্ত বিশ্ব শৰ্মা ভাৰতৰ আটাইতকৈ দুৰ্নীতিগ্ৰস্ত মুখ্যমন্ত্ৰী, আৰু কংগ্ৰেছৰ নিৰ্ভীক কৰ্মীসকলে তেওঁক অচিৰেই জেললৈ পঠিয়াব। ৰাহুলৰ মতে, শৰ্মাৰ চকুত এই ভয় স্পষ্ট, কাৰণ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী বা গৃহমন্ত্ৰী অমিত ▸▸৬ পৃষ্ঠাত



## ৰাহুল গান্ধীয়ে একমাত্ৰ মোক সমালোচনা কৰিবলৈকে অসমলৈ আহিছিল ঃ মুখ্যমন্ত্ৰী



**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৬ জুলাই ঃ** আজি গুৱাহাটীত জনসভা সম্বোধন কৰাৰ সময়ত ৰাহুল গান্ধীয়ে বিজেপি চৰকাৰ আৰু হিমন্ত বিশ্ব শৰ্মাৰ কঠোৰ সমালোচনা কৰে। গান্ধীয়ে ভাৰতৰ সবাতোকৈ দুৰ্নীতিগ্ৰস্ত মুখ্যমন্ত্ৰী বুলি হিমন্ত বিশ্ব শৰ্মাক আখ্যা দি কৈছিল যে মুখ্যমন্ত্ৰী আৰু তেওঁৰ পৰিয়ালে যি কৰিছে তাৰ পৰিণাম এদিন ভুগিব লাগিব। তেওঁ ভাৰতৰ সবাতোকৈ দুৰ্নীতিগ্ৰস্ত মুখ্যমন্ত্ৰী। গতিকে তেওঁ নিৰ্বাচনৰ পাছতে জেললৈ যাব লাগিব। ইয়াৰোপৰি গান্ধীয়ে কৈছিল যে, মুখ্যমন্ত্ৰীয়ে অসমৰ ৰাইজৰ পৰা ভূমি-মাটি নি আদানী আৰু ▸▸৬ পৃষ্ঠাত

### ২১ জুলাইৰ পৰা সংসদৰ বৰ্ষাকালীন অধিবেশনত আঠখন বিধেয়ক উত্থাপনৰ সম্ভাৱনা

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ জুলাই ঃ** আগন্তুক ২১ জুলাইৰ পৰা সংসদৰ বৰ্ষাকালীন অধিবেশন আৰম্ভ ▸▸৬ পৃষ্ঠাত

### ডিমা হাছাওত ভূমিস্খলনত দুজনৰ মৃত্যু

**অসম বাৰ্তা, হাফলং, ১৬ জুলাই ঃ** ডিমা হাছাওত ভূমিস্খলনৰ ফলত জিলাখনৰ বাট-পথ বন্ধ হৈ পৰাৰ লগতে ব্যাহত হৈ পৰিছিল ৰে’লৰ চলাচল। ▸▸৬ পৃষ্ঠাত

### আজিৰ কলম

### দলীয় ৰাজনীতিৰ যুঁজ-বাগৰ, সমাজ উন্নয়নত অৱক্ষয়তা



শৰৎ চন্দ্ৰ চিৰিং ফুকন

ভাৰতীয় সংবিধানৰ নীতি আৰু বিধি অনুসৰি ৰাজনীতি হৈছে জনগণৰ সৰ্বাংগীণ বিকাশ, উন্নয়ন আৰু উত্তৰণৰ অৰ্থে সংগঠিত হোৱা এক মঙ্গলময় সামাজিক গোট। ▸▸৬ পৃষ্ঠাত

বিধায়ক সুশান্ত বৰগোঁহাইৰ জনতাৰ স্বাৰ্থত সিদ্ধান্ত পুনৰ বিবেচনাৰ আহ্বান

## দণ্ডাধীশৰ অপমানজনক মন্তব্য ! সৰ্প বিশেষজ্ঞ ডাঃ সুৰজিত গিৰীৰ পদত্যাগ

**অসম বাৰ্তা, শিৱসাগৰ, ১৬ জুলাই ঃ** বিশ্ব সৰ্প দিৱসৰ দিনটোতেই শিৱসাগৰৰ ডিমৌ আদৰ্শ চিকিৎসালয়ৰ পৰা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন সৰ্প বিশেষজ্ঞ ডাঃ সুৰজিত গিৰীৰ পদত্যাগৰ খবৰে ৰাজ্যজুৰি তীব্ৰ আলোড়নৰ সৃষ্টি কৰিছে। এগৰাকী দণ্ডাধীশৰ অপমানজনক মন্তব্যৰ পৰিপ্ৰেক্ষিতত এই বিশিষ্ট চিকিৎসকে পদত্যাগৰ সিদ্ধান্ত গ্ৰহণ কৰিছে বুলি জানিব পৰা গৈছে। মঙলবাৰে নিশাৰ পৰা ডাঃ গিৰীৰ অনুৰাগীসকলে সামাজিক মাধ্যমত তেওঁৰ পদত্যাগৰ কথা উল্লেখ কৰাৰ লগে লগে এই খবৰে ভাইৰেল ৰূপ লৈছে। ▸▸৬ পৃষ্ঠাত



বিতৰ্কিত সঞ্জয় দাসৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণৰ আহ্বান পৰিৱেশ সুৰক্ষা সমিতি, অসমৰ

## ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ হৰিণাৰ মাংস ভক্ষণ জনপ্ৰতিনিধিৰ



**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১৬ জুলাই ঃ** হৰিণাৰ মাংসই বৈৰী। ‘লৌহিত্য সংগম’ খ্যাত বিশ্ববিখ্যাত নদীদ্বীপ ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা হৰিণাৰ মাংস আনি নিজে খোৱাৰ লগতে আনকো খাবলৈ নিমন্ত্ৰণ কৰা তিনিচুকীয়াৰ গুইজানৰ এজন জনপ্ৰতিনিধিৰ অলপতে ▸▸৬ পৃষ্ঠাত

## গেমন সেতু ৫৫ দিনৰ পিছত মুকলি

বৰাক উপত্যকাৰ যাতায়াত পুনৰ স্বাভাৱিক



**অসম বাৰ্তা, শিলচৰ, ১৬ জুলাই ঃ** দীৰ্ঘ ৫৫ দিনৰ বন্ধৰ পিছত অৱশেষত বৰাক উপত্যকাৰ প্ৰাণকেন্দ্ৰ হিচাপে পৰিচিত গেমন সেতু যানবাহন ▸▸৬ পৃষ্ঠাত

অসমৰ পৰা নিয়া বৃহৎ পৰিমাণৰ অবৈধ মদ জব্দ

### নাগালেণ্ডত ভুৱা আৰক্ষীৰূপী অবৈধ মদ সৰবৰাহকাৰীক আটক

**অসম বাৰ্তা, আমগুৰি, ১৬ জুলাই ঃ** নাগালেণ্ডৰ মোককচুং জিলাৰ ৱাটিয়োংপাং চেক গেটত যোৱা ১৫ জুলাই নিশা প্ৰায় ১২: ৩০ বজাত নাগালেণ্ড আৰক্ষীয়ে চলোৱা অভিযানত অসম ▸▸৬ পৃষ্ঠাত



### বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ বাহনলৈ দুৰ্বৃত্তৰ ইটা নিক্ষেপ

**অসম বাৰ্তা, যোৰহাট, ১৬ জুলাইঃ** বোকাখাতৰ কৰুৱাবাহী তিনিআলিৰ বৰচাপৰি চাহ বাগিছাৰ সমীপত বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ বাহনত দুৰ্বৃত্তৰ দ্বাৰা ইটা ▸▸৬ পৃষ্ঠাত

## নাটোৰ কঠোৰ সকিয়নি; ৰাছিয়াৰ সৈতে বাণিজ্যিক সম্পৰ্ক বজাই ৰখা দেশৰ বিৰুদ্ধে কঠোৰ নিষেধাজ্ঞা

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৬ জুলাই ঃ** ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ মাজত নাটোৰ পৰা এটা উল্লেখযোগ্য সতৰ্কবাণী জাৰি কৰা হৈছে। নাটোৰ মহাসচিব মাৰ্ক ৰুটে স্পষ্টভাৱে ঘোষণা কৰিছে যে ভাৰত, চীন আৰু ব্ৰাজিলৰ দৰে দেশসমূহে যদি ▸▸৬ পৃষ্ঠাত



### আলফা স্বাধীনৰ শিবিৰত আক্ৰমণ; ছাত্ৰ সংস্থাৰ উদ্বেগ, শান্তি আলোচনাৰ আহ্বান

**অসম বাৰ্তা, গুৱাহাটী,১৬ জুলাই ঃ** ম্যানমাৰস্থিত আলফা স্বাধীনৰ শিবিৰত সংঘটিত এক অতৰ্কিত আক্ৰমণৰ ঘটনাই অসমত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি ▸▸৬ পৃষ্ঠাত

## ঝাৰখণ্ডত নক্সাল বিৰোধী শ্বহীদ অভিযানত অসমৰ বীৰ জোৱান

### তৃণমূল কৰ্মীৰ ক্ষোভ নীৰসনৰ লক্ষ্য তৃণমূল কৰ্মীক মিত্ৰতাৰ ধৰ্ম পালনৰ পৰামৰ্শ অতুল বৰাৰ

**অসম বাৰ্তা, যোৰহাট, ১৬ জুলাই ঃ** ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে, অসম গণ পৰিষদৰ (অগপ) তৃণমূল কৰ্মীসকলৰ মাজত ক্ষোভৰ সঞ্চাৰ তিমানেই বৃদ্ধি পাইছে। বিজেপিৰ বিধায়ক থকা সমষ্টিসমূহত ▸▸৬ পৃষ্ঠাত



### মুখ্যমন্ত্ৰীৰ গভীৰ শোক

**অসম বাৰ্তা, নেশ্যনেল ডেস্ক, ১৬ জুলাই ঃ** ঝাৰখণ্ডৰ বোকাৰো জিলাৰ বীৰহৰ্ডেৰা বনাঞ্চলত ন’ল বিৰোধী অভিযানৰ সময়ত আজি পুৱা অসমৰ এগৰাকী সাহসী জোৱান শ্বহীদ হৈছে। দেশৰ সেৱাত নিয়োজিত থকা এই বীৰ সন্তান চিটি/ জডি পৰ্নেশ্বৰ কোঁচে নক্সালীৰ সৈতে সংঘৰ্ষত প্ৰাণ বলিদান দিছে। ▸▸৬ পৃষ্ঠাত

### জি-২০ উন্নয়ন মন্ত্ৰীসভাৰ বৈঠকত অংশগ্ৰহণৰ বাবে কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ দক্ষিণ আফ্ৰিকালৈ যাত্ৰা

**অসম বাৰ্তা, অনলাইন ডেস্ক, ১৬ জুলাই ঃ** কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা জি-২০ উন্নয়ন মন্ত্ৰীসভাৰ (মিনিষ্টাৰ্ছ ডেভল’পমেণ্ট ▸▸৬ পৃষ্ঠাত



# ডিব্ৰুগড়ত জিলা আয়ুক্তৰ সভাপতিত্বত ৰেডক্ৰছ চ'ছাইটিৰ ষষ্ঠ বাৰ্ষিক বছৰেকীয়া সাধাৰণ সভা সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৬ জুলাই ঃ** ৰেডক্ৰছ ছছাইটিৰ ডিব্ৰুগড় জিলা শাখাৰ ষষ্ঠ বাৰ্ষিক সাধাৰণ সভাখন আজি (১৬-৭-২৫)জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ সভাপতিত্বত সম্পন্ন হয়। সভাৰ আৰম্ভণিতে ৰেডক্ৰছ চ'ছাইটি, ডিব্ৰুগড় জিলা শাখাৰ শীৰ্ষ গীতটিৰে সভাৰ কাৰ্য্যক্ৰম আৰম্ভ কৰি সভাপতিভ ডাঃ প্ৰণিত কুমাৰ চৌধুৰীয়ে চ'ছাইটিৰ উপপৃষ্ঠপোষক আৰু সকলো উপস্থিত সদস্য/সদস্যাক আদৰণি জনোৱাৰ লগতে সকলোকে সভাখন সুকলমে সম্পন্ন কৰাৰ বাবে সকলোৰে সহায় সহযোগিতা কামনা কৰে লগতে সভাৰ কাৰ্যসূচীৰ বিষয়েও অৱগত কৰি সকলোকে নিজৰ পৰিচয় দিয়ে। কাৰ্য্যসূচী অনুসৰি ৰেডক্ৰছ ছছাইটিৰ অধ্যক্ষ জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে সকলোকে স্বাগতম জনাই তেওঁৰ আদৰণি ভাষণ প্ৰদান কৰে আৰু ৰেডক্ৰছ ছছাইটিৰ মূলমন্ত্ৰ আগত ৰাখি সকলোকে এনে এটা মহান কাৰ্য্যত লিপ্ত হোৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে আৰু এনেকৈ মানৱতাৰ কল্যাণৰ বাবে আগন্তুক দিনত নিজকে ব্ৰতী হ'বলৈ আহ্বান জনায়। ইয়াৰ পাছতেই সকলো সদস্যই নিজৰ পৰিচয় ডাঙি ধৰে। আলোচনা চক্ৰৰ প্ৰথম পৰ্য্যায়ত চ'ছাইটিৰ উপ-সভাপতি ড° ৰঘুনাথ বৰবৰাই বিগত পঞ্চম বাৰ্ষিক সাধাৰণ সভাৰ প্ৰতিবেদন পাঠ কৰে আৰু সভাত পৰিচালনা সমিতিৰ অনুমোদন লৈ অধ্যক্ষৰ হাতত অৰ্পন কৰে। ডিব্ৰুগড় জিলা শাখা ৰেডক্ৰছ চ'ছাইটিৰ সম্পাদক ড° পঙ্কজ কুমাৰ শ্ৰুতিকৰে যোৱা ২০২৪-২০২৫ বৰ্ষত সম্পন্ন হোৱা বিভিন্ন কাৰ্যাৱলীৰ এক বিস্তৃত বিৱৰণ দাঙি ধৰে আৰু কয় যে যোৱাটো বৰ্ষত মুঠ ১৩টা কাৰ্য্য সূচাৰুৰূপে সম্পন্ন হয় আৰু কাৰ্য্য সমূহ তিনিটা ভাগত বিভক্ত কৰি দেখুওৱা হৈছিল। স্বাস্থ্যসেৱা ও সুৰক্ষাৰ ক্ষেত্ৰত ৮টা,




সামাজিক দায়বদ্ধতাৰ ক্ষেত্ৰত ৪টা আৰু ৰেডক্ৰছ ছছাইটিৰ প্ৰচাৰ, প্ৰসাৰ আৰু ইয়াৰ কৰ্ম ৰাজিৰ সংৰক্ষণৰ ক্ষেত্ৰত ১ টা। ইয়াৰ ভিতৰত মানৱসেৱা বঁটা আৰু ১৯৫০ চনৰ বৰভূঁইকপত প্ৰাণ আহুতি দিয়া ছয় শ্বহীদলৈ যচা শ্ৰদ্ধাঞ্জলি অন্যতম। ইয়াৰ পাছতেই চ'ছাইটিৰ কোষাধ্যক্ষ ৰাজকুমাৰ আগৰৱালাই ২০২৪-২০২৫ বৰ্ষৰ হিচাপ পৰীক্ষকৰ দ্বাৰা পৰীক্ষিত হিচাপ (audited Accounts) বৈঠকত দাখিল কৰে আৰু সভাত সৰ্বসন্মতি ক্ৰমে গৃহীত হয়। বিত্তীয় উপ-সমিতিৰ অধ্যক্ষা ড: ৰুনুমা শৰ্মাই ২০২৫-২০২৬ বৰ্ষৰ বাবে বিত্তীয় বাজেট সভাত দাখিল কৰে আৰু জমা ও খৰচৰ ওপৰত এক প্ৰতিবেদন পাঠ কৰে আৰু সভাত গৃহীত হয়। অহা ২০২৫-২৮ বিত্তীয় বৰ্ষৰ বাবে ৰাজকুমাৰ আগৰৱালাই ধীৰাজ পদ্দাৰ, চাৰ্টাড একাউণ্টেণ্ট ৰ নাম প্ৰস্তাৱ কৰে আৰু সভাত সৰ্বসন্মতি ক্ৰমে গৃহীত হয়। ৰেডক্ৰছ ছছাইটিৰ প্ৰথম সংখ্যক ই -আলোচনী "সেৱক" উন্মোচন কৰে ডিব্ৰুগড় জিলা আয়ুক্তই। এই ক্ষেত্ৰত ৰেডক্ৰছ চ'ছাইটিৰ সকলো সদস্যই ধৃতিমান চন্দ্ৰ বৰুৱাক কাৰিকৰী সহায় আগবঢ়াই আলোচনীখন প্ৰস্তুত কৰি উলিওৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। ইয়াৰ পাছতেই ৫৭ সংখ্যক মাহেকীয়া সভাৰ পৰিচালনা সমিতিৰ অনুমোদন ক্ৰমে পাঁচজনীয়া সমিতিৰ লিখিত পৰামৰ্শ অনুযায়ী চ'ছাইটিৰ নবগঠিত কাৰ্য্যবাহী সমিতিৰ সদস্য আৰু পৰিচালনা সমিতিৰ সদস্য সকলৰ নাম (২০২৫-২০২৮বৰ্ষৰ বাবে) জিলা আয়ুক্তই ঘোষণা কৰে আৰু সভাত সৰ্ব সন্মতি ক্ৰমে গৃহীত হয়। ১)সভাপতি: ড° পঙ্কজ কুমাৰ শ্ৰুতিকৰ ২) উপ-সভাপতি: ড° মহেশ কুমাৰ জৈন ৩) কোষাধ্যক্ষ: ৰাজ কুমাৰ আগৰৱালা ৪) সম্পাদক: অনুজ কুমাৰ বৰুৱা। পৰিচালনা সমিতিৰ বাবেও ড° প্ৰণিত কুমাৰ চৌধুৰীয়ে ১৬জন সদস্যৰ নাম ঘোষণা কৰে। জিলা আয়ুক্ত বিক্ৰম কৈৰীয়ে সভাপতিৰ মন্তব্যত বিশেষ তিনিটা বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰেডক্ৰছ চ'ছাইটিৰ সহযোগত বৰ্তমানে ডিব্ৰুগড়ত বৰ্দ্ধিত হাৰত দেখা দিয়া যক্ষ্মা ৰোগৰ প্ৰতিৰোধ আৰু নিয়ন্ত্ৰণ বাবে সজাগতা সৃষ্টি কৰা, দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত প্ৰশাসনক সহযোগিতা আগবঢ়োৱা আৰু চ'ছাইটিৰ পুঁজি বৃদ্ধিৰ বাবে কৰ্পৰেট খণ্ডৰ পৰা প্ৰচেষ্টা হাতত ল'বলৈ পৰামৰ্শ আগবঢ়ায়। সভাৰ অন্তত যুক্ত তৰুণ গগৈয়ে সকলোলৈকে শলাগৰ শৰাই আগবঢ়ায় আৰু লগতে জিলা আয়ুক্তক সামাজিক উন্নয়ন পুঁজিৰ পৰা সামান্য হ'লেও আৰ্থিক অনুদান আগবঢ়াই এনে এক অনুষ্ঠানক সৱল কৰি তুলিবলৈ অনুৰোধ জনায়।

# ধুবুৰী পৌৰসভাত 'নমস্তে' আঁচনিৰ অধীনত চাফাইকৰ্মী সকলৰ বাবে PPE কিট বিতৰণ

**অসম বাৰ্তা, ধুবুৰী, ১৬ জুলাই ঃ** "নমস্তে" আঁচনিৰ অধীনত ধুবুৰী পৌৰসভা আৰু ফিডবেক ফাউণ্ডেচনৰ যৌথ উদ্যোগত আজি ধুবুৰী পৌৰসভাৰ সভাকক্ষত এক বিশেষ PPE কিট বিতৰণ কাৰ্যসূচী আয়োজন কৰা হয়। এই কাৰ্যসূচীৰ মূল উদ্দেশ্য আছিল চাফাইকৰ্মীসকলৰ স্বাস্থ্য আৰু সুৰক্ষা নিশ্চিত কৰা আৰু তেওঁলোকক কৰ্মস্থলীত সন্মান আৰু সুৰক্ষাৰ সৈতে কাৰ্য কৰাৰ সুবিধা প্ৰদান কৰা। অনুষ্ঠানত চাফাইকৰ্মীসকলক PPE কিটৰ সঠিক ব্যৱহাৰ আৰু প্ৰয়োগৰ ওপৰত প্ৰাকটিকেল প্ৰদৰ্শন দিয়া হয়। জানুহুলি, মাস্ক, গগলছ, কভাৰঅল আৰু বুট কেনেকৈ সঠিকভাৱে পিন্ধিব লাগে, তাৰ ওপৰত বিশদভাৱে বুজোৱা হয়। লগতে আৱৰ্জনা সংগ্ৰহ আৰু পৰিষ্কাৰৰ সময়ত কিদৰে ব্যক্তিগত সুৰক্ষাৰ নিয়ম মানি চলিব লাগে, সেই বিষয়তো জোৰ দিয়া হয়। ইয়াৰ পাছত উচ্চ গুণগত মানৰ PPE কিট চাফাই কৰ্মী সকলৰ মাজত বিতৰণ কৰা হয়। এই কিটবোৰে তেওঁলোকক কৰ্মক্ষেত্ৰত সম্ভাৱ্য স্বাস্থ্যজনিত বিপদৰ পৰা ৰক্ষা দিবলৈ সহায় কৰিব। অনুষ্ঠানত উপস্থিত আছিল ধুবুৰী



পৌৰসভাৰ অধ্যক্ষ দেৱময সান্যাল, কাৰ্যবাহী বিষয়া নৰমাৰাতা প্ৰদীপ শৰ্মা ৱাৰ্ডৰ আয়ুক্ত উমেশ কুমাৰ ৰয়, জয়দেৱ পাল, প্ৰজে" অফিচাৰ আজিজুৰ ৰহমান, আৰু পৌৰসভাৰ কৰ্মী সকল আৰু ফিডবেক ফাউণ্ডেচনৰ প্ৰতিনিধিসকল। এই অনুষ্ঠানটোৱে সফলতাৰে চাফাই কৰ্মী সকলৰ সুৰক্ষা আৰু মৰ্যাদা সুনিশ্চিত কৰাৰ বাৰ্তা বহন কৰি "নমস্তে" আঁচনিখনৰ মূল লক্ষ্যৰ সৈতে সঙ্গতিপূৰ্ণভাৱে আগবাঢ়ি গৈছে।

# বৰপেটাত BLO আৰু BLO Supervisor সকলৰ প্ৰশিক্ষণ শিবিৰ সফলভাৱে সম্পন্ন

**অসম বাৰ্তা, বৰপেটা সদৰ, ১৬ জুলাই ঃ** ভোটাৰ তালিকা সংশোধন অভিযান, ২০২৫-ৰ প্ৰসঙ্গত ১৬ জুলাই ২০২৫ তাৰিখে বৰপেটা জিলাৰ সকলো বিধানসভা সমষ্টিত Block Level Officer (BLO) আৰু BLO Supervisor সকলৰ বাবে এক বিশেষ প্ৰশিক্ষণ শিবিৰ আয়োজন কৰা হয়। এই শিবিৰত মুঠ ১০৯৪ গৰাকী BLO আৰু ১০৩ গৰাকী BLO Supervisor-এ অংশগ্ৰহণ কৰে। প্ৰশিক্ষণ শিবিৰত ভোটাৰ তালিকা সংশোধনৰ সকলো দিশ, BLO App-ৰ সঠিক ব্যৱহাৰ, গ্ৰহণযোগ্য আৰু অগ্ৰহণযোগ্য নথিপত্ৰ চিনাক্তকৰণ, ই-EPIC, ডুপ্লিকেট নাম হ্ৰাস, আৰু বুথ পৰ্যায়ত তথ্য সংগ্ৰহ আদিৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হয়। শিবিৰসমূহত ADC (শিক্ষা) মৌচুমী চেতিয়া, ACS; ERO, AERO, BLO Supervisor আৰু নিৰ্বাচন কাৰ্যালয়ৰ বিষয়া-ববীয়াই অংশগ্ৰহণ কৰে। ADC (শিক্ষা) মৌচুমী চেতিয়াই কয় যে ভোটাৰ তালিকা অধিক নিখুঁত, নিৰ্ভুল আৰু সকলো যোগ্য নাগৰিকক অন্তৰ্ভুক্ত কৰাৰ লক্ষ্যৰে এই প্ৰশিক্ষণসমূহ আয়োজন কৰা হৈছে। বিশেষকৈ নতুন BLO সকলক সঠিক দিশ-নিৰ্দেশনা প্ৰদান কৰি এই শিবিৰসমূহে তেওঁলোকক কাৰ্যক্ষম আৰু দায়িত্বশীল হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যে গ্ৰহণ কৰা হৈছে বুলি তেওঁ আশা প্ৰকাশ কৰে।

# মাজুলীৰ বোকাজান আৰু নভঙা সংযোগী পথৰ শুকানসূঁতি জানৰ ওপৰত নৱনিৰ্মিত পকী দলং মুকলি



**অসম বাৰ্তা, উজনী মাজুলী, ১৬ জুলাই ঃ** উজনী মাজুলীৰ উন্নয়ন খণ্ডৰ শ্ৰীৰাম গাওঁ পঞ্চায়তৰ অন্তৰ্গত বোকাজান-নভঙা সংযোগী পথৰ শুকানসূঁতি জানৰ ওপৰত নৱ নিৰ্মিত পকী দলংখন আজি আনুষ্ঠানিকভাৱে মুকলি কৰে। সকলো মাংগলিক কাৰ্যসূচীৰে বহু প্ৰত্যাশিত দলংখন আজি ৰাইজৰ সেৱাত মুকলি কৰে মাজুলীৰ স্থানীয় বিধায়ক ভুৱন গামে। ইয়াৰ লগে লগে বোকাজান তথা নভঙা অঞ্চলবাসীয়ে যাতায়ত ব্যৱস্থাৰ ক্ষেত্ৰত আশাৰ সঞ্চাৰ কৰিলে। উল্লেখ্য যে, ৪ কোটি ৩০ লাখ ১৮ হেজাৰ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হোৱা দলংখনৰ নিৰ্মাণ কাৰ্য মাত্ৰ এবছৰৰ ভিতৰতে সম্পূৰ্ণ কৰে। এই দলং মুকলিৰ লগত সংগতি ৰাখি এখন মুকলি সভা অনুষ্ঠিত হয়। অনুষ্ঠানত বিধায়ক ভুৱন গামে কয়- অসমৰ ৰাইজৰ মৰম আৰু আশীৰ্বাদ গ্ৰহণ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰখনে সাধাৰণ দুখীয়া মানুহৰ সমস্যাক সমাধানৰ বাবে কাম কৰি আহিছে। তাৰেই অংশ হিচাপে মাজুলীৰ অতিকৈ ভিতৰুৱা সমস্যা জৰ্জড়িত বোকাজান অঞ্চলত নতুনকৈ পকী দলং নিৰ্মাণ কৰি ৰাইজৰ সেৱাত উছৰ্গা কৰিবলৈ আজি সক্ষম হল। অনাগত দিনতো এইদৰে ৰাইজৰ বাবে কাম যোৱাৰ বাবে আমি সদায়ে প্ৰতিশ্ৰুতিবদ্ধ বুলি বক্তব্য প্ৰদান কৰে। মাজুলীৰ জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে মাজুলীৰ ভিতৰুৱা অঞ্চলত অৱস্থিত সৰু সৰু দলংবোৰে ৰাইজৰ সমস্যা সমাধানত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। যিবোৰ অঞ্চলত পকী দলং নিৰ্মাণ কৰিব পৰা নাই সেইবোৰত আমি ৰাইজৰ সুবিধা হোৱাকৈ বাঁহৰ দলংৰ ব্যৱস্থা কৰিছো। অনাগত দিনত সেই বাঁহৰ দলংৰ সমাধানৰ বাবে চেষ্টা চলাম বুলি সাংবাদিকৰ আগত কয়। আজি এই দলং মুকলি অনুষ্ঠান উপস্থিত থাকে শ্ৰীৰাম গাওঁ পঞ্চায়তৰ সভাপতি অৰূপ শইকীয়া, কাউঞ্চিলাৰ পল্লবী দেৱী, মিচিং স্বায়ত্ত্ব শাসিত পৰিষদৰ সাধাৰণ সদস্য তৈলোক্য পামেগাম, জিলা বিজেপিৰ দেৱ মূদৈ, উৎপল ভেৰুৱা, কিশোৰ গাম, ৰাজনোহন পেগু, বিৰলা দলে, মাণিক শইকীয়াৰ লগতে লোক নিৰ্মাণ বিভাগৰ বহু কেইজন বিষয়া কৰ্মচাৰী।



# নৱগঠিত পদুমণি গাঁও পঞ্চায়তৰ সভাপতিৰ দায়িত্ব গ্ৰহণ

**অসম বাৰ্তা বিশেষ, লখিমপুৰ, ১৬ জুলাই ঃ** পূৰ্বৰ ঢকুৱাখনা বিধানসভা সমষ্টিৰ ওখমাটি গাঁও পঞ্চায়ত আৰু সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত লখিমপুৰ বিধানসভা সমষ্টিৰ বগীনদী ব্লকৰ পদুমণি গাঁও পঞ্চায়ত হিচাপে নৱগঠিত হোৱা পঞ্চায়তটোৰ সভাপতি হিচাপে আজি আনুষ্ঠানিকভাৱে দায়িত্বভাৰ গ্ৰহণ কৰে যদু চুতীয়াই। শ্ৰীশ্ৰী পদুমণি আইথানৰ সমীপতে থকা পঞ্চায়ত কাৰ্যালয়ত নাম-প্ৰসঙ্গ, মাংগলিক নীতি-নিয়মৰ জৰিয়তে দায়িত্ব গ্ৰহণ কৰে যদু চুতীয়াই তথা উপ-সভানেত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে পূৰ্ণিমা নাৰ্জাৰীয়ে। এই কাৰ্যসূচীত পদুমণি গাঁও পঞ্চায়তৰ অন্তৰ্গত অন্যান্য ৱাৰ্ড সদস্য আৰু সদস্যা সকলেও দায়িত্বভাৰ গ্ৰহণ কৰে। দায়িত্বভাৰ গ্ৰহণ অনুষ্ঠানৰ পিছত অনুষ্ঠিত সভাত দায়িত্বভাৰ গ্ৰহণ কৰা সভাপতি, সভানেত্ৰী আৰু ৱাৰ্ড সদস্য আৰু সদস্যা সকলকো বিভিন্নজনে ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। সভাপতি যদু চুতীয়াৰ নেতৃত্বত অনগ্ৰসৰ পদুমণি গাঁও পঞ্চায়তক উন্নয়নৰ দিশত লৈ যাবলৈ সক্ষম হ'ব বুলি সকলোৱে আশা প্ৰকাশ কৰিছে। আনহাতে, এই অনুষ্ঠানতে আঞ্চলিক পঞ্চায়তৰ সদস্য ৰবি খটিৰৰাই দায়িত্বভাৰ গ্ৰহণ কৰে।

# ২৬ জুলাইত গ্ৰীষ্মকালীন উপলক্ষে কেন্দ্ৰীয় সাংস্কৃতিক উৎসৱ, অনুষ্ঠিত হ'ব 'চিত্ৰাংকন' আৰু 'সৃষ্টিশীল' নৃত্য প্ৰতিযোগিতা

**অসম বাৰ্তা, জয়সাগৰ, ১৬ জুলাই ঃ** গ্ৰীষ্মকালীন উপলক্ষে শিৱসাগৰ জিলা সাংস্কৃতিক মহাসভাৰ ঊনবিংশতিতম কেন্দ্ৰীয় সাংস্কৃতিক উৎসৱ ভাগি শিৱসাগৰ বাসীৰ সহযোগত ২৬ জুলাই শনিবাৰে অসমৰ প্ৰথম শ্বহীদ সাংবাদিক কমলা শইকীয়া সমন্বয় ক্ষেত্ৰ, শিক্ষাবিদ শিৱসিংহ কোৰঁৰ সোঁৱৰণী সাংস্কৃতিক মঞ্চ শিৱসাগৰ নগৰস্থ কেপিএম হলত বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। এই উপলক্ষে পুৱা ৯-০০ বজাত অসম ভিৰ্তিত হ'ব লগা চিত্ৰাংকন প্ৰতিযোগিতা খনি শিৱসাগৰ চৰকাৰী মধ্য অসমীয়া বিদ্যালয়ত আৰু পুৱা ১১-০০ বজাৰ পৰা উল্লিখিত কেপিএম হলত "একক সৃষ্টিশীল নৃত্য" আৰু দলীয় সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা খনি অনুষ্ঠিত হ'ব। চিত্ৰাংকন আৰু একক সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা খনি তিনিটা শাখাত অনুষ্ঠিত হ'ব। সেইদৰে "ক" শাখা- তৃতীয় শ্ৰেণীলৈ, "খ" শাখা চতুৰ্থ- সপ্তম শ্ৰেণীলৈ আৰু "গ" শাখা - অষ্টম শ্ৰেণীৰ পৰা মুকলি থাকিব। সেইদৰে দলীয় সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা তৃতীয় শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ মাথোঁ এটা গ্ৰুপত প্ৰতিযোগিতা খনি অনুষ্ঠিত হ'ব। পুৱা ৯-০০ বজাৰ পৰা নিজ ইচ্ছাৰে অংকন কৰিব লগা প্ৰতিযোগিতা খনিৰ ভৰ্তি মাচুল এশ টকা। সেইদৰে চিত্ৰাংকন প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান অধিকাৰ কৰা সকলক মানদণ্ড ট্ৰফী সহ মানপত্ৰ প্ৰদান কৰাৰ লগতে আৰু দহটা অতিৰিক্ত বঁটা সহ মুঠ ৩৯টা পুৰস্কাৰ প্ৰদান কৰা হ'ব। পুৱা ১১-০০বজাৰ পৰা হ'ব লগা একক আৰু দলীয় সৃষ্টিশীল নৃত্য প্ৰতিযোগিতাৰ ভৰ্তিমাচুল ক্ৰমে তিনিশ আৰু ছয়শ টকা মাত্ৰ। প্ৰথম, দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠ স্থান অধিকাৰ কৰা সকলক মানদণ্ড ট্ৰফী, মানপত্ৰ আদিৰ লগতে প্ৰতিটো শাখাৰ প্ৰথম দহ গৰাকীক মানপত্ৰ সহ বিশেষ বটাঁৰে মুঠ ৩৯গৰাকীক পুৰস্কৃত কৰা হ'ব। দলীয় সৃষ্টিশীল নৃত্য প্ৰতিযোগিতাৰ প্ৰথম দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠ বিজয়ী দলক একেদৰে পুৰস্কৃত কৰাৰ উপৰিও বিজয়ী দলৰ আটাইকে মানপত্ৰ আদি প্ৰদান কৰা হ'ব। উল্লেখ যোগ্য যে উক্ত দিনা মুকলি সভা, স্মৃতিগ্ৰন্থ "ৰংঘৰ " উন্মোচন, স্মাৰক বক্তৃতা, বটাঁ বিতৰণী আৰু সাংস্কৃতিক অনুষ্ঠান আদি অনুষ্ঠিত হ'ব। চিত্ৰাংকণ প্ৰতিযোগিতাৰ ফলাফল সমূহ দিনৰ ২-৩০ বজাত মূল সভাগৃহ কেপিএম হলত ঘোষনা কৰা হ'ব আৰু লগে লগে ৩৯ গৰাকী বিজয়ী প্ৰতিযোগীক বটাঁ সমূহ প্ৰদান কৰা হ'ব। প্ৰতিযোগী সকলে আগতিয়াকৈ ৮৮৬৭০৯৫৫৫ নম্বৰৰ যোগেদি যোগদান নিশ্চিত কৰিব লাগিব। GPay no-9435204936। সকলোৱে সহায়- সহযোগিতা কামনা কৰিলো। সবিশেষ জানিবলৈ- ফোন নং- ৮৪৮৬৭০৯৫৫৫ ৯১০১১৭৩০১৪ ত যোগাযোগ কৰিব পাৰিব।

# সমাজসেৱক বুবুতি বৰাৰ মৃত্যুত বৰ কৰৈয়নিত শোকৰ ছাঁ

**অসম বাৰ্তা, ৰঙামাটি, ১৬ জুলাই ঃ** নৱগঠিত দেৰগাঁও বিধান সভা সমষ্টি পশ্চিম ব্ৰহ্মপুত্ৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত ৬ নং বৰ কৰৈয়নী ৱাৰ্ডৰ ভাৰতীয় জনতা পাৰ্টীৰ ২০০৭ চনৰ প্ৰাক্তন ৱাৰ্ড সদস্য বুবুতি বৰা যোৱা ইংৰাজী ১২ জুলাই ২০২৫ তাৰিখে আকস্মিকভাৱে হৃদক্ৰিয়া বন্ধ হৈ নিজা বাসগৃহত নিশা ১২ বাজি ২০ মিনিটত অকাল মৃত্যুক আঁকোৱালি লয়। তেখেতৰ আকস্মিক মৃত্যুৱে অঞ্চলবাসীৰ লগতে ভাৰতীয় জনতা পাৰ্টীৰ গোলাঘাট জিলা সমিতিকো মৰ্মাহত কৰে। তেখেত ৱাৰ্ড সদস্য হিচাপে জয়ী হোৱা সময়ত ভাৰতীয় জনতা পাৰ্টীৰ দলটি শক্তিশালী নাছিল যদিও পশ্চিম ব্ৰহ্মপুত্ৰ গাঁও পঞ্চায়তৰ ভাৰতীয় জনতা পাৰ্টীৰ প্ৰথমজন ৱাৰ্ড সদস্য হিচাপে নিৰ্বাচিত হৈ দলটোৰ বাবে আশাৰ ৰেঙনী কঢ়িয়াই আনিছিল। সেয়েহে যোৱা মঙ্গলবাৰে ভাৰতীয় জনতা পাৰ্টীৰ পশ্চিম ব্ৰহ্মপুত্ৰ গাঁও পঞ্চায়তৰ নৱনিৰ্বাচিত সভাপতি ভূপেন বৰাৰ প্ৰমুখ্যে নৱনিৰ্বাচিত ৱাৰ্ড সদস্য/ সদস্যা ক্ৰমে চুমকি ৰাজখোৱা বৰা, মৌচুমী বৰা, মণ্টু বৰুৱা, মন্দিৰা দাস, জিতু বৰা, ধনঞ্জয় পাওঁ, জুনুমাই দলে পেগু, শক্তি কেন্দ্ৰ প্ৰমুখ মুনিন্দ্ৰ বৰা, দুলাল বৰা, পল্লৱ গোস্বামী, বৰ কৰৈয়ণী বুথৰ সম্পাদক ভাস্কৰ বৰাৰ লগতে বুথ কমিটিৰ কাৰ্যকৰ্তা সকল আৰু বৰকৰৈয়নি অঞ্চলৰ ৰাইজ, বালিদোৱা বুথ সভাপতি/সম্পাদকৰ লগতে কাৰ্যকৰ্তা সকল আৰু পশ্চিম ব্ৰহ্মপুত্ৰ গাঁও পঞ্চায়তৰ ভাৰতীয় জনতা পাৰ্টীৰ জেষ্ঠ ব্যক্তি সকলৰ লগতে ব্ৰহ্মপুত্ৰ অঞ্চলৰ বিভিন্ন সমাজসেৱক সকল বুবুটি বৰাৰ বাসগৃহত উপস্থিত হৈ পৰিয়ালটিক সাক্ষাৎ কৰাৰ লগতে মৃতকৰ আত্মাৰ সদগতি কামনা কৰে। বুবুতি বৰা এজন সহজ সৰল ব্যক্তি হোৱাৰ লগতে তেওঁ অঞ্চলটিৰ জনপ্ৰিয় যুৱক আছিল। নৱ বিবাহিতা বৰাৰ পৰিয়ালত বৰ্তমান বৃদ্ধা মাতৃ আৰু আৰু পত্নীৰ উপৰিও এবছৰিয়া এগৰাকী কণমানি কন্যাক এৰি থৈ যায়। গাখীৰ ব্যৱসায় কৰি পৰিয়াল পোহপাল দি থকা বৰাৰ পৰিয়ালটিৰ অৱস্থা একেবাৰে শোচনীয়। বৰাৰ মৃত্যুত ভাৰতীয় জনতা পাৰ্টীৰ লগতে অঞ্চলটোৰ বাবে আপুৰণীয় ক্ষতি। বৰাৰ মৃত্যুক কেন্দ্ৰ কৰি অঞ্চল জুৰি সৃষ্টি হৈছে শোকৰ ছাঁ।

## যোৰহাট চোলাধৰাৰ শাস্ত্ৰীপীঠত প্লাষ্টিক আৱৰ্জনা মুক্তকৰণ অভিযান আৰম্ভ

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১৬ জুলাই ঃ** বিশ্বব্যাপী প্লাষ্টিক প্ৰদূষণৰ বিৰুদ্ধে চলি থকা অভিযানৰ অংশ হিচাপে, পৰিৱেশ সংৰক্ষণ আৰু অঞ্চলটো সঘনে জলমগ্ন হৈ পৰা সমস্যা সমাধানৰ উদ্দেশ্যে যোৰহাট চোলাধৰা শাস্ত্ৰীপীঠ সেৱা সমাজৰ উদ্যোগত আৰু স্থানীয় বাসিন্দাসকলৰ সহযোগত ১৩ জুলাইত চোলাধৰা শাস্ত্ৰীপীঠত প্লাষ্টিক আৱৰ্জনা মুক্তকৰণ অভিযান ৰূপায়ণ কৰে। অভিযানত অঞ্চলটোৰ পথ, নলা-নৰ্দমা, মুকলি ভূমিত জমা হৈ থকা প্লাষ্টিক আৱৰ্জনা সংগ্ৰহ কৰি যোৰহাটৰ আৱৰ্জনা পেলোৱা ডাষ্টবিনত থয়গৈ। শাস্ত্ৰীপীঠ সেৱা সমাজৰ সভাপতি ড° দেৱজিত ভট্টাচাৰ্য, সম্পাদক প্ৰতাপ কুমাৰ দত্তই অভিযানত অংশগ্ৰহণ কৰা সকলক ধন্যবাদ জ্ঞাপন কৰিছে।

## নগাঁও মেডিকেল কলেজৰ মৰ্গত পৰি আছে অচিনাক্ত পুৰুষৰ মৃতদেহ

**অসম বাৰ্তা, বৰ্‌হমপুৰ, ১৬ জুলাই ঃ** নগাঁও জিলাৰ চামগুৰি আমলখি চাহ বাগিছাত ১০ জুলাইত চাহ বাগিছাৰ ৭ নং লাইনত থকা এজোপা গছত চিপ লৈ থকা অৱস্থাত এটা পুৰুষৰ মৃতদেহ উদ্ধাৰ হৈছিল। স্থানীয় ৰাইজৰ খবৰৰ ভিত্তিত চামগুৰিৰ শালনা আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰে যদিও চিনাক্ত কৰিব পৰা নাছিল। বৰ্তমান মৰণোত্তৰ পৰীক্ষা সম্পূৰ্ণ হোৱা মৃতদেহটো নগাঁও মেডিকেল কলেজৰ মৰ্গত ৰখা হৈছে যদিও আজি ৬ দিন পাৰ হৈ যোৱাৰ পাছতো মৃতদেহটোৰ পৰিচয় উদ্ধাৰ হোৱা নাই। নীলা ছাৰ্ট পৰিধিত প্ৰায় ৪০ বছৰ বয়সৰ পুৰুষ জনৰ কোনো লোকে পৰিচয় লাভ কৰিলে চামগুৰি আৰক্ষীক খবৰ দিবলৈ আহ্বান জনাইছে আৰক্ষীয়ে।

# গোলাঘাটত কৰুণাধাৰাৰ সজাগতা সভাত ন্যাস পুঁজিলৈ বিভিন্নজনৰ বৰঙণি প্ৰদান

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৬ জুলাই ঃ** 'কৰুণাধাৰা'ৰ গোলাঘাট সহায়ক সমিতিৰ উদ্যোগত হোৱা সজাগতা সভা এখনিত আজি কৰুণাধাৰাৰ জন্মদাতা প্ৰখ্যাত সাহিত্যিক, সাংবাদিক হোমেন বৰগোহাঞিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। গোলাঘাট পেঞ্চনাৰ্চ সন্থাৰ সভাপতি পুষ্পেন্দ্ৰ গোহাঁই আৰু গোলাঘাট জিলা মহিলা সমিতিৰ সভানেত্ৰী জুৰি দাস ৰাজখুৱাই বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে। কৰুণাধাৰাৰ গোলাঘাট সহায়ক সমিতিৰ সভাপতি দ্বীপেন দত্তৰ পৌৰোহিত্যত পেঞ্চনাৰ্চ ভৱনত আয়োজিত সভাখনিত বহুসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সহায়ক সমিতিৰ সম্পাদক দ্বীজেন বৰাই সভাৰ উদ্দেশ্য ব্যাখ্যাৰ লগতে গোলাঘাটত কৰুণাধাৰাৰ কাম-কাজৰ এক খতিয়ান দাঙি ধৰে। সুধাকণ্ঠৰ 'মানুহে মানুহৰ বাবে' গীত সমূহীয়াভাৱে পৰিৱেশনেৰে আৰম্ভ হোৱা সভাখনিত সমাজৰ বিশেষভাৱে সক্ষম তথা আৰ্তজনৰ কাষত সহানুভূতিৰে থিয় হৈ সহায়ৰ হাত আগবঢ়োৱা এক 'হৃদয়ৰ আন্দোলন' স্বৰূপ কৰুণাধাৰা সম্পৰ্কত গোলাঘাটৰ বিশিষ্ট শিক্ষাবিদ, লেখক পুণ্যেশ্বৰ পূজাৰীৰ লগতে বিশিষ্ট সমাজসেৱক পুৰঞ্জয় গোস্বামী, দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক, লেখিকা লনী ফুকনে বক্তব্য প্ৰদান কৰে। এই অনুষ্ঠানতে কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে কৰুণাধাৰাৰ পুঁজিলৈ বৰঙনি আগবঢ়ায়। ইয়াৰ ভিতৰতে অসম চৰকাৰৰ যুটীয়া স্বাস্থ্য সঞ্চালক ৰূপে অৱসৰ গ্ৰহণ কৰা সু-চিকিৎসক ডাঃ অৰুণী বৰঠাকুৰে ৫০, ০০১ টকা বৰঙনিৰ এখন চেক কৰুণাধাৰাৰ গোলাঘাট সহায়ক সমিতিক প্ৰদান কৰে। ইয়াৰোপৰি কমলাক্ষী দত্তই ৫ হাজাৰ, লয়া দত্তই ৫ হাজাৰ, গিৰীশ ফুকন আৰু ৰুবী ফুকনে ২, ৪০০ টকা, জুৰি দাস ৰাজখোৱা আৰু স্বৰ্ণ হাজৰিকাই প্ৰত্যেকে এক হাজাৰকৈ টকা, শ্ৰুতি দীপা মেচে ৫০০ টকা বৰঙনি কৰুণাধাৰাৰ ন্যাস পুঁজিলৈ আগবঢ়ায়। অন্যহাতে আজিৰ সভাতে কৰুণাধাৰা ন্যাস সমিতিয়ে গোলাঘাটৰ দহ মাইলৰ শেনচোৱাৰ ৰোগাক্ৰান্ত পূৰৱী গগৈ আৰু সতী সাধনী কলাক্ষেত্ৰৰ সমীপৰ বিশেষভাৱে সক্ষম নীলমণি দাসলৈ আগবঢ়োৱা অনুদানৰ চেক প্ৰদান কৰা হয়।


**CORRECTION**

My actual and correct name is JYOTIKA MOHAN DOIMARI which is correctly recorded in my Aadhaar card vide No. 9870 8720 8448. HEMEN DOIMARI is my Son who was born on 03/02/2015. But in his birth certificate vide Regd. No. 450/15 issued on 17/04/2015 my son's name has been entered as HEMAN DOIMARI instead of HEMEN DOIMARI and my name has been entered as JYOTIKA DOIMARI instead of JYOTIKA MOHAN DOIMARI. By Swaring an Affidavit before the Notary public at Charaideo, Sonari on 14th July 2025 do hereby declare that HEMEN DOIMARI and HEMAN DOIMARI is the same and one person i.e. my son and JYOTIKA MOHAN DOIMARI and JYOTIKA DOIMARI is same and one person i.e. myself.


# নগৰ ৰাজভাষা কাৰ্যকৰীকৰণ সমিতিৰ; ৫০ সংখ্যক বৈঠক অনুষ্ঠিত

**অসম বাৰ্তা, বঙাইগাঁও, ১৬ জুলাই ঃ** নগৰ ৰাজভাষা কাৰ্যকৰীকৰণ সমিতি চমুকৈ নৰাকাস, বঙাইগাঁৱৰ ৫০ সংখ্যক বৈঠকখন কালি সমিতিৰ সভাপতি তথা বঙাইগাঁও শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক আৰু শোধনাগাৰ মুৰব্বী নয়ন কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হৈ যায়। বৈঠকত ভাৰত চৰকাৰৰ চৰকাৰী ভাষা বিভাগৰ প্ৰতিনিধি হিচাপে গুৱাহাটীৰ আৰ আই অ'ৰ উপ-সঞ্চালক (কাৰ্য্যকৰী) ৰাজীৱ কুমাৰ নায়কে অংশগ্ৰহণ কৰে। সভাৰ উদ্দেশ্য দাঙি ধৰে বঙাইগাঁও শোধনাগাৰৰ জ্যেষ্ঠ হিন্দী বিষয়া শৰদ কুমাৰে। সভাত কাৰ্যালয়ৰ মুৰব্বীৰ উপস্থিতি বাধ্যতামূলক কৰা, যৌথ হিন্দী কৰ্মশালাৰ আয়োজন কৰা আৰু মাহেকীয়া চৰকাৰী ভাষাৰ কাৰ্যসূচী অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হয়। এই উপলক্ষে দিয়া ভাষণত কাৰ্যবাহী সঞ্চালক তথা শোধনাগাৰ মুৰব্বী নয়ন কুমাৰ বৰুৱাই কয় যে সকলোৰে সামূহিক প্ৰচেষ্টাৰ বাবে এই নৰাকাসে উত্তৰ-পূৰ্বাঞ্চলত এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। ইয়াৰ বাবে আমাকো গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ দ্বাৰা সম্বৰ্ধনা জনোৱা হৈছে, আমি একেলগে হিন্দীৰ কাম-কাজৰ প্ৰচাৰ কৰিব লাগিব। গুৱাহাটীৰ আৰ আই অ'ৰ উপ-সঞ্চালক (কাৰ্য্যকৰী) ৰাজীৱ কুমাৰ নায়কে সম্বোধন কৰি সকলোকে চৰকাৰী ভাষা বিভাগৰ নিৰ্দেশনা মানি চলিবলৈ আৰু নৰাকাসৰ সৈতে কান্ধত কান্ধ মিলাই হিন্দী ভাষাৰ ব্যৱহাৰ বৃদ্ধি কৰিবলৈ আহ্বান জনায়। বৈঠকত গৃহ আলোচনী নৰ্থ-ইষ্ট প্ৰভা মুকলি কৰা হয়।

# বিলুপ্ত আমগুৰি সমষ্টিৰ এটা জৰাজীৰ্ণ পথে জ্বলাকলা খুৱাইছে ৰাইজক


**অসম বাৰ্তা, গেলেকী, ১৬ জুলাই ঃ** জৰাজীৰ্ণ এটা পথেৰে বছৰ বছৰ ধৰি দুৰ্বিষহ যাতায়ত অব্যাহত ৰাখিছে পূৰ্বৰ আমগুৰি সমষ্টিৰ আৰু বৰ্তমান নতুনকৈ অন্তৰ্ভুক্ত হোৱা শিৱসাগৰ বিধানসভা সমষ্টিৰ নামতি আলি গাওঁ পঞ্চায়তৰ ১০ নং ৱাৰ্ডৰ লোণপূৰীয়া নুনীয়াপট্টী গাঁৱৰ ৰাইজে। অতি দৰিদ্ৰ তথা পিছপৰা শ্ৰেণীৰ লোকে বসবাস কৰা এই অঞ্চলৰ মূল পথটি প্ৰায় ১.৫ কিলোমিটাৰ মূল সংযোগী পথ যাতায়তৰ বাবে একেবাৰে অনুপযোগী হৈ পৰিছে। পথাৰ সদৃশ বোকাৰে ভৰি পৰিছে বৰ্তমান পথচোৱা। এই পথচোৱায়েদি দৈনিক এখন প্ৰাথমিক বিদ্যালয়ৰ কণ কণ ছাত্ৰ-ছাত্ৰীৰ লগতে কলেজীয়া ছাত্ৰ-ছাত্ৰী, গাওঁখনৰ বয়োজেষ্ঠ লোকৰ লগতে সাধাৰণ লোকে যাতায়ত কৰে। পথচোৱা সুগম নোহোৱাৰ বাবে নিশাৰ ভাগত খোজ কাঢ়ি পথচোৱায়েদি ওলাই যাব নোৱাৰা অৱস্থা বৰ্তমান। সমষ্টি পুনৰ্নিৰ্দ্ধাৰণত বিলুপ্ত হোৱা আমগুৰি সমষ্টিৰ সীমামূৰীয়া এই পথচোৱাৰ ৰাইজৰ বাৰিষাৰ সময়ত যাতায়তৰ দুৰ্দশাৰ খবৰ লবলৈ এবাৰো নাহিল সমষ্টিৰ বৰ্তমান বিধায়কজন। জানিব পৰা মতে স্থানীয় ৰাইজে এই বিষয়ে শিৱসাগৰ সমষ্টিৰ বিধায়ক গৰাকীক লিখিতভাৱে জনাইছে যদিও আজিলৈকে এই যাতায়তৰ মূল সমস্যাটো সমাধান কৰাৰ ক্ষেত্ৰত কোনো এজন জনপ্ৰতিনিধিয়েই গুৰুত্ব দিয়া নাই।

# সত্ৰীয়া সংস্কৃতিৰ নীৰৱ সাধক মাজুলীৰ গোলাপ চন্দ্ৰ বৰুৱা বৰবায়নলৈ 'জীৱন যোৰা সাধনা বটাঁ'

**অসম বাৰ্তা, বনগাঁও, ১৬ জুলাই ঃ** সত্ৰীয়া সংস্কৃতিৰ নীৰৱ সাধক গোলাপ চন্দ্ৰ বৰুৱা বৰবায়ন মাজুলীৰ এগৰাকী জনপ্ৰিয় সাংস্কৃতিক কৰ্মী। ১৯৬৩ চনত মাজুলী জিলাৰ ঐতিহাসিক ৰাৱনা গাৱঁত জন্ম গ্ৰহণ কৰা প্ৰশিক্ষক গোলাপ চন্দ্ৰ বৰুৱা বায়ন বাল্য কালতে সত্ৰ নগৰী মাজুলীৰ নতুন কমলাবাৰী সত্ৰত থাকি প্ৰয়াত সত্ৰাধিকাৰ নাৰায়ণ চন্দ্ৰ গোস্বামীৰ তত্ত্বাৱধানত সত্ৰীয়া গীত - মাত, নৃত্য, খোল - তাল, সত্ৰীয়া কলা -সংগীত, অংকীয়া, ভাওঁনা আদি বিষয় একানপটীয়াকৈ চৰ্চা কৰে। যাৰ সুবাসতে সত্ৰীয়া সংস্কৃতিৰ নীৰৱ সাধক গৰাকী সম্প্ৰতি মাজুলী জিলাৰ বাহিৰে-ভিতৰে এগৰাকী জনপ্ৰিয় অভিজ্ঞ সত্ৰীয়া সংস্কৃতিৰ শিল্পী হিচাবে পৰিচিত। ঐতিহাসিক সত্ৰত এগৰাকী যুৱ বৈষ্ণৱ হিচাবে থাকি অধ্যাপক গুন কান্ত দত্তৰ তত্ত্বাৱধানত সত্ৰীয়া নৃত্য, অধ্যাপক প্ৰয়াত সুনন্দ গায়ন, বাপু ৰাম বায়ন আতৈ, হৰি পাঠক ওজাৰ তত্ত্বাৱধানত ওজা, অধ্যাপক গুন কান্ত দত্ত বৰ বায়নৰ অধীনত বায়ন, অধ্যাপক প্ৰয়াত সৰ্ব্বেশ্বৰ গায়ন, প্ৰয়াত সোণেশ্বৰ নাম লগোৱাৰ তত্ত্বাৱধানত অংকীয়া ভাওঁনা আৰু অধ্যাপক মনি ৰাম পাঠকৰ অধীনত পাঠ প্ৰণালীৰ শিক্ষা ও চৰ্চাত অধিক আগ্ৰহৰে গ্ৰহণ কৰে। সত্ৰীয়া ঐতিহ্য আৰু মহাপুৰুষ গৰাকীৰ অমৰ সৃষ্টিৰাজিক অধিক প্ৰচাৰ আৰু আকৰ্ষণমুখী কৰাৰ লক্ষ্যৰে গোবিন্দ শইকীয়া বৰ বায়নৰ তত্ত্বাৱধানত ১৯৭৭চনত আন্দামান নিকোবৰত সত্ৰীয়া সাংস্কৃতিক অনুষ্ঠান,দেশৰ ৰাজধানী দিল্লী, মুম্বাহ, পঞ্জাৱত সংগীত নাটক একাডেমি অনুষ্ঠান প্ৰদৰ্শন কৰাৰ উপৰিও, ভিন ভিন সময়ত উৰিষ্যা বেনাৰস, কেৰেলা, লক্ষ্মৌ, চেন্নাই, ভুপাল আদিত সত্ৰীয়া নৃত্য, গায়ন বায়ন, অংকীয়া ভাওঁনা আদি সাংস্কৃতিক কাৰ্যসূচীত আন আন শিল্পী সহ পৰিৱেশ কৰি দেশবাসীৰ সমাদৰ বুটলিবলৈ সক্ষম হয়। ইয়াৰোপৰি মাজুলীৰ বাহিৰে ভিতৰে নৱ প্ৰজন্মৰ মাজত মহাপুৰুষ গৰাকীৰ আদৰ্শৰে সত্ৰীয়া নৃত্য, গায়ন-বায়ন, অংকীয়া ভাওঁনা আদি প্ৰশিক্ষণ আগবঢ়াই কণকণ শিশু প্ৰশিক্ষাৰ্থীক আধ্যাত্মিক জ্ঞানপুষ্ট কৰি তোলাটো শিল্পী গৰাকীৰ জীৱনৰ অন্যতম দিশ। সত্ৰীয়া সংস্কৃতিৰ নীৰৱ সাধক গোলাপ চন্দ্ৰ বৰুৱা বৰ বায়ন বৰ্তমান মাজুলী কমলাবাৰী সত্ৰীয়া সংগীত একাডেমীৰ অধ্যক্ষ। অসম চৰকাৰৰ এগৰাকী স্বীকৃতিপ্ৰাপ্ত প্ৰশিক্ষক। তেনে এগৰাকী শিল্পীক ১৩ জুলাইত নলবাৰী জিলা পুথিঁভৰালত আয়োজিত এটি গাম্ভীৰ্যপুৰ্ন অনুষ্ঠানত 'জীৱনযোৰা সাধনা বটাঁ' প্ৰদান কৰাত উৎফুল্ল সত্ৰ নগৰী মাজুলী। মাৰোৱাৰী শিৰম ডান্স একাডেমিৰ একাদশ বৰ্ষপূৰ্তি; উলাবড়িৰ কৃষ্টি কলা কেন্দ্ৰৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে বাগীশ্বৰী সংগীত বিদ্যালয় দুই নং সোণকুৰিহাৰ সহযোগত ১৩ জুলাইৰ সন্ধিয়া অনুষ্ঠিত হোৱা অনুষ্ঠানত লোক নৃত্য আৰু সত্ৰীয়া নৃত্যৰ ক্ষেত্ৰ লৈ অৱদান আগবঢ়োৱা চাৰিগৰাকী বিশিষ্ট শিল্পীক 'জীৱন যোৰা সাধনা বটাঁ' প্ৰদান কৰে। ইয়াৰে ভিতৰত মাজুলীৰ গোলাপ চন্দ্ৰ বৰুৱা বৰ বায়ন অন্যতম। একোখনিকৈ গামোছা, চেলেং চাদৰ, স্মাৰক, জাপি, সম্বৰ্ধনা পত্ৰ আদি উপহাৰে বৰেণ্য বক্তিক বটাঁ প্ৰদান কৰে। সাংস্কৃতিক কৰ্মী দিগন্ত ভৰালীয়ে বটাঁ প্ৰদান অনুষ্ঠানটি আতঁ ধৰে। সাংস্কৃতিক অনুষ্ঠানত ৰাজ্যৰ ভালে কেইগৰাকী গণ্য-মান্য বিশিষ্ট ব্যক্তি, শিক্ষাবিদ, সাহিত্যিক, সাংবাদিক উপস্থিত থাকে। এগৰাকী অমায়িক সৎ- আদৰ্শৱান, যোগ্য শিল্পীক 'জীৱন যোৰা সাধনা বটাঁ' বাবে নিৰ্ব্বাচিত কৰাত মাজুলীৰ বিভিন্ন দল-সংগঠনে উদ্যোগতা সকলক ধন্যবাদ জনায়।



# প্ৰখ্যাত আলোক চিত্ৰশিল্পী ডবকাৰ অনুৰূপ মান্না গুৰুতৰভাৱে অসুস্থ



অসম বাৰ্তা, ডবকা, ১৬ জুলাইঃ গুৰুতৰভাৱে অসুস্থ হৈ পৰিছে স্থিৰ আলোক চিত্ৰশিল্পী চিত্ৰকৰ তথা হোজাই জিলাৰ সমাজকৰ্মী অনুৰূপ মান্না। বিগত কিছুদিন ধৰি তেওঁ শ্বাস-প্ৰশ্বাসজনিত সমস্যাত আক্ৰান্ত হৈ আছে। প্ৰায় এসপ্তাহ ধৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাৰ অন্তত আৰ্থিক সমস্যাত ভুগি দেওবাৰে মৰিগাঁৱত থকা তেওঁৰ ডাঙৰ জীয়ৰীৰ ঘৰত আশ্ৰয় লয়। অনুৰূপ মান্নাৰ অসুস্থতা আৰু সাম্প্ৰতিক আৰ্থিক দুৰৱস্থাৰ কথা অসমৰ এখন আগশাৰীৰ বাতৰি কাকতত প্ৰকাশ পোৱাৰ পিছত তেওঁৰ গুণমুগ্ধ আৰু শুভাকাঙক্ষী সকলৰ লগতে তেওঁ নিজে ৰাইজ সহায় সহযোগিতা আৰু আশীৰ্বাদ বিছাৰিছে। তেওঁৰ অনুগামী সকলে তেওঁৰ লগত ৬০০২৯৬৮০০১ নম্বৰত যোগাযোগ কৰিব পাৰিব। অনুৰূপ মান্নাই ডবকাত এখন ফটো ষ্টুডিও দি কাৰ্য্য নিৰ্বাহ চলাই থকাৰ লগতে বলিউডৰ আশি-নবৈ দশকৰ বহু জনপ্ৰিয় চলচ্চিত্ৰ নিৰ্মাতা, প্ৰযোজকৰ লগত কাম কৰিছিল। ডবকাত ফটো ষ্টুডিও দি মান্নাই বহু নিবনুৱা যুৱকক কৰ্ম সংস্থাপন দিয়াৰ লগতে আত্ম নিৰ্ভৰশীল কৰি তুলিছিল। বিগত দহ-পোন্ধৰ বছৰৰ মানৰ পৰা তেওঁ গুৱাহাটীত থাকিব লয়। বৰ্তমানে আৰ্থিক বাবে দুৰ্বল অনুৰূপ মান্নাৰ আপোনাৰ সহায়ৰ প্ৰয়োজন হৈছে।

## কচুৱাৰ এগৰাকী কৃষকৰ জীৱনগাঁঠা

# শাৰীৰিক প্ৰতিবন্ধকতাৰ পিছতো কৃষি কৰ্মৰে উজলিছে আশুতোষ সৰকাৰ



**অসম বাৰ্তা, কচুৱা, ১৬ জুলাই ঃ** শাৰীৰিক প্ৰতিবন্ধকতা জীৱনযুদ্ধত হেঙাৰ হ'ব নোৱাৰে এই কথাকে প্ৰমাণ কৰিলে এজন সাহসী কৃষকে। শাৰীৰিক প্ৰতিবন্ধকতা থকাৰ পিছতো কৃষিকৰ্মৰে আগবাঢ়িছে নগাঁও জিলাৰ কচুৱাৰ ৰাঙলুবস্তিৰ আশুতোষ সৰকাৰ নামৰ এগৰাকী লোক। আশুতোষে ৫৫ বছৰ বয়সতো শাৰীৰিক নানান অসুবিধা থকা সত্বেও নিজৰ কৃষি কৰ্মৰে স্বাৱলম্বি হোৱাৰ লগতে দহজনক দেখুৱাই গৈছে আদৰ্শ। জীৱনৰ গুৰুত্বপূৰ্ণ সময়ছোৱাত প্ৰায় ২০ বছৰ কাল দক্ষিণ নগাঁৱৰ বিভিন্ন অঞ্চলত চাইকেৰে ঘূৰি ঘূৰি কণীৰ ব্যৱসায় কৰি হাঁহৰ কণী নামেৰে জনপ্ৰিয় হোৱা আযোতুষ চৰকাৰ এতিয়া নিৰুপায়। দহ বছৰ আগত চাইকেলৰ পৰা পৰি ককাঁলত আঘাত পোৱাৰ পিছত স্নায়ু জনীত বেমাৰে খোপনি লৈছিল। যাৰ বাবে হাত আৰু ভৰিৰ স্নায়ুৰ জটিল সমস্যাৰ সন্মুখীন হৈছে কৃষক জন। তথাপিও হাৰ নামানি চলাই গৈছে কৃষি কৰ্মৰে জীৱন যুদ্ধ। বৰ্তমান লোকজনে আলু, কচু, বেঙেনা আদিৰ লগতে বিভিন্ন ধৰণৰ শাক পাচলিৰ খেতি কৰি স্বাৱলম্বী হোৱাৰ নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হয়। ইয়াৰ মাজতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক লোকজনক উন্নত চিকিৎসাৰ ব্যৱস্থা আগবঢ়াবলৈ আহ্বান জনায়।

# গৌৰীপুৰ আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান

**অসম বাৰ্তা, গৌৰীপুৰ, ১৬ জুলাইঃ** ধুবুৰীৰ গৌৰীপুৰত ড্ৰাগছ বিৰোধী অভিযান। অভিযানত আটক এগৰাকী মহিলা সহ আন দুজন যুৱক আটক। আজি পুৱতি নিশাই গৌৰীপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া চিৰঞ্জীৱ লাহণৰ নেতৃত্বত এক গোপন অভিযানৰ ভিত্তিত গৌৰীপুৰ দামপুৰৰ ২য় খণ্ড গাঁৱৰ পৰা জেলেকা খাতুন নামৰ এগৰাকীৰ মহিলাৰ বাসগৃহত অভিযান চলায়। আৰু এই অভিযানৰ ভিত্তিত ৪৫.৮২ গ্ৰাম ব্ৰাউন সুগাৰ তিনিটাকৈ মোবাইল ফোন আৰু ১৩ হেজাৰ ৪০০ টকা নগত ধন জব্দ কৰিবলৈ সক্ষম হয় গৌৰীপুৰ আৰক্ষীয়ে। এতিয়া আৰক্ষীয়ে জেলেকা খাতুনৰ লগতে ৰেজ্জাক আলী আৰু সাহাদত আলী নামৰ আন দুজন যুৱকো আটক কৰে। অভিযোগ মতে জেলেকা খাতুনে দীৰ্ঘ দিনধৰি অবৈধ ড্ৰাগছৰ বিক্ৰী কৰি থকাৰ অভিযোগ উঠিছে বুলি জানিবলৈ পোৱা গৈছে। আৰু বৰ্তমানে গৌৰীপুৰ আৰক্ষীয়ে মহিলা সহ যুৱক দুজনক আটক কৰি থানালৈ আনি অধিক তথ্যৰ বাবে তদন্ত অব্যাহত ৰাখিছে।

## খৰাঙে দহিছে খেতিপথাৰ

# নিস্কৰ্মা হৈ আছে চমতা বোৰতী জলসিঞ্চন আঁচনি



**অসম বাৰ্তা, বাহাৰঘাট, ১৬ জুলাই ঃ** কিমান সফল হৈছে জলসিঞ্চন বিভাগ। বৰ্তমানৰ খৰাং বতৰতো কিমান খেতিপথাৰত পানী যোগান ধৰি কৃষকৰ উপকাৰ কৰিছে বিভাগটোৱে। তাৰে জ্বলন্ত উদাহৰণ হিচাবে আছে নলবাৰী জিলাৰ বৰভাগ ৰাজহচক্ৰৰ অন্তৰ্গত চতমা গাৱঁত অৱস্থিত চমতা বোৱতী জলসিঞ্চন আচঁনি। বিগত ২০১৪/১৫ চনতে প্ৰায় দহ কোটিৰো অধীক ধন ব্যয় কৰি নিৰ্মাণ কৰিছিল উক্ত অভিলাষী আচনি খন। জিলাখনৰ শিঙিমাৰী অঞ্চলৰ পৰা বৰভাগৰ মাজৰে দুঁসুতিৰ মুখলৈ বৈ যোৱা সঠাই জানৰ ওপৰত নিৰ্মিত উক্ত আচনিয়ে আজিলৈকে কৃষকৰ কোনো উপকাৰ কৰিব পৰাই নাই বুলি অভিযোগ তুলিছে। বৰ্তমান আচঁনি খনৰ পৰা সম্প্ৰসাৰণ কৰা পানী পৰিবাহী নলা সমূহ জংঘলে আৱৰি একপ্ৰকাৰ বন্ধ হৈ পৰিছে। ইতিমধ্যে অঞ্চলটোৰ কৃষকে পানীৰ অভাৱত খেতি কৰিব পৰা নাই। খেতিপথাৰ শুকাই মৰুভূমি সাদৃশ হৈছে। উল্লেখ্য যে জলসিঞ্চন বিভাগৰ গুৱাহাটী সংমণ্ডলৰ অধীনত নিৰ্মিত উক্ত আচঁনিয়ে অঞ্চলটোৰ চতমাকে ধৰি সোণকাণি, কুলহাটী, বাংনাবাৰী আদি অঞ্চলৰ কৃষকৰ যথেষ্ট উপকাৰ হ'ব বুলি বিভাগটোৱে জানিব দিছিল যদিও কোনো এখন গাৱঁৰে আজি পৰ্য্যন্ত উপকাৰ নহল। আনকি আচঁনিটোৰ নামটোকে শুদ্ধ কৰিব নোৱাৰা বুলি অভিযোগ কৰিছে। উল্লেখ্য যে নলবাৰী জিলাৰ চতমা গাঁৱত অৱস্থিত আচনিটোৰ নামটো বিভাগটোৱে চমতা কৰাটো ৰহস্য জনক বুলি আক্ষেপ কৰিছে স্থানীয় ৰাইজে।

# বৰ চৰাইখোলা এলাকাত গো সৰবৰাহকাৰী আৰু গো মাংস ব্যৱসায়ীৰ বিৰুদ্ধে ওলাই আহিল ৰাইজ

**অসম বাৰ্তা, আগমনি, ১৬ জুলাই ঃ** ধুবুৰী জিলাৰ গোলকগঞ্জৰ ১০০ শতাংশ মুছলমান অধ্যুষিত বৰ চৰাইখোলা এলাকাত গো সৰবৰাহকাৰী আৰু গো মাংস ব্যৱসায়ীৰ বিৰুদ্ধে ওলাই আহিল মুছলমান ৰাইজ। গোলকগঞ্জ থানাত এজাহাৰ দাখিল চোৰাং গৰু আৰু গো মাংস ব্যৱসায়ীৰ বিৰুদ্ধে। উল্লেখ্য যে গোলকগঞ্জ আৰক্ষীয়ে এক গোপন সূত্ৰৰ আধাৰত মইসা চৰত অভিযান চলাই ৮ টাকৈ গো ধন জব্দ কৰাৰ লগতে মফিজুল প্ৰমাণিক ওৰফে ধুক্কা নামৰ এজন কুখ্যাত গো সৰবৰাহকাৰীক আটক কৰিছিল। আটকাধীন গো সৰবৰাহকাৰী মফিজুল প্ৰামাণিকে মইসা চৰত গো হত্যা কৰি বিভিন্ন অঞ্চলত গো মাংস সৰবৰাহ কৰাৰ অভিযোগ উত্থাপন কৰিছে ৰাইজে। ৰাইজে গো হত্যাকাৰী আইন বিৰোধী লোকক গ্ৰেপ্তাৰ কৰিবলৈ আৰক্ষী প্ৰশাসনক অনুৰোধ জনাইছে। তদুপৰি বৰ চৰাইখোলা গাঁৱত সদৃশ আবেদ আলী খা, মোবাৰ আলী সেখ, কাজেম আলী প্ৰামাণিক, জহিৰুল খা, ফৰিদুল খা নামৰ ব্যক্তি কেইজনে দীৰ্ঘদিনৰ পৰাই আৰক্ষী প্ৰশাসনক বৃদাগুষ্ঠা দেখুৱাই গোলকগঞ্জ আৰক্ষীক দুৰ্বলতা স্বৰূপ উদঙাই দিছে। আৰু গো সৰবৰাহৰ লগতে গো ধন হত্যা কৰি বিক্ৰী কৰাৰ অভিযোগ উত্থাপিত হৈছে। এই আইন বিৰোধী লোক কেইজনক আটক কৰি দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈ আৰক্ষী প্ৰশাসনক অনুৰোধ জনাইছে গএগ ৰাইজে। আৰক্ষীয়ে অভিযান চলাই গো মাংস আৰু গো সৰবৰাহকাৰী মফিজুল প্ৰামাণিকক আটক কৰাৰ পিছত প্ৰামাণিকৰ পৰিয়ালৰ লোকে ভাবুকি প্ৰদান কৰে গাঁৱৰক্ষী বাহিনীৰ সম্পাদকক। সমান্তৰাল কৈ চুবুৰীয়া ৰাজ্য পশ্চিমবংগৰ পৰা অসমলৈ সৰবৰাহ হৈ আছে নিষিদ্ধ গো মাংস আৰু গো ধন। এনে ধৰণৰ গোলকগঞ্জ আৰক্ষীয়ে অভিযানৰ জৰিয়তে বে-আইনী ভাৱে পশু ধন বধ আৰু নিষিদ্ধ গো-মাংস সৰবৰাহৰ বিৰুদ্ধে চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। আনহাতে ধুবুৰী জিলা খনৰ তামাৰহাট, পাগলাহাট, আগমনি আৰক্ষী থানা অধীনৰ ৰতিয়াদহ ঝসকাল, আশে-পাশে আৰু বিৰাট নগৰ চাৰিআলি, মটৰঝাৰ গাঁৱৰ লগতে বালাজানৰ কোনো কোনো স্থানত নিষিদ্ধ গো-ধন হত্যা কৰি বিক্ৰী অথবা সৰবৰাহ অব্যাহত আছে।

## এনাজৰী ফাউণ্ডেছনৰ প্ৰতিষ্ঠা দিৱস

# বিনামূলীয়া চকু পৰীক্ষা শিৱিৰৰ আয়োজন

**অসম বাৰ্তা, অভয়াপুৰী, ১৬ জুলাইঃ** সমাজসেৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি অহা "এনাজৰী ফাউণ্ডেছন"এ অহা ২৫ জুলাইত গৌৰৱময় এটা বছৰ পূৰ্ণ কৰিব। এই উপলক্ষে ফাউণ্ডেছনৰ পক্ষৰ পৰা ২৭ জুলাই, ৰবিবাৰে এক অন্তৰঙ্গ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানটো অনুষ্ঠিত হ'ব অভয়াপুৰীৰ নয়াপাৰাস্থিত বয়োজেষ্ঠ্যৰ আশ্ৰম প্ৰাংগণত। উল্লেখযোগ্য যে, এই অনুষ্ঠান মাত্ৰ এক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন নহয়, বৰং সমাজৰ প্ৰতি দায়িত্ববোধৰ এক উজ্জ্বল প্ৰতিচ্ছবি। দিনটোক অধিক অৰ্থপূৰ্ণ কৰি তোলাৰ উদ্দেশ্যে ফাউণ্ডেছনে ই আৰ চি আই কেৱাৰ চকু চিকিৎসালয়ৰ সহযোগত আশ্ৰমৰ ককা-আইতা সকলৰ বাবে বিনামূলীয়া চকু পৰীক্ষা শিৱিৰো আয়োজন কৰিছে। শিৱিৰখনত অভিজ্ঞ চিকিৎসকে চকুৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে প্ৰয়োজনীয় পৰামৰ্শ প্ৰদান কৰিব। কাৰ্যসূচী ৰাতিপুৱা ১০ বজাৰ পৰা আৰম্ভ হ'ব আৰু তাৰপাছত ককা-আইতা সকলৰ সৈতে দুপৰীয়া এসাঁজ ভোজৰো ব্যৱস্থা থাকিব। "এনাজৰী ফাউণ্ডেছন"ৰ প্ৰতিনিধিসকলে জানিবলৈ দিছে যে, এই অনুষ্ঠানত বিভিন্ন সমাজসেৱী, শুভাকাঙক্ষী, স্থানীয় গণ্যমান্য ব্যক্তিত্ব আৰু শুভানুধ্যায়ীসকলৰ উপস্থিত থাকিব।

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১৬ জুলাইঃ** অসমৰ অন্যতম প্ৰকৃতি প্ৰেমী বেচৰকাৰী কৃষক অনুষ্ঠান জীৱন জেউতি কৃষক সঙঘ অসমে জলবায়ু আমূল পৰিৱৰ্তনে জীৱ জগতৰ প্ৰতি ভাবুকি অহা ভয়াবহ সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি অসমৰ লগতে মৰিগাঁও জিলাৰ বিভিন্ন অঞ্চলত বিশেষ সজাগতা অভিযান চলাই আছে। এই বিশেষ সজাগতা অভিযানৰ নামকৰণ কৰা হৈছে, মৰিগাঁও গছ গাওঁ আমাৰ গাওঁ স্বচ্ছ গাওঁ। মৰিগাঁও জিলাখনত যিমান খালী ঠাই থাকে সকলো তে বৃক্ষ ৰোপণ কৰি আহিছে। লগতে প্ৰতিখন গাঁও স্বচ্ছ গাঁও হিচাপে গঢ়ি তুলিবলৈ চেষ্টা চলাই আছে। প্ৰতিটো পৰিয়ালৰ কেঁচা জাৱৰ বিলাক য'তে ত'তে নে পেলায় একে ঠাই বা যিকোনো টেঙকত পেলাই থয় চাফ চিকুনৰ লগতে পচন সাৰ বা কেঁচু সাৰ তৈয়াৰ কৰিব পাৰি। লগতে পলিথিন কাচ ৰবৰ ইত্যাদি বিলাক এনেধৰণৰ কৈ জমা কৰিব লাগে যাতে বিপদ বিঘিনিৰ পৰা নিৰাময় পাবলৈ সম্ভৱ হয়, সেই বিলাক আজি কালি ফেৰিয়ালা ক বিক্ৰী কৰিব পাৰি। পলুলিত জাৱৰ পেলুৱা অভ্যাস সম্পূৰ্ণ পৰিহাৰ কৰিবলৈ অনুৰোধ কৰে। জিলাখনৰ পাহাৰ, ৰিজাৰ্ভ, জান জুৰি, বিল পুখুৰী, জলাশয়, বাটৰ কাষত প্ৰাকৃতিক ভাবে বহু গছৰ পুলি

# মৰিগাঁও গছ গাঁও আমাৰ গাঁও স্বচ্ছ গাঁও, বাক্যৰে বিশেষ অভিযান

গজি উঠে। সেই পুলিবোৰ নকাটিলে জিলাখনত গছে-গছ হৈ পৰিব। বনানীকৰণ আঁচনি গ্ৰহণ নকৰিলে ও হ'ব। গছ ৰোপণ তকৈ গছ কাটা বন্ধ কৰা বিষয়ত অধিক গুৰুত্ব দিছে প্ৰকৃতি প্ৰেমী বেচৰকাৰী কৃষক অনুষ্ঠান জীৱন জেউতি কৃষক সঙঘৰ কৰ্মকৰ্তা সকলে। নিজৰ পকেটৰ ধন খৰচ কৰি ৰাইজৰ মাজত বিশেষ সজাগতা অভিযান আৰম্ভ কৰি ৰাইজৰ সমাদৰ বুলিবলৈ সক্ষম হৈছে বেচৰকাৰী কৃষক অনুষ্ঠান জীৱন জেউতি কৃষক সঙঘ ই। আজি মঙ্গল বাৰে চাৰণ বিল কমপ্লে'ত অনুষ্ঠিত কৰা হয়, মৰিগাঁও গছ গাওঁ আমাৰ গাওঁ স্বচ্ছ গাওঁ, মিছনৰ, বিশেষ সজাগতা অভিযান। আজি অভিযানত মৰিগাঁও মহাবিদ্যালয়ৰ এদল ছাত্ৰ-ছাত্ৰীৰে অংশগ্ৰহণ কৰে। গছপুলি ৰোপণ কেনেকৈ কৰিব লাগে তাৰ প্ৰদৰ্শন কৰা হয়। বাট পথ চাফ চিকুনৰ লগতে পচন সাৰ বা কেঁচু সাৰ কেনেকৈ তৈয়াৰ কৰিব পাৰি তাৰ প্ৰদৰ্শন কৰে। গছপুলি ৰোপণৰ লগতে সঙৰক্ষণ কেনেকৈ কৰিব লাগে তাৰ প্ৰদৰ্শন কৰা হয়। পূৰ্বতে ৰোপণ কৰা মহানীম গছ বাগান আৰু কেঁচু সাৰ ইউনিট পৰিদৰ্শন কৰা হয়। সমান্তৰাল ভাৱে জীৱিকাৰ পথ অধিক লাভাৱান্বিত হাহ আৰু মীন পালন ৰ সম্বন্ধিত ফাৰ্মখন পৰিদৰ্শন কৰে। মীন পালক কৃষক লৰিয়লি ফাৰ্মৰ পৰিচালক মনটু ডেকা, গোলাপ বৰদলৈ, এভাৰ গ্ৰীণ এন জি অ মুখ্য কাৰ্য বাহী বিষয়া অসীম বৰদলৈ য়ে উপস্থিত থাকি ভাষণ আগবঢ়ায়। মৰিগাঁও গছ গাঁও আমাৰ গাঁও স্বচ্ছ গাঁও মিছনত সন্তোষ প্ৰকাশ কৰি শুভেচ্ছা মূলক ভাষণ আগবঢ়ায় মৰিগাঁও মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক পৰাগ জ্যোতি ডেকা, কলেজখনৰ প্ৰতি নিধি ছাত্ৰী, ৰিমি দেৱী, জ্ঞানমবীটা বেইপী, কাকুমনি দেউৰী, পৰিণীতা ডেকাকে ধৰি বহু বিশিষ্ট অতিথি য়ে। তেখেত সকলৰ ভাষণত গছ ৰোপণ আৰু চাফ চিকুনৰ মিছনত সহযোগ আগবঢ়াবলৈ সন্মতি প্ৰদান কৰে। অভিযান অধিক জনপ্ৰিয় কৰি তুলিবলৈ বৃক্ষৰোপণৰ লগতে সময়ে সময়ে ছাত্ৰ ছাত্ৰী সকলৰ মাজত ৰচনা, শ্লোগান, ছবি অকা, বক্তৃতা, মুকলি কুইজ প্ৰতিযোগিতাৰ উপৰিও বাটৰ নাট শোভাযাত্ৰা, চাইকেল ৰেলি ৰূপায়ণ কৰি থকা কাৰ্য সূচী সমূহত জিলাখনৰ সকলোৰে সহায় সহযোগ আগবঢ়াবলৈ আহ্বান জনাই জীৱন জেউতি কৃষক সঙঘৰ মুখ্য সমন্বয়ক তুলসী ডেকাই।



# বান্দৰদেৱা মিলনজ্যোতি গাঁৱৰ পানী যোগান আঁচনি শুভ উন্মোচন বিধায়ক ড° অমিয় কুমাৰ ভূঞাৰ

**অসম বাৰ্তা, বান্দৰদেৱা, ১৬ জুলাই ঃ** লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱতী বিহপুৰীয়া সমষ্টিৰ পথালিপাহাৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত টোল গেটৰ সমীপৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা সংলগ্ন বান্দৰদেৱাৰ অতিকৈ পিছপৰা মিলনজ্যোতি গাঁৱত অসম চৰকাৰৰ উত্তৰ লখিমপুৰ সংমণ্ডলৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অধীনত জল জীৱন মিছনৰ পানী যোগান আঁচনিখনৰ শুভ উন্মোচনী সভাখনি আজি দিনৰ ১-৩০ বজাত অনুষ্ঠিত হয়। ৭৩ নং বিহপুৰীয়া সমষ্টিৰ বিধায়ক ড° অমিয় কুমাৰ ভূঞাই উক্ত জল জীৱন মিছন আঁচনিৰ অধীনৰ পানী যোগানৰ আজি শুভ উদ্বোধন কৰে। সীমান্তৱতী গাঁওখনৰ ১৫৩ ঘৰ মানুহে বিশুদ্ধ খোৱা পানী এতিয়াৰে পৰা সেৱন কৰিব পাৰিব বুলি বিধায়ক গৰাকীয়ে জানিবলৈ দিয়ে। উক্ত উন্মোচনী সভাখনতে আঁচনি খনৰ প্ৰকল্পটোৰ বাবে মাটি দান কৰা ললিত ঠেঙালক জল মিত্ৰ হিচাপে নিযুক্তি পত্ৰ আনুষ্ঠানিকভাৱে বিধায়ক গৰাকীয়ে প্ৰদান কৰে। তদুপৰি অতিকৈ পিছপৰা গাঁও খনৰ একমাত্ৰ ৰাস্তাটো পকীকৰণ কৰি দিয়া আৰু গাঁও খনত থকা দুটা নামঘৰৰ বাবে চৰকাৰৰ তৰফৰ পৰা আৰ্থিক অনুদান আগবঢ়োৱা হ'ব বুলি সংবাদ মাধ্যমক ড° অমিয় কুমাৰ ভূঞাই অৱগত কৰে।

# শ্ৰী সূৰ্যগিৰি আঞ্চলিক পঞ্চায়তৰ সভাপতি, উপ-সভাপতি নিৰ্বাচন

অসম বাৰ্তা, শিমলীতোলা, ১৬ জুলাইঃ কিছু দিন পূৰ্বে অনুষ্ঠিত যোৱা পঞ্চায়ত নিৰ্বাচনৰ পিছত বহু জল্পনা কল্পনাৰ অন্ত পেলাই ৬ নং শ্ৰী সূৰ্যগিৰি আঞ্চলিক পঞ্চায়তৰ সভাপতি, উপ-সভাপতি নিৰ্বাচন প্ৰক্ৰিয়া সম্পন্ন হয়। শ্ৰী সূৰ্যগিৰি খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত বিভাগীয় নিৰ্দেশ অনুসৰি অনুষ্ঠিত এক সভাত চৰকাৰী কৰ্তৃত্বশীল বিষয়াৰ উপস্থিতিত শ্ৰী সূৰ্যগিৰি আঞ্চলিক পঞ্চায়ত কমিটি গঠন কৰে। খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ সভাকক্ষত ৬ গৰাকী সদস্য-সদস্যাই সম্পূৰ্ণ চৰকাৰী বিধিমতে শ্ৰী সূৰ্যগিৰি আঞ্চলিক পঞ্চায়ত অন্তৰ্গত ৫৭ নং নবাগত শিমলীতোলা গাওঁ পঞ্চায়তৰ নিৰ্বাচিত আঞ্চলিক পঞ্চায়তৰ সদস্যা বানেছা খাতুন সভানেত্ৰী আৰু ৫৩ নং বলদমাৰী চৰ গাঁও পঞ্চায়ৰ আঞ্চলিক পঞ্চায়তৰ সদস্যা ফৰিদা ৰহমানক উপ-সভানেত্ৰী হিচাপে বাছনি কৰে। সভানেত্ৰী বানেছা খাতুনে AIUDF দলৰ পৰা জয় লাভ হৈ কংগ্ৰেছ দলত ইতিমধ্যেই যোগদান কৰিছে যাৰ ফলত নৱ গঠিত শ্ৰী সূৰ্যগিৰি আঞ্চলিক পঞ্চায়ত কমিটিখন ভৱিষ্যতে কোন ৰাজনৈতিক দলৰ দখলত যায় সেয়া এতিয়ালৈ স্পষ্ট হোৱা নাই। বিভাগীয় নিয়ম-নীতিৰ আধাৰত কৰ্তৃত্বশীল বিষয়াই বানেছা খাতুনক শ্ৰী সূৰ্যগিৰি আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী আৰু ফৰিদা ৰহমানক উপ-সভানেত্ৰী হিচাপে ঘোষণা কৰাৰ পিছতে সমৰ্থক সকলে নৱ নিৰ্বাচিত সভানেত্ৰী-উপ-সভাপতি আৰু সদস্য-সদস্যা সকলক ফুলাম গামোচাৰে আদৰণি জনোৱাৰ লগতে আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত সৰ্বত্ৰ প্ৰকাৰৰ ৰাইজে শুভেচ্ছা জ্ঞাপন কৰে।



# কৃষ্ণানন্দ একাডেমীত চাইবাৰ সজাগতা সভা



**অসম বাৰ্তা, মাণিকপুৰ, ১৬ জুলাইঃ** আজি আবেলি বঙাইগাঁও জিলাৰ মাণিকপুৰস্থিত কৃষ্ণানন্দ একাডেমীত চাইবাৰ অপৰাধজনিত কাৰ্যকলাপৰ কবলৰ পৰা হাত সাৰি থাকিবলৈ ছাত্ৰ ছাত্ৰী সকলৰ মাজত এখন সজাগতা সভাৰ আয়োজন কৰে। উল্লেখ্য যে সাম্প্ৰতিক সময়ত ইণ্টাৰনেটৰ লগত জড়িত বিভিন্ন সামাজিক মাধ্যম, যেনে - ফেচবুক, হোৱাটচপ, ইনষ্টাগ্ৰাম, এ' (টুইটাৰ), বিভিন্ন অনলাইন গেম, বেংকিং সেৱা আদিত অসাৱধানবশত সাধাৰণ মানুহে বিপদত পৰিবলগীয়া হয়। অসংখ্য জনে ছাইবাৰ অপৰাধৰ কৱলত পৰি সৰ্বস্ব হেৰুৱাইছে। তেনে ক্ষেত্ৰত সেইসমূহৰ পৰা নিজকে চাইবাৰ অপৰাধৰ কবলৰ পৰা সুৰক্ষিত হৈ থকাৰ বিভিন্ন পৰামৰ্শ মূলক আলোচনা আগবঢ়ায় Lovely Professional University, Jalandhar ৰ প্ৰযুক্তিবিদ্যাৰ স্নাতক ছাত্ৰ হেমাংগ কাশ্যপে। কাশ্যপে কয় যে বৰ্তমান সময়ত প্ৰযুক্তিবিদ্যাৰ বিভিন্ন সৃষ্টিয়ে যিদৰে মানুহক সকলো কাম সহজ কৰি দিছে, ঠিক তেনেদৰে প্ৰযুক্তিৰ দ্বাৰা মানুহে বিপদতো পৰা পৰিলক্ষিত হৈছে। আমাৰ অসাৱধানতাৰ বাবে হেকাৰে বহুতো গুৰুত্বপূৰ্ণ তথ্য, আমি ব্যৱহাৰ কৰা ই-মেইলৰ লগতে বিভিন্ন গোপনীয় পাচৱাৰ্ড সমূহ হেক কৰি মানুহক ব্লেক মেইল কৰা পৰিলক্ষিত হয়। গতিকে ইণ্টাৰনেট ব্যৱহাৰকাৰী প্ৰতিজন লোকেই সাৱধানতাৰে সামাজিক মাধ্যম সমূহ ব্যৱহাৰ কৰাটো প্ৰয়োজন বুলি কয়। সজাগতা সভাত একাডেমীৰ অধ্যক্ষ আনছাৰ আহমেদে আগ ধৰা অনুষ্ঠানত শিক্ষক-শিক্ষয়িত্ৰী সকলৰ লগতে দুই শতাধিক ছাত্ৰ ছাত্ৰী উপস্থিত থাকে।

## সম্পাদকীয়

# কংগ্ৰেছৰ অসম অভিযান নতুন আশাৰ আলোকৰেখা নে অতীতৰ পুনৰাবৃত্তি ?

অসমৰ ৰাজনৈতিক আকাশত কংগ্ৰেছে পুনৰুজ্জীৱনৰ এক সোণালী সুযোগ লাভ কৰিছে। মল্লিকাৰ্জুন খাৰ্গে আৰু ৰাহুল গান্ধীৰ অসম ভ্ৰমণে কেৱল এটা দলৰ কৰ্মসূচীৰ কাৰ্য্যকলাপেই নহয়, বৰঞ্চ অসমত কংগ্ৰেছৰ পুনৰুত্থানৰ এক সচেতন প্ৰচেষ্টা। কিন্তু প্ৰশ্ন হৈছে - এই প্ৰচেষ্টাই কংগ্ৰেছক পুনৰায় অসমৰ ৰাজনৈতিক মুখ্য ধাৰালৈ আনিব পাৰিবনে? অসমৰ ৰাজনীতিত কংগ্ৰেছৰ বিৰতিহীন ১৫ বছৰৰ শাসনকালৰ পিছত ২০১৬ চনৰ পৰা দলটোৱে এক নিৰন্তৰ পতনৰ সন্মুখীন হৈছে। এই সময়ছোৱাত দলটোৱে কেৱল ৰাজনৈতিক পৰাজয়েই নহয়, কৰ্মীসকলৰ মাজত হতাশাৰ মাত্ৰাও বৃদ্ধি পাইছে। এনে এক পৰিস্থিতিত ৰাষ্ট্ৰীয় নেতৃত্বৰ ভ্ৰমণে নতুন আশাৰ সঞ্চাৰ কৰিছে। কংগ্ৰেছে অসমত মুখামুখি হোৱা প্ৰধান প্ৰত্যাহ্বানসমূহৰ ভিতৰত অন্যতম হৈছে দলৰ আভ্যন্তৰীণ ক্ৰিয়া-কলাপৰ অভাৱ আৰু স্থানীয় নেতৃত্বৰ দুৰ্বলতা। আনহাতে, ৰাজ্যৰ বহুক্ষেত্ৰত বিৰোধী দলৰ অনুপস্থিতিয়ে কংগ্ৰেছক এক বিকল্প হিচাপে উপস্থাপন কৰাৰ সুযোগো দিছে। ৰাহুল গান্ধী আৰু খাৰ্গেৰ এই ভ্ৰমণে কংগ্ৰেছ দলটোক অসমত পুনৰুজ্জীৱিত কৰাৰ এক সুস্পষ্ট প্ৰচেষ্টা হিচাপে পৰিগণিত হ'ব লাগে। কিন্তু এই প্ৰচেষ্টা সফল হ'বলৈ হ'লে কেৱল নেতৃত্বৰ ভ্ৰমণেই নহয়, দলটোৱে স্থানীয় স্তৰত এক সুসংহত আৰু দীৰ্ঘম্যাদী কাৰ্যক্ৰম হাতত লোৱাটো অতি প্ৰয়োজনীয়। অসমৰ ৰাজনৈতিক ইতিহাসত কংগ্ৰেছৰ অবদান অস্বীকাৰ্য্য। দলটোৱে যদি বৰ্তমানৰ প্ৰত্যাহ্বানসমূহ সঠিকভাৱে চিনাক্ত কৰি তাৰ সমাধানৰ বাবে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰে, তেন্তে ভৱিষ্যতৰ নিৰ্বাচনসমূহত ই এক শক্তিশালী ৰাজনৈতিক শক্তি হিচাপে আত্মপ্ৰকাশ কৰিব পাৰে। ২০২৬ চনৰ নিৰ্বাচনত কংগ্ৰেছৰ ভূমিকা নিৰ্ণয় কৰাত এই ধৰণৰ সাংগঠনিক উদ্যোগে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰিব পাৰি। ৰাজ্যৰ ৰাইজে এতিয়া চাব, এই ভ্ৰমণে কংগ্ৰেছক কিমানদূৰ এটা পুনৰুজ্জীৱিত ৰূপত উপস্থাপন কৰিব পাৰে। ইয়াৰ সফলতা নিৰ্ভৰ কৰিব দলটোৱে এই ভ্ৰমণৰ পিছত কি ধৰণৰ কৌশলগত সিদ্ধান্ত লয় তাৰ ওপৰত। অসমৰ ৰাজনীতিত কংগ্ৰেছৰ পুনৰুত্থান শুভ হ'ব লাগে সকলোৱে বাবে।

# গ্ৰীষ্মকালীন কৰ্মশালাৰ প্ৰয়োজনীয়তা



গ্ৰীষ্মকাল, বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এটি গুৰুত্বপূৰ্ণ সময়। পঢ়া-শুনাৰ নিয়মীয়া চাপৰ পৰা অলপ সময়ৰ বাবে পৰিত্ৰাণ পোৱা এই সময়খিনিতে তেওঁলোকে জীৱনৰ বিভিন্ন দিশত নিজৰ অগ্ৰগতিৰ সুযোগ লাভ কৰে। এই সময়খিনিকে অৰ্থৱান কৰি তোলাৰ এটি উৎকৃষ্ট মাধ্যম হৈছে গ্ৰীষ্মকালীন কৰ্মশালা। এই কৰ্মশালাসমূহে কেৱল বিদ্যাৰ্থীসকলকে নহয়, বৰঞ্চ শিক্ষক, অভিভাৱক তথা যিকোনো সচেতন সমাজৰ দক্ষতা উন্নয়ন আৰু আত্ম-উন্নয়নৰ পথত আগবঢ়াই ৰাখে।

গ্ৰীষ্মকালীন কৰ্মশালাৰ মূল উদ্দেশ্য হৈছে— শিক্ষাৰ সীমা অতিক্ৰম কৰি জীৱনমুখী শিক্ষা প্ৰদান কৰা। ই ছাত্ৰ-ছাত্ৰীসকলক তাত্ত্বিক জ্ঞানৰ বাহিৰে জীৱন কিদৰে গঢ়ি ল'ব লাগে, তাৰ প্ৰায়োগিক অভিজ্ঞতা প্ৰদান কৰে। কাৰিকৰী শিক্ষাৰ পৰা আৰম্ভ কৰি, শিল্প, সাহিত্য, সংগীত, নাটক, কৃষি, বিজ্ঞান, কম্পিউটাৰ, ফটোগ্ৰাফী, ভাষা-অভ্যাস, আত্মবিশ্বাস বৃদ্ধি, নেতৃত্ব বিকাশ, যোগাযোগ কৌশল আদিসকলৰ ওপৰত কেন্দ্ৰীভূত কৰি এই কৰ্মশালাসমূহে ব্যক্তিগত আৰু পেচাগত দুয়ো দিশত অগ্ৰগতিৰ সুযোগ দিয়ে।

বিশেষকৈ আমাৰ অসমীয়া সমাজৰ পৰিপ্ৰেক্ষিতত, গ্ৰীষ্মকালীন কৰ্মশালাৰ অৱদান অধিক গুৰুত্বপূৰ্ণ। আমাৰ ৰাজ্যত বৰ্তমানৰ যুৱ প্ৰজন্মৰ মাজত লক্ষ্যৰ অভাৱ, আত্মবিশ্বাসৰ ঘাট, আৰু সঠিক দিশৰ অভাৱ স্পষ্টভাৱে পৰিলক্ষিত। এই ক্ষেত্ৰত কৰ্মশালাসমূহে তেওঁলোকক দিশ প্ৰদান কৰে। গাইডেন্স আৰু কাউন্সেলিংৰ মাধ্যমত তেওঁলোকে নিজৰ আগ্ৰহ, ক্ষমতা আৰু সম্ভাৱনাক চিনাক্ত কৰিবলৈ সক্ষম হয়।

আনহাতে, গ্ৰীষ্মকালীন কৰ্মশালাই বিদ্যালয় বা মহাবিদ্যালয়ৰ পাঠ্যক্ৰমৰ বাহিৰেও বহুবিধ প্ৰয়োজনীয় বিষয়ে আগ্ৰহ সৃষ্টি কৰে। উদাহৰণস্বৰূপে, পৰিৱেশ সজাগতা, স্বাস্থ্য সচেতনতা, মানসিক স্বাস্থ্য, সামাজিক দায়বদ্ধতা, নেতৃত্ব আৰু আত্মনিৰ্ভৰতাৰ দৰে ক্ষেত্ৰসমূহৰ ওপৰত ভিত্তি কৰি কৰা কৰ্মশালাসমূহে সমাজত এক সদৰ্থক পৰিৱৰ্তনৰ বতৰা লৈ আহে।

কৰ্মশালাসমূহে যুৱসকলৰ মাজত সহকাৰিতা, দলগত চিন্তাধাৰা আৰু সৃজনশীলতা বিকাশৰ ক্ষেত্ৰতো এক বিশেষ ভূমিকা পালন কৰে। নিজৰ দৰে বহুজনৰ সৈতে একেটা কামৰ মাজত সম্পৃক্ত থাকোঁতে তেওঁলোকৰ মাজত সমাজিকতা, সহনশীলতা আৰু নেতৃত্বৰ গুণো বিকাশ পায়। আজিৰ তথ্য প্ৰযুক্তি যুগত এই সকলোবোৰ গুণে তেওঁলোকক সমোপযোগী নৱীন শক্তিৰ ৰূপত গঢ়ি তোলে।

সেয়ে, এটা সজাগ সমাজৰ বাবে গ্ৰীষ্মকালীন কৰ্মশালা কেৱল এজন ব্যক্তিৰ জ্ঞান বঢ়োৱাৰ পৰিসৰ নহয়, ই হৈছে এটি সম্পূৰ্ণ সমাজৰ মানসিক, বৌদ্ধিক আৰু নৈতিক বিকাশৰ সহায়ক। এতেকে, বিদ্যালয়, মহাবিদ্যালয়, সাহিত্য আৰু সংস্কৃতি সংগঠন, আদিয়ে এই সুযোগ সদ্ব্যৱহাৰ কৰি বিভিন্ন স্থানত গ্ৰীষ্মকালীন কৰ্মশালা আয়োজন কৰা উচিত।

সদৌ শেষত, বছৰৰ এই অলপ সময়খিনিৰ যোগেদি যি জ্ঞান, অভিজ্ঞতা আৰু অনুপ্ৰেৰণাৰ বীজ সিঁচৰ হয়, সেয়াই ভৱিষ্যতে এটি শক্তিশালী, আত্মনিৰ্ভৰ আৰু নৈতিকতাৰে সমৃদ্ধ সমাজ গঠনৰ আধাৰ হৈ পৰে। সেয়ে, গ্ৰীষ্মকালীন কৰ্মশালাৰ প্ৰয়োজনীয়তা এই সময়ত অধিক তীব্ৰভাৱে অনুভৱ কৰিব পৰা যায়।

*চিন্ময় অনুৰাগ নাথ*
*ঠিকনা ঃ মাণিকপুৰ, বঙাইগাঁও (অসম)*

**চীনৰ ক্ৰমবৰ্ধমান আধিপত্যবাদী নীতি ভাৰতৰ বাবে এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান। শেহতীয়া জনমত জৰীপত ভাৰতৰ যুৱ সমাজে চীনক সবাতোকৈ ডাঙৰ বৈদেশিক নীতিৰ ভাবুকি হিচাপে চিহ্নিত কৰিছে। ভাৰতে চীনৰ বেল্ট এণ্ড ৰোড ইনিচিয়েটিভ (BRI)ত অংশগ্ৰহণৰ পৰা বিৰত থাকি নিজৰ স্বাধীন অৱস্থান বজাই ৰাখিছে। এই সিদ্ধান্তৰ ফলত ভাৰতে চীনৰ অৰ্থনৈতিক আৰু ভূ-ৰাজনৈতিক প্ৰভাৱৰ পৰা নিজকে সুৰক্ষিত ৰাখিবলৈ সক্ষম হৈছে। ইয়াৰ উপৰিও, ভাৰতে ক'ৱাড (Quad)ৰ দৰে গোটৰ মাধ্যমেৰে আমেৰিকা, জাপান আৰু অষ্ট্ৰেলিয়াৰ সৈতে সহযোগিতা বৃদ্ধি কৰিছে।**

# বিশ্বৰ ভূ-ৰাজনীতিৰ গতিশীলতা আৰু ভাৰতৰ শক্তিশালী অৱস্থান

**চন্দন কুমাৰ নাথ**

ভূ-ৰাজনীতিৰ গতিশীল পৰিস্থিতিয়ে বিশ্বৰ ৰাষ্ট্ৰসমূহৰ মাজত শক্তিৰ ভাৰসাম্য, অৰ্থনৈতিক সম্পৰ্ক, আৰু কূটনৈতিক কৌশলৰ নতুন পৰিচ্ছেদ ৰচনা কৰিছে। এই পৰিবৰ্তিত বিশ্ব পৰিস্থিতিত ভাৰত এখন গুৰুত্বপূৰ্ণ শক্তি হিচাপে উত্থান কৰিছে, যাৰ কূটনৈতিক দক্ষতা, অৰ্থনৈতিক সম্ভাৱনা আৰু সামৰিক সক্ষমতাই বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিছে। বৰ্তমানৰ বিশ্বৰ ভূ-ৰাজনৈতিক পৰিস্থিতি অত্যন্ত জটিল আৰু গতিশীল। আমেৰিকাৰ ড'নাল্ড ট্ৰাম্পৰ নেতৃত্বত আমেৰিকাৰ বৈদেশিক নীতিৰ অপৰিকল্পিত পদক্ষেপ, চীনৰ ক্ৰমবৰ্ধমান আধিপত্যবাদী মনোভাৱ, ৰাছিয়াৰ সামৰিক আৰু কূটনৈতিক পদক্ষেপ, আৰু পশ্চিম এছিয়াৰ অশান্ত পৰিস্থিতিয়ে বিশ্বৰ শক্তিৰ ভাৰসম্যক জটিল কৰি তুলিছে। ইউক্ৰেইন-ৰাছিয়া সংঘাত, ইজৰাইল-ইৰাণৰ উত্তেজনা, আৰু ভাৰত-পাকিস্তানৰ সীমান্তৰ উত্তেজনাৰ দৰে ঘটনাই বিশ্বৰ ৰাজনীতিত অস্থিৰতা সৃষ্টি কৰিছে। এই পৰিপ্ৰেক্ষিতত ভাৰতৰ ভূমিকা অধিকতৰ গুৰুত্বপূৰ্ণ হৈ পৰিছে, কাৰণ ভাৰতে নিজৰ জাতীয় স্বাৰ্থৰ সৈতে সামঞ্জস্য ৰাখি এক সুকীয়া কূটনৈতিক পথৰ সন্ধান কৰিছে। শেহতীয়া বাতৰি অনুসৰি, ভাৰতৰ মুখ্য অৰ্থনৈতিক উপদেষ্টা ভি. আনন্থ নাগেশ্বৰণে উল্লেখ কৰিছে যে, বিশ্বৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক অস্থিৰতাৰ মাজতো ভাৰতৰ অৰ্থনীতি ৬.৫% হাৰত বৃদ্ধি পাইছে। তেওঁৰ মতে, ভাৰতৰ সুস্থিৰ অৰ্থনৈতিক সংস্কাৰ আৰু বিনিয়োগকাৰী-বন্ধুত্বপূৰ্ণ নীতিয়ে এই সাফল্যৰ পিছফালে মুখ্য ভূমিকা পালন কৰিছে। তদুপৰি, ভাৰতৰ কূটনৈতিক আৰু সামৰিক দৃঢ়তাৰ ফলত ই বিশ্ব মঞ্চত এক নিৰ্ভৰযোগ্য শক্তি হিচাপে স্বীকৃতি লাভ কৰিছে। এই দৃষ্টিভংগীয়ে ভাৰতৰ কৌশলগত অৱস্থানক আৰু শক্তিশালী কৰিছে।

ভাৰতৰ বৈদেশিক নীতিৰ মূল ভিত্তি হৈছে 'কৌশলগত স্বায়ত্তশাসন' (Strategic Autonomy) আৰু 'বহুপাক্ষিকতা' (Multi-alignment)। এই নীতিৰ জৰিয়তে ভাৰতে আমেৰিকা, ৰাছিয়া, চীন আৰু ইউৰোপৰ দৰে বিশ্বৰ প্ৰধান শক্তিসমূহৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি নিজৰ জাতীয় স্বাৰ্থ সুৰক্ষিত কৰিবলৈ সক্ষম হৈছে। উদাহৰণস্বৰূপে, ভাৰতে আমেৰিকাৰ সৈতে কৌশলগত অংশীদাৰিত্বৰ জৰিয়তে প্ৰতিৰক্ষা আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধি কৰিছে, কিন্তু একে সময়তে ৰাছিয়াৰ সৈতে ঐতিহাসিক বন্ধুত্ব বজাই ৰাখিছে। এই বহুপাক্ষিক কৌশলৰ ফলত ভাৰতৰ বৈদেশিক নীতিত এক সুকীয়া নমনীয়তা লক্ষ্য কৰা যায়। শেহতীয়া জি-৭ শীৰ্ষ সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বক্তব্যই ভাৰতৰ এই কৌশলগত অৱস্থানৰ গুৰুত্বক পুনৰ প্ৰতিপন্ন কৰিছে। তেওঁৰ ভাষণত গ্ল'বেল ছাউথৰ অগ্ৰাধিকাৰ, জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে সমন্বিত প্ৰচেষ্টা আৰু ন্যায়সঙ্গত শক্তি পৰিৱৰ্তনৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। এই সন্মিলনত জি-৭ৰ কিছুমান সদস্যৰ মাজত অভ্যন্তৰীণ বিভেদৰ পৰিপ্ৰেক্ষিতত ভাৰতৰ সমন্বিত আৰু সহযোগিতামূলক দৃষ্টিভংগীয়ে বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিছিল। ইয়াৰ উপৰিও, ভাৰতে ব্ৰি' (BRICS) আৰু সাংহাই সহযোগিতা সংস্থা (SCO)ৰ দৰে বহুপাক্ষিক মঞ্চত নিজৰ প্ৰভাৱ বজাই ৰাখিছে। যদিও চীনৰ ক্ৰমবৰ্ধমান আধিপত্যৰ বাবে এই মঞ্চসমূহত ভাৰতৰ প্ৰভাৱৰ ওপৰত প্ৰশ্ন উত্থাপিত হৈছে, তথাপি ভাৰতে নিজৰ কৌশলগত স্বায়ত্তশাসনৰ জৰিয়তে এই প্ৰত্যাহ্বানৰ মোকাবিলা কৰিবলৈ সক্ষম হৈছে।

পশ্চিম এছিয়াৰ অশান্ত পৰিস্থিতিয়ে ভাৰতৰ বৈদেশিক নীতিৰ ওপৰত উল্লেখযোগ্য প্ৰভাৱ পেলাইছে। ইজৰাইল-ইৰাণ সংঘাতে ভাৰতৰ কূটনৈতিক ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰত এক জটিল পৰিস্থিতিৰ সৃষ্টি কৰিছে। ভাৰতৰ ইজৰাইলৰ সৈতে প্ৰতিৰক্ষা আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত গভীৰ সহযোগিতা আছে, আনহাতে ইৰাণৰ সৈতে শক্তি আৰু বাণিজ্যৰ সম্পৰ্ক অতি গুৰুত্বপূৰ্ণ। ইৰাণৰ ৰাষ্ট্ৰদূত ইৰাজ ইলাহীয়ে শেহতীয়াকৈ উল্লেখ কৰিছে যে, ভাৰতে পশ্চিম এছিয়াত শান্তি আৰু স্থিতিশীলতাৰ ক্ষেত্ৰত অধিক সক্ৰিয় ভূমিকা পালন কৰিব পাৰে। তেওঁৰ এই মন্তব্যই ভাৰতৰ ক্ৰমবৰ্ধমান ভূ-ৰাজনৈতিক প্ৰভাৱৰ ইংগিত দিয়ে।



ইজৰাইলৰ ইৰাণৰ বিৰুদ্ধে সামৰিক অভিযানে ভাৰতৰ কৌশলগত স্বাৰ্থৰ ওপৰত প্ৰত্যক্ষ প্ৰভাৱ পেলাইছে। উদাহৰণস্বৰূপে, ইৰাণৰ দুৰ্বলতাই ভাৰতৰ শক্তি খণ্ডৰ আমদানিৰ সন্দৰ্ভত প্ৰত্যাহ্বানৰ সৃষ্টি কৰিব পাৰে। ইয়াৰ উপৰিও, এই অঞ্চলত পাকিস্তানৰ কৌশলগত গুৰুত্ব বৃদ্ধি পোৱাৰ সম্ভাৱনাই ভাৰতৰ বাবে অতিৰিক্ত জটিলতাৰ সৃষ্টি কৰিছে। আমেৰিকাৰ চেণ্ট্ৰেল কমাণ্ডৰ মুৰব্বী জেনেৰেল মাইকেল কুৰিলাই পাকিস্তানক 'অসাধাৰণ সন্ত্ৰাসবাদ-বিৰোধী অংশীদাৰ' বুলি অভিহিত কৰাৰ পিছত ভাৰতৰ উদ্বেগ বৃদ্ধি পাইছে।

ভাৰত-পাকিস্তানৰ মাজত শেহতীয়া সীমান্ত উত্তেজনাই ভাৰতৰ ভূ-ৰাজনৈতিক কৌশলৰ ওপৰত অতিৰিক্ত চাপ সৃষ্টি কৰিছে। পাকিস্তানৰ সৈতে চীনৰ কৌশলগত সহযোগিতা, বিশেষকৈ চীন-পাকিস্তান অৰ্থনৈতিক কৰিডৰ (CPEC)ৰ জৰিয়তে, ভাৰতৰ বাবে এক প্ৰত্যাহ্বান হৈ পৰিছে। ইয়াৰ বিপৰীতে, ভাৰতে নিজৰ কূটনৈতিক আৰু সামৰিক শক্তিৰ জৰিয়তে এই প্ৰত্যাহ্বানৰ মোকাবিলা কৰিবলৈ চেষ্টা কৰিছে। উদাহৰণস্বৰূপে, ইজৰাইলে ভাৰতক পাকিস্তানৰ চীন-নিৰ্মিত বায়ু-ৰক্ষাৰ ক্ষেপণাস্ত্ৰৰ বিৰুদ্ধে 'স্কাই ষ্টিং' নামৰ এক সমাধানৰ প্ৰস্তাৱ দিছে, যিয়ে ভাৰতৰ প্ৰতিৰক্ষা সক্ষমতাক শক্তিশালী কৰিব পাৰে। ভাৰতৰ অৰ্থনীতিৰ ক্ৰমবৰ্ধমান শক্তিয়ে তাক বিশ্বৰ বাণিজ্য আৰু বিনিয়োগৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ খেলুৱৈ হিচাপে প্ৰতিষ্ঠা কৰিছে। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে শেহতীয়াকৈ উল্লেখ কৰিছে যে, ভাৰতৰ ২০২৫ চনত ৮৭০ বিলিয়ন মাৰ্কিন ডলাৰৰ ৰপ্তানিৰ লক্ষ্য অৰ্জনৰ সম্ভাৱনা আছে, যিটো ২০২৪-২৫ চনত ৮২৫ বিলিয়ন ডলাৰৰ পৰা এক উল্লেখযোগ্য বৃদ্ধি। এই লক্ষ্য অৰ্জনৰ বাবে ভাৰতে নতুন মুক্ত বাণিজ্য চুক্তি আৰু মুখ্য খণ্ডসমূহত বিনিয়োগৰ ওপৰত গুৰুত্ব দিছে। তথাপি, ভূ-ৰাজনৈতিক উত্তেজনাই ভাৰতৰ বাণিজ্যৰ ওপৰত প্ৰভাৱ পেলাইছে। উদাহৰণস্বৰূপে, তুৰ্কী, ইৰাণ আৰু আফগানিস্তানৰ পৰা ভাৰতৰ আপেল আমদানিৰ ক্ষেত্ৰত ভূ-ৰাজনৈতিক গতিবিধিৰ প্ৰভাৱ পৰিলক্ষিত হৈছে। তুৰ্কীৰ পৰা আমদানিৰ ক্ষেত্ৰত ভাৰতীয় ব্যৱসায়ীসকলে পাকিস্তানৰ প্ৰতি তুৰ্কীৰ সমৰ্থনৰ বাবে নেতিবাচক মনোভাৱ প্ৰকাশ কৰিছে। ইয়াৰ ফলত কাশ্মীৰ আৰু হিমাচলৰ আপেলৰ দাম বৃদ্ধিৰ সম্ভাৱনা সৃষ্টি হৈছে। চীনৰ ক্ৰমবৰ্ধমান আধিপত্যবাদী নীতি ভাৰতৰ বাবে এক গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান। শেহতীয়া জনমত জৰীপত ভাৰতৰ যুৱ সমাজে চীনক সবাতোকৈ ডাঙৰ বৈদেশিক নীতিৰ ভাবুকি হিচাপে চিহ্নিত কৰিছে। ভাৰতে চীনৰ বেল্ট এণ্ড ৰোড ইনিচিয়েটিভ (BRI)ত অংশগ্ৰহণৰ পৰা বিৰত থাকি নিজৰ স্বাধীন অৱস্থান বজাই ৰাখিছে। এই সিদ্ধান্তৰ ফলত ভাৰতে চীনৰ অৰ্থনৈতিক আৰু ভূ-ৰাজনৈতিক প্ৰভাৱৰ পৰা নিজকে সুৰক্ষিত ৰাখিবলৈ সক্ষম হৈছে। ইয়াৰ উপৰিও, ভাৰতে ক'ৱাড (Quad)ৰ দৰে গোটৰ মাধ্যমেৰে আমেৰিকা, জাপান আৰু অষ্ট্ৰেলিয়াৰ সৈতে সহযোগিতা বৃদ্ধি কৰিছে। এই গোটে ইন্দো-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত চীনৰ প্ৰভাৱৰ প্ৰতিহত কৰাৰ লক্ষ্যৰে কাম কৰিছে। ভাৰতৰ এই কৌশলগত পদক্ষেপে তাক বিশ্বৰ অন্যতম শক্তিশালী অৰ্থনীতি আৰু সামৰিক শক্তি হিচাপে প্ৰতিষ্ঠা কৰিছে।

বৰ্তমানৰ ভূ-ৰাজনৈতিক পৰিস্থিতিত ভাৰত এখন শক্তিশালী আৰু নিৰ্ভৰযোগ্য ৰাষ্ট্ৰ হিচাপে উত্থান কৰিছে। ইয়াৰ কৌশলগত স্বায়ত্তশাসন, বহুপাক্ষিক কূটনীতি, আৰু অৰ্থনৈতিক স্থিতিস্থাপকতাই ভাৰতক বিশ্ব মঞ্চত এক অনন্য অৱস্থান প্ৰদান কৰিছে। পশ্চিম এছিয়াৰ সংঘাত, ভাৰত-পাকিস্তান সম্পৰ্কৰ উত্তেজনা, আৰু চীনৰ প্ৰত্যাহ্বানৰ মাজতো ভাৰতে নিজৰ জাতীয় স্বাৰ্থৰ সৈতে সামঞ্জস্য ৰাখি এক সুকীয়া পথৰ সন্ধান কৰিছে। শেহতীয়া ঘটনাৱলীৰ পৰিপ্ৰেক্ষিতত এইটো স্পষ্ট যে, ভাৰতৰ কূটনৈতিক দক্ষতা আৰু অৰ্থনৈতিক শক্তিয়ে তাক ভৱিষ্যতৰ বিশ্বৰ নেতৃত্বৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিবলৈ সক্ষম কৰিব।

*ঠিকনা ঃ সৰভোগ, বৰপেটা*
*ম'বাইল ঃ ৯১৩২৮-৪৯৭২৬*

# এটি অৱলোকন ঃ আধুনিক জীৱনশৈলীত অস্থিৰ ধৰিত্ৰী

**ৰঞ্জন শইকীয়া**

পৰিৱেশ সুস্থ হৈ থাকিলেহে মানৱ সমাজ তথা অন্য জীৱ জন্তু বোৰো সুস্থ হৈ থাকিব। সেউজী গছ, বন, লতা, ফল, ফুল বোৰে এই ধৰাক সজাই তোলে নান্দন্দিন ৰূপত আৰু মানৱ জাতিৰ লগতে অন্য জীৱ জন্তু বোৰেও এই সুন্দৰ পৰিৱেশৰ লগত জীয়াই থকাৰ সমল পায়। ঋতু ভেদে প্ৰকৃতিয়ে বৰণ সলায় শৰৎ, হেমন্ত, শীত, বসন্ত, এই চাৰি ঋতুত প্ৰকৃতিয়ে নিজৰ মতে সজাই পৰাই তোলে, সেই মতে জীৱ বোৰেও খাপ খায় পৰিৱেশৰ লগত। পৃথিৱীৰ ভিন্ন ঠাইৰ সংস্কৃতি সাজ পোছাক, খাদ্য তথা বাসস্থান আদিও ভিন্ন হয় পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰি। কিন্তু পৰিৱেশ প্ৰদূষণ হোৱাত, গোলকীয় উষ্ণতা বঢ়াৰ বাবে প্ৰকৃতিৰ পৰিৱেশৰ ওপৰত বিৰূপ প্ৰভাৱ পৰিছে। জনসংখ্যা বৃদ্ধিৰ বাবে, বসতি স্থাপনৰ সুবিধাৰ্থে বনাঞ্চল ধ্বংস কৰিছে, ফৰলেন যুক্ত পথ বনাবৰ বাবে পথৰ দুয়ো কাষে থকা সুন্দৰ সেউজী গছবোৰ কাটি তহিলং কৰিছে যাৰ বাবে দিনক দিনে গৰমৰ প্ৰকোপ বাঢ়ি গৈ আছে। জলাশয়, হোলা আদি পুতি ঘৰ নিৰ্মাণ কৰিছে। যি বোৰত আগতে পৰিভ্ৰমী চৰাই আদিয়ে বিচৰণ কৰি পৰিৱেশটো জীপাল কৰি তুলিছিল। এই জলাশয় বিল বোৰত থকা থলুৱা মাছবে স্থানীয় লোকৰ চাহিদা পূৰণ কৰিব পাৰিছিল।

আধুনিকতাৰ কৱলত আমাৰ ঘৰবোৰ আৰচিচি অথবা অসম টাইপ আৰ্হিত নিৰ্মাণ হ'ল। আগতে খেৰি ঘৰত থকাৰ আমেজেই আছিল সুকীয়া। খেৰী ঘৰবোৰত পৰিৱেশটোও যথেষ্ট ঠাণ্ডা আছিল আৰু দেহা শাত পেলাইছিল। কিন্তু আধুনিকতাৰ গ্ৰাসত সময়ৰ পৰিবৰ্তনৰ ফলত সেই খেৰী ঘৰবোৰৰ ঠাইত আৰচিচি অথবা অসম টাইপ ঘৰ নিৰ্মাণ হ'ল আৰু পৰিৱেশ পৰিবৰ্তনৰ ফলত খেৰ বোৰো নাইকিয়া হ'ব ধৰিলে। এটা কথা অনুধাৱন কৰিব পাৰি যে বৰ্তমান ঘৰত চালি হিচাপে যি বোৰ টিন পাট লগোৱা হয় সেই বোৰেও কিছু পৰিমাণে হ'লেও পৰিৱেশৰ উষ্ণতা গৰম কৰি ৰাখে কাৰণ সূৰ্যৰ পোহৰ চিন পাউত পৰি যথেষ্ট গৰম হয় আৰু তাৰ পৰা পৰিৱেশৰ উষ্ণতা বৃদ্ধি হয় বুলি নুই কৰিব নোৱাৰি। ঘৰবোৰত ব্যৱহৃত হোৱা ৰদ, চিমেণ্ট, বালি-শিল আদিয়েও বহু সময় সূৰ্য্যৰ তাপত গৰম হৈ থাকে আৰু য়ো পৰিৱেশৰ উষ্ণতা বৃদ্ধিত সহায় কৰে। কিন্তু উপায় নাই আমি আধুনিক পৰিৱেশ তথা সমাজ খনৰ লগত ৰজিতা খাবই লাগিব।

বৰ্তমান কিছুমান চৰাই-চিৰিকটিও আধুনিক পৰিৱেশৰ লগত খাপ খাব নোৱাৰি লাহে লাহে হেৰাই যাব ধৰিছে ঘৰ-চিৰিকা, টোকোৰা চৰাই, শগুণ ইত্যাদি চৰাই বোৰ। ঘৰ-চিৰিকা বোৰে আগতে খেৰী ঘৰত বাঁহ সাজে, বৰ্তমান সেই পৰিৱেশ নোহোৱাৰ বাবে ঘৰ-চিৰিকা চৰাই বোৰ লাহে লাহে বিলুপ্তিৰ দিশে আগবাঢ়িছে। টোকোৰা চৰাইটি পদুলিৰ মূৰত থকা নাৰিকল অথবা তামোল জুপিত ইমান সুন্দৰ ভাৱে বাঁহ সাজে আৰু চৰাইটিৰ খিচিৰ খিচিৰ মাত আৰু সুন্দৰ বাঁহবোৰ এতিয়াও মোৰ মানস পটত ভাহি থাকে। কিন্তু এই চৰাইটিও এতিয়া দেখিবলৈ নোহোৱা হ'ল। শগুণ যিয়ে মৰাশ খাই পৰিৱেশটি সুস্থ কৰি ৰাখিছিল। বৰ্তমান এই চৰাই বিধো এতিয়া নেদেখা হ'লো। হয়তো বিলুপ্তিৰ দিশে গতি কৰা এনে চৰাই চিৰিকটি তথা জীৱ জন্তু আৰু বহু ওলাব। বৰ্তমান হস্তী আৰু মানুহৰ সংঘাত প্ৰায়েই দেখা যায়, মানুহৰ জনৱসতি অঞ্চলত সোমাই ঘৰ দুৱাৰ খাদ্য সামগ্ৰী বিনস্ত কৰাৰ লগতে মানুহৰো মৃত্যু হোৱা দেখা যায়। গতিকে বনাঞ্চল ধ্বংসৰ ফলত খাদ্য সামগ্ৰী নাটনিৰ বাবে মানুহৰ জনবসতি অঞ্চলৰ দিশে খাদ্য সামগ্ৰী বিচাৰি হাতী কূল আহে।

বৰ্তমান মহানগৰী অঞ্চলত দেখা দিয়া প্ৰধান সমস্যা হ'ল কৃত্ৰিম বানপানীৰ সমস্যা। আধুনিক সময়ৰ লগত ফেৰ মাৰিব পৰাকৈ সুউচ্চ আটকধুনীয়া অট্টালিকা বনাইছে। জলাশয় হোলা বোৰ পুতি জনৱসতি অঞ্চল গঢ়ি তুলিছে আৰু কিন্তু পানী বোৰ উলাই যোৱাৰ কোনো গুৰুত্ব দিয়া দেখা নাযায়। বাৰিষাৰ সময়ত সকলো দোষ চৰকাৰকেই জাপি দিয়ে আৰু এই গভীৰ সমস্যাৰ বাবে নিজে কোনো দায়িত্ব স্বীকাৰ নকৰে। এনে ধৰণৰ সমস্যাৰ বাবে আমি জনসাধাৰণেও গুৰুত্ব সহকাৰে লৈ আগবাঢ়ি গ'লে সমস্যা সমূহ নিশ্চয় সামাধান হ'ব। যথা সম্ভৱ বাৰিষাৰ সময়ত যি কেইটা পানী ওলাই যোৱা নৰ্দমা আছে সেই নৰ্দমা সমূহো আৱৰ্জনা তথা প্লাষ্টিক সামগ্ৰীৰে আবদ্ধ কৰি ৰাখে বাবে জমা হোৱা বৰষুণৰ পানী ওলাই যাব নোৱাৰে, দেখা যায় যে সকলোৱে আবৰ্জনা সমূহ সঠিক ভাৱে বিনস্ত নকৰি বা ডাষ্টবিন ব্যৱহাৰ নকৰি য'তে-ত'তে পেলাই দিয়াৰ বাবে পৰিৱেশ দূষিত হোৱাৰ উপৰিও নানা সমস্যাৰ সৃষ্টি হয়। গতিকে এই ক্ষেত্ৰত জনসাধাৰণ সজাগ হোৱাটো অতিশয় প্ৰয়োজন।

বৰ্তমান আধুনিকতাৰ কৰাল গ্ৰাসত প্ৰকৃতিয়েও স্থিৰতা হেৰাই পেলাইছে। প্ৰকৃতি ৰুষ্ট হৈ চিক্কিম, উত্তৰাখণ্ড আদি পাহাৰীয়া অঞ্চলত ডাৱৰ বিস্ফোৰণ হৈ বহু ধনজন হানি হোৱা দেখা গৈছে। অসমৰ কথা কবলৈ গ'লে, বানপানী তথা গৰা খহনীয়া অসমৰ এটা জ্বলন্ত সমস্যা আৰু এই সমস্যাৰ সমাধান কেতিয়া হ'ব তাক সঠিক কৈ কোৱা টান।

মহামাৰী কৰুণা ভাইৰাছৰ সময়ত এটা কথা লক্ষ্য কৰিছোঁ কৰুণা ভাইৰাছৰ পৰা ৰক্ষা পাবলৈ সমগ্ৰ বিশ্বই লক ডাউন দিছিল। সেই সময় ছোৱাত কল কাৰাখানা, অফিচ-কাছাৰী, গাড়ী-মটৰৰ চলাছল আদি সকলো বন্ধ আছিল। সেই লক ডাউনৰ সময় ছোৱাত প্ৰকৃতিও যেন সুস্থ আৰু নিৰ্মল হৈ পৰিছিল। বৰ্তমান প্ৰকৃতিৰ বাতা বৰণটো সুস্থিৰ হ'বৰ বাবে মাজে মাজে লক ডাউন দিয়াৰ অতি প্ৰয়োজন আহি পৰিছে।

বৰ্তমান পৰিৱেশ দিৱস ৫ জুন তাৰিখে ঢাক ঢোল বজাই উদযাপন কৰা দেখা যায় আৰু কেইদাল মান গছ পুলি লগাই দায়িত্ব সামৰে, কিন্তু পৰবৰ্তী সময়ত সেই গছ বোৰৰ আপডাল কৰাত কোনো গুৰুত্ব প্ৰদান কৰা দেখা নাযায়। সেই দিনটিত সামাজিক মাধ্যমতো বহুতে গছ পুলি ৰোপণ কৰাৰ ফটো দি ষ্টেটাছ দিয়া দেখা যায়। অসমৰ মাটি সাৰুৱা ইয়াত গছ বন বোৰ নিজে নিজে গজে মাত্ৰ নাকাটি প্ৰতিপালন কৰিলেই হ'ল। অৰণ্য মানৱ যাদৱ পায়েং দেৱে ধৰণীখন সেউজী কৰি ৰখাৰ বাবে অক্লান্ত সংগ্ৰাম কৰি আহিছে। তেওঁৰ এই কৰ্মৰাজিৰ বাবে গোটেই বিশ্বতে সমাদৰ লাভ কৰিছে, বিশ্বৰ বিভিন্ন প্ৰান্তলৈ আমন্ত্ৰিত হৈছে আৰু বিভিন্ন সন্মান তথা বটাঁৰে বিভূষিত হৈছে।

বৰ্তমান কৃষি কাৰ্য্যত উন্নত পদ্ধতিৰে তথা উৎপাদন বৃদ্ধিৰ বাবে বহুল ভাৱে ৰাসায়নিক সাৰ আৰু পোক পতংগ মাৰিবৰ বাবে কীটনাশক দ্ৰব্য প্ৰয়োগ কৰে, যি বোৰ আমাৰ স্বাস্থ্যৰ বাবে অতি হানিকাৰক। কিন্তু উপায় নাই জনসংখ্যাৰ অনুপাতে খাদ্য শস্যৰ চাহিদা পূৰাবলৈ কৃষি জাত সামগ্ৰীৰ উৎপাদন বৃদ্ধি কৰিবই লাগিব। আকৌ অসাধু ব্যৱসায়ীয়ে অধিক মুনাফা লাভৰ বাবে খাদ্য সামগ্ৰী ভেজাল কৰণ কৰি বজাৰত মেলি দিছে আৰু সেই বোৰ খাদ্যই জনসাধাৰণৰ বিভিন্ন বেমাৰৰ সৃষ্টি কৰিছে। কৃষকে যদি জৈৱিক পদ্ধতিৰে খাদ্য শস্যৰ উৎপাদনত মনোনিৰেশ কৰে তেতিয়া মাটিৰ উৰ্বৰা শক্তি বৃদ্ধি পাব আৰু মানুহৰ স্বাস্থ্যৰ বাবেও উপকাৰী হ'ব।

বৰ্দ্ধিত হাৰত বৃদ্ধি পোৱা যান বাহন সমূহ তথা কল কাৰাখানা আদিৰ পৰা নিৰ্গত ধোঁৱাই বায়ু প্ৰদূষণ সৃষ্টি কৰিছে। জীৱকুল ৰক্ষাৰ ক্ষেত্ৰত এক গুৰুত্ব পূৰ্ণ ভূমিকা গ্ৰহণ কৰা আমাৰ বায়ু মণ্ডলৰ অজন স্তৰো এই মানৱ সৃষ্ট বিভিন্ন প্ৰদূষণ জনিত কাৰকৰ প্ৰভাৱত লাহে লাহে অৱক্ষয় হ'বলৈ ধৰিছে। ই এটা চিন্তনীয় বিষয় আৰু জীৱকুলৰ বাবে বিপদৰ সংকেত। কেন্দ্ৰীয় চৰকাৰৰ "Car Scrappage Policy"ৰ মতে ১৫ বছৰ পুৰণি চৰকাৰী আৰু বাণিজ্যিক বাহন আৰু ২০ বছৰ পুৰণি ব্যক্তিগত দুই বা চাৰিচকীয়া বাহন সমূহ খাৰিজ বা বাতিল অৰ্থাৎ Scrap হ'ব বুলি ঘোষণা কৰিছিল। কিন্তু এতিয়াও বহু পুৰণা বাহন পথত যাতায়াত কৰি থকা দেখা যায়। এই পুৰণা বাহন সমূহেও যথেষ্ট বায়ু প্ৰদূষণ সৃষ্টি কৰে। বায়ু প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ড এখন আছে যদিও সেই বোৰ্ডখনে প্ৰদূষণৰ নিয়ন্ত্ৰণৰ নিয়ম মাফিক নিজৰ কাৰ্য্য কৰি গৈছে আৰু তেনে কোনো কঠোৰ মনোভাৱ গ্ৰহণ কৰা দেখা নাযায়। কল কাৰাখানা সমূহেও নিজাববিয়াকৈ বায়ু প্ৰদূষণ নিয়ন্ত্ৰণ কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা উচিত। মানৱ সমাজে ইলেকট্ৰিক বাহন বা বেটাৰি চালিত বাহন, চাইকেল আদি ব্যৱহাৰ কৰিলে বায়ু প্ৰদূষণৰ বহু পৰিমাণে কমি যাব। এই বিষয়টি গুৰুত্ব সহকাৰে লৈ সকলো জনসাধাৰণ সজাগ হোৱাটো অতিশয় প্ৰয়োজন।




পৰিৱেশৰ প্ৰধান সমস্যা সমূহ হৈছেঃ- ক) প্ৰদূষণ, খ) মৰুকৰণ, গ) গোলকীয় উষ্ণতা বৃদ্ধি, ঘ) ভূমিক্ষয়, ঙ) কৃত্ৰিম বান, চ) ভূমিস্খলন আদি। বৰ্তমান বৃদ্ধি পোৱা গোলকীয় উত্তাপৰ ফলত এসময়ত হয়তো উত্তৰ মেৰু আৰু কুমেৰু মহাদেশৰ বৰফ গলি সাগৰীয় কাষৰ দেশ-মহাদেশ সমূহ ডুব যোৱাৰ সম্ভাৱনীয়তা নুই কৰিব নোৱাৰি। সমগ্ৰ বিশ্বৰ লগতে ভাৰতবৰ্ষ তথা অসমতো দিনক দিনে গৰমৰ প্ৰকোপ বাঢ়িব ধৰিছে।

আধুনিকৰণৰ ফলত মানুহৰ ঘৰ বোৰৰ চোতালকে আদি কৰি সকলো পকী কৰণ হ'ল, যাৰবাবে বাৰিষাৰ পানী মাটিয়ে শুহিব নোৱাৰা হ'ল। সেইবাবে খৰালি কালত নগৰ অঞ্চল বোৰত পানীৰ স্তৰ বহু তললৈ নামি যায়, কুৱা গভীৰ নলী নাদ বোৰ শুকাই যোৱাৰ পৰিলক্ষিত হয়।

ধৰিত্ৰীক ৰক্ষা কৰাৰ দায়িত্ব আমাৰ হাততেই আছে। এই ক্ষেত্ৰত আমি সজাগ নহ'লে হয়তো আমিও এদিন এই ধৰিত্ৰীৰ পৰা নিশ্চিহ্ন হ'বলৈ বেছি দিন নালাগিব। গতিকে সময় থাকোঁতেই আমি সকলো সজাগ হোৱাটো উচিত।

*লেখকৰ ঠিকনা ঃ তেজপুৰ*

# হাজোত আছুৰ উদ্যোগত অসমীয়া ভাষা বিষয়ক কৰ্মশালা

**অসম বাৰ্তা, হাজো, ১৫ জুলাই ঃ** হাজো আঞ্চলিক ছাত্র সন্থাৰ অন্যতম শাখা আন্তঃ হাজো শাখা ছাত্র সন্থাৰ উদ্যোগত হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অসমীয়া ভাষা বিষয়ক এখনি কৰ্মশালা আৰু বৃত্তিমূলক নিৰ্দেশনা খণ্ডৰ শুভ আৰম্ভণি কৰা হয়। আন্ত: হাজো শাখা ছাত্র সন্থাৰ সভাপতি ছানি কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত এই কৰ্মশালা খনৰ শুভাৰম্ভৰ অনুষ্ঠানৰ আঁত ধৰে হাজো আঞ্চলিক ছাত্র সন্থাৰ বিত্ত সম্পাদক নিপু কলিতাই, আনহাতে সভাৰ উদ্দেশ্যে ব্যাখ্যা কৰে আঞ্চলিকৰ উপ সভানেত্রী দিপান্বিতা মজুমদাৰে। কৰ্মশালাখন আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে কামৰূপ জিলা ছাত্র সন্থাৰ সভাপতি নৱজ্যোতি দাসে। কৰ্মশালা উদ্বোধন কৰি নৱজ্যোতি দাসে কয় যে সাম্প্ৰতিক সময়ত নৱ প্ৰজন্মৰ মাজত নিজ মাতৃভাষাৰ প্ৰতি এক অনীহা অহা পৰিলক্ষিত হৈছে। অসমীয়া ভাষাৰ এই সংকটৰ সময়ত এনেধৰণৰ কৰ্মশালাই ছাত্র ছাত্রী সকলক যথেষ্ট উপকৃত কৰিব। এই কৰ্মশালাত মুখ্য প্ৰশিক্ষক হিচাপে উপস্থিত থাকে সুৰেন দাস মহাবিদ্যালয়, হাজোৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° ৰঞ্জু ঠাকুৰীয়া, লগতে প্ৰশিক্ষক হিচাপে উপস্থিত থাকে বিশিষ্ট লেখিকা প্ৰিয়ংকা দাস। কৰ্মশালা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে হাজো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া নৱজিত ডেকা, সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে হাজো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰী যুত প্ৰদীপ কলিতা, উপাধ্যক্ষা ইভাৰাণী মালাকৰ আৰু অৱসৰপ্ৰাপ্ত শিক্ষক বিজয় কুমাৰ দাস। সভাৰ সন্মানীয় অতিথি সকলে ছাত্র ছাত্রী সকলৰ মাজত অসমীয়া ভাষাৰ বুৎপত্তি আৰু প্ৰয়োগ সন্দৰ্ভত ভাষণ প্ৰদান কৰে। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি সুৰেন দাস মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° ৰাহুল কুলি দেৱে অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰ সন্দৰ্ভত ব্যাখ্যা কৰে। হাজো আঞ্চলিক ছাত্র সন্থাৰ সভাপতি প্ৰাণজিত দেউৰীয়া, সম্পাদক আতিকুৰ ৰহমানৰ লগতে আন বিষয় ববীয়া সকল উপস্থিত থকা কৰ্মশালা শুভাৰম্ভ অনুষ্ঠানত প্ৰশিক্ষক তথা বিশিষ্ট লেখিকা প্ৰিয়ংকা দাসে অসমীয়া ভাষাৰ মহান সৃষ্টি ৰাজি আৰু মহত্ত্বৰ ওপৰত প্ৰশিক্ষণ প্ৰদান কৰাৰ লগতে ছাত্র ছাত্রী সকলে বৃত্তি মূলক শিক্ষাৰ জৰিয়তে কিদৰে নিজকে স্বাৱলম্বী হব পাৰি সেই বিষয়ে ব্যাখ্যা কৰে। অহা ২০জুলাইলৈ চলিবলগীয়া এই কৰ্মশালাত হাজো অঞ্চলৰ প্ৰায় শতাধিক ছাত্র ছাত্রীয়ে অংশগ্ৰহণ কৰে।




# চাৰু- কাৰু শিল্পী অসীম গগৈলৈ যুৱ উদ্ভাৱনী আৰু উমেশ বৰগোঁহাইলৈ আজীৱন সমাজসেৱক বঁটা প্ৰদান কল্যাণ সংহত বেচৰকাৰী সংস্থাৰ

**অসম বাৰ্তা, জাঁজী, ১৫ জুলাই ঃ** ফাইন আৰ্ট এণ্ড ক্ৰাফটৰ বিশেষজ্ঞ যুৱ চাৰু- কাৰু শিল্পী অসীম গগৈলৈ ২০২৫ চনৰ যুৱ উদ্ভাৱনী বঁটা আৰু ৰাষ্ট্ৰীয় ক্ৰীড়াবিদ উমেশ বৰগোঁহাইলৈ আজীৱন সমাজসেৱক বঁটা আগবঢ়াইছে কল্যাণ সংহত বেচৰকাৰী সংস্থা চমুকৈ WINGS য়ে। যোৱা ১২ জুলাইত কল্যাণ সংহত বেচৰকাৰী সংস্থা (WINGS NGO)ৰ উদ্যোগত চেৰেকাপাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সৌজন্যত আৰু ঐক্যবদ্ধ, প্ৰিয়সখী, কাৰেং গ্ৰাম্য সংগঠনৰ সহযোগত, চেৰেকাপাৰ উচ্চ মাধ্যমিক বিদ্যালয়ত "মানসিক স্বাস্থ্য আৰু মনোযোগিতা বৃদ্ধি" আৰু "সৃষ্টিশীল হস্তকলা" বিষয়ৰ ৭ দিনীয়া কৰ্মশালাৰ সামৰণি অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে ছত্তীশগড়ত লোক মৰাই মহোৎসৱত ৰাজমহল আৰ্হিত মণ্ডপ নিৰ্মাণ, ২০২২ ত যোৰহাটত সিংহ মুখা আৰ্হিত মণ্ডপ নিৰ্মাণ, ২০২৩ ত শিৱসাগৰত কাজিৰঙাৰ বানপানী সমস্যাক বিষয়বস্তু হিচাপে লৈ ভাস্কৰ্য নিৰ্মাণ, যোৰহাট জিলা ছাত্র সন্থাৰ অধিৱেশনত কলাগুৰু বিষ্ণুৰাভাৰ প্ৰতিমূৰ্ত্তি নিৰ্মাণ কৰাৰ উপৰি কেইবাখনো ৰাষ্ট্ৰীয় পৰ্যায়ৰ আৰ্ট প্ৰদৰ্শনী অনুষ্ঠানত যোগদান কৰিছে শিৱসাগৰৰ এই যুৱ শিল্পীজনে। অন্যহাতে উমেশ বৰগোঁহাইয়ে গোৰা জুনিয়ৰ ফুটবল টুৰ্ণামেণ্টত অংশগ্ৰহণ কৰাৰ উপৰি ১৯৮৩ চনৰ পৰা ১৯৯০ চনলৈকে ৰাষ্ট্ৰীয় পৰ্যায়ৰ সুব্ৰত কাপ ফুটবল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। সংস্থাৰ মুখ্য উপদেষ্টা ভুৱন হাজৰীকাই বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে সমাজকৰ্মী আকাশ দুৱৰী, মেজিষ্টিক একাডেমীৰ সঞ্চালক সৌৰভজ্যোতি মহন্ত, চেৰেকাপাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক কীৰ্ত্তি বৰঠাকুৰ, শিক্ষক টুটুমণি গগৈ, বিশিষ্ট সমাজকৰ্মী মঃ আছাদ উল্লা, চেৰেকাপাৰ গাঁও পঞ্চায়তৰ সভানেত্রী সুৰভী গগৈ, পঞ্চায়ত সদস্য গিৰিণ চাংমাই, সমাজকৰ্মী উমেশ বৰগোঁহাই, সাংস্কৃতিক সংগঠক শিখা প্ৰিয়া গগৈ, জাঁজী শাখা সাহিত্য সভাৰ সম্পাদক তথা শিৱসাগৰ জিলা গ্ৰাম্য সাংবাদিক সংঘৰ সভাপতি প্ৰসেনজিৎ গগৈ, মইনা পাৰিজাতৰ প্ৰতিনিধি, মণ্ডল পৰ্য্যায়ৰ সংগঠনৰ সম্পাদিকা, হিচাপ ৰক্ষক আদি কৰি বহুকেইজন গণ্যমান্য ব্যক্তি। শান্তি বৰগোঁহাইয়ে আঁত ধৰা অনুষ্ঠানটোত সৰ্বমুঠ ৮৪ ছাত্র-ছাত্রীক অংশগ্ৰহণ কৰা বাবে একোখন কৈ মানপত্ৰ প্ৰদান কৰা হয়। WINGS NGOৰ সভাপতি অৰ্পণ বুঢ়াগোহাঁই আৰু সম্পাদক মানস গগৈ য়ে কৰ্মশালাৰ প্ৰশিক্ষক ক্ৰমে নৱজ্যোতি বৰুৱা, শীলাদিত্য গগৈ, অসীম কুমাৰ গগৈ, মানস জ্যোতি কাকতি, পাপৰি গগৈ সন্দিকৈ, মানস জ্যোতি গগৈক, বিদ্যালয় কৰ্তপক্ষ আৰু তিনিওটি গ্ৰাম্য সংগঠন ক্ৰমে ঐক্যবদ্ধ, কাৰেং, প্ৰিয় সখীক একোখন কৈ কৃতজ্ঞতা পত্ৰ প্ৰদান কৰে। অনুষ্ঠানত শিলাদিত্য গগৈৰ পৰিচালনাত ছাত্র ছাত্রী সকলৰ মত বিনিময় আৰু প্ৰশিক্ষণত আহৰণ কৰা কৌশল প্ৰদৰ্শন কৰা হয়। উদযাপন সমিতিৰ সভানেত্রী ৰীণা গগৈ আৰু সম্পাদিকা কল্পনা গগৈয়ে ৭ দিনীয়া কৰ্মশালাত লঘু আহাৰ প্ৰদান কৰা প্ৰতিজনক কৃতজ্ঞতা জনাই আৰু শেষত মুখ্য সমন্বয়ক প্ৰমোদ বুঢ়াগোহাঁয়ে শলাগৰ শৰাই আগবঢ়ায়।

## ভগামুখ তামোলী গাঁৱত অভিনয় প্ৰশিক্ষণ আৰম্ভ

**অসম বাৰ্তা, জাঁজী, ১৬ জুলাই ঃ** যোৰহাট জিলাৰ ভগামুখ তামুলী গাঁৱৰ পৰিৱেশ্য কলাৰ অগ্ৰণী প্ৰতিষ্ঠান শংকৰদেৱ কলা একাডেমিৰ উদ্যোগত আৰু ক্ষীৰোদ-ৰাজা পোছাক ভাণ্ডাৰৰ সহযোগত ১৫ দিনীয়াকৈ অনুষ্ঠিত হোৱা "অভিনয় প্ৰশিক্ষণৰ" ১৩ জুলাই তাৰিখে শংকৰদেৱ কলা কলা একাডেমিত শুভাৰম্ভ হয়। মৰিজাঁজী চেঁচা সত্ৰৰ সত্ৰীয়া দীপক গোস্বামীয়ে বন্তি প্ৰজ্বলন কৰাৰ পিছত বিশিষ্ট অভিনেতা, পৰিচালক দুলাল শইকীয়াই অভিনয় প্ৰশিক্ষণৰ শুভ উদ্বোধন কৰে। শুভাৰম্ভনি অনুষ্ঠানত শিক্ষক গজেন ফুকন, ২নং ভগামুখ গাঁও পঞ্চায়তৰ সভাপতি ৰবিজিত হাজৰিকা, সমাজকৰ্মী প্ৰমোদ বৰা, একাডেমিৰ মুখ্য উপদেষ্টা ডিম্বেশ্বৰ বৰা উপস্থিত থাকে। প্ৰশিক্ষক হিচাপে বহু কেইগৰাকী ভাওনা আৰু নাট্য জগতৰ অভিজ্ঞ প্ৰশিক্ষকে প্ৰশিক্ষণ আগবঢ়াব। একাডেমিৰ পৰিচালক পাৰ্থ প্ৰতিম শৰ্মাই জনোৱা মতে ২৭ জুলাই লৈকে অনুষ্ঠিত হ'বলগীয়া প্ৰশিক্ষণত ৪৫ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে।

## দেৰগাঁও চহৰৰ নাতি দূৰৈৰ গেলাবিল নদীত চাঞ্চল্যকৰ ঘটনা

**অসম বাৰ্তা, দেৰগাঁও, ১৫ জুলাই ঃ** বুধবাৰে পুৱাভাগতে পোহৰলৈ অহা ঘটনা অনুসৰি দেৰগাঁও চহৰৰ নাতি দুৰৈৰ গেলাবিল নদীৰ পকী দলঙৰ ওপৰত উদ্ধাৰ হৈছে এজন ব্যক্তিৰ চাৰিচকীয়া বাহন, তেখেতৰ চেন্দেল আৰু কাপোৰ। উদ্ধাৰ হোৱা গাড়ী আৰু অনান্য সামগ্ৰী সমূহ দেৰগাঁও লাহতিৰ বিৰেণ কুমাৰ উপাধ্যায়ৰ বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, ব্যক্তিজনে পকী দলঙৰ ওপৰত গাড়ী থৈ গেলাবিল নৈত জপিওৱাৰ সন্দেহ কৰিছে অধিক সংখ্যক ৰাইজে। তেওঁ নৈত জপিওৱাৰ সন্দেহত ইতিম্যধে SDRFৰ এটা দলে অভিযান চলাই আছে যদিও এই পৰ্যন্ত সন্ধান লাভ কৰা নাই ৬০ উদ্ধৰ বিৰেণ উপাধ্যায়ৰ। সম্প্ৰতি এই ঘটনাটোক লৈ সমগ্ৰ দেৰগাঁৱত চাঞ্চল্যৰ সৃষ্টি হৈছে। ৰাইজে ব্যক্তিজনে পানীত জাপ দিছে বুলি সন্দেহহে কৰিছে কিন্তু সেই বিষয়ে কাৰো ওচৰৰ তথ্য প্ৰমাণ একো নাই। ঘটনাৰ সঠিক অনুসন্ধান আৰু নৈৰ বুকুত অভিযান চলোৱাৰ বাহিৰে কাৰো ওচৰত একো ব্যৱস্থা নাই।

# নহিৰাত পুখুৰীত উপঙি থকা মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, মিৰ্জা, ১৬ জুলাই ঃ** দক্ষিণ কামৰূপৰ পলাশবাৰীৰ সমষ্টিৰ অন্তৰ্গত নহিৰাৰ গাঁও পঞ্চায়তৰ গাতে লাগি থকা এটি পুখুৰীত বুধবাৰে পুৱাই এটি মৃতদেহ উপঙি থকা অৱস্থাত স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰে। মৃতদেহ প্ৰত্যক্ষ কৰাৰ পিছতে অঞ্চলটোত হুৱাদুৱা লাগে আৰু মুহূৰ্ততে সেই খবৰ চৌদিশে বিয়পি পৰে। ঘটনাৰ বিবৰণ অনুসৰি উক্ত মৃতদেহটো নহিৰা গাৱঁৰ ১ নং কলিতাপাৰাৰ আনন্দ ৰাম কলিতাৰ বুলি চিনাক্ত কৰা হয়। হতাশ জনিত কাৰণত মঙ্গলবাৰে নিশা আনন্দ ৰাম কলিতাই পুখুৰীত জাপ দিয়াৰ সন্দেহ প্ৰকাশ কৰিছে পৰিয়ালৰ লোকে। যোৱা কেইটামান দিন ধৰি আনন্দ ৰাম কলিতাই হতাশ হৈ থকাৰ কথা তেওঁৰ পুত্ৰই আৰক্ষীৰ সন্মুখত প্ৰকাশ কৰিছে। যোৱা নিশা ঘৰৰ পৰা কোনেও নজনাকৈ এডাল ৰছী লৈ আহিছিল আনন্দ ৰাম কলিতাই। পিছত পুখুৰীৰ পাৰত চেণ্ডেল খুলি থৈ ভৰি আৰু হাতত মেৰিয়াই লৈছিল ৰছী ডাল আৰু অৱশেষত জাপ দিছিল পুখুৰীত। অৱশ্যে কোনেও এই ঘটনাৰ প্ৰত্যক্ষদৰ্শী নোহোৱা হেতু আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। বুধবাৰে ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ উদ্ধাৰ কৰে মৃতদেহ। অৱশ্যে আৰক্ষীৰ তদন্তৰ পিছতে পোহৰলৈ আহিব সমগ্ৰ ঘটনাৰ প্ৰকৃত ৰহস্য। ই আচলতে এক আত্মহত্যা নে অইন কিবা। উক্ত ঘটনাই সমগ্ৰ নহিৰা অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰে।

# কামৰূপ জিলাত স্বাধীনতা দিৱসৰ প্ৰস্তুতি সম্পৰ্কীয় সভা

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৫ জুলাই ঃ** কামৰূপ জিলাৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত সমাগত স্বাধীনতা দিৱস উদযাপনৰ প্ৰস্তুতি বিষয়ক এখন সভা আজি মঙ্গলবাৰে কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ অধ্যক্ষতাত অনুষ্ঠিত হয়। জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ উপৰি আৰক্ষী প্ৰশাসন, সামৰিক আৰু অৰ্ধ-সামৰিক বাহিনীৰ বিষয়াসকলৰ উপস্থিতিত অনুষ্ঠিত এই সভাত স্বাধীনতা দিৱস উদযাপনৰ সকলো দিশ সামৰি আলোচনা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে বিভিন্ন বিভাগৰ জিলা পৰ্যায়ৰ মুৰব্বী বিষয়াসকলে স্বাধীনতা দিৱস উদ্‌যাপন সম্পৰ্কীয় তেওঁলোকৰ নিজৰ নিজৰ দায়িত্ব আৰু কৰ্তব্য সূচাৰুৰূপে পালন কৰিব লাগিব বুলি উল্লেখ কৰে। সভাত স্বাধীনতা দিৱসৰ দিনা প্ৰদৰ্শন হ'বলগীয়া কুচ-কাৱাজ, সাংস্কৃতিক কাৰ্যসূচী আদিৰ বিষয়েও বিতংভাৱে আলোচনা কৰা হয়। আজিৰ সভাত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, কামৰূপ জিলাৰ জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত, অতিৰিক্ত জিলা আয়ুক্তসকল ক্ৰমে মুনমী কলিতা, সুজাতা গগৈ, প্ৰাণজিত কুমাৰ দেৱ, প্ৰিয়াংশু ভৰদ্বাজ, উপ-আৰক্ষী অধীক্ষক পুনম পেগুকে ধৰি জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে। ৰব সেই কথা নুই কৰিব নোৱাৰি।

# বৰপেটাৰ সৰ্থেবাৰী থানাৰ অন্তৰ্গত মাজদিয়া আৰক্ষীৰ জালত নিচাযুক্ত টেবলেটসহ দুজন সৰবৰাহকাৰী আটক

অসম বাৰ্তা, চেঙা, ১৬ জুলাই: অঞ্চলটোত মাদকৰ বিৰুদ্ধে আৰক্ষীয়ে অব্যাহত ৰাখি থকা অভিযানৰ অংশ হিচাপে গম্ভীৰ এক সফলতা লাভ কৰে মঙ্গলবাৰে নিশা মাজদিয়া আৰক্ষীয়ে। গোপন সূত্ৰৰ পম খেদি চলোৱা এই অভিযানত আৰক্ষীয়ে নিচাযুক্ত টেবলেটসহ দুজন সক্ৰিয় সৰবৰাহকাৰীক হাতেলতেই আটক কৰিবলৈ সক্ষম হয়। এই অভিযান বিশেষভাৱে গুৰত্বপূৰ্ণ হিচাপে গণ্য কৰা হৈছে, কাৰণ ধৃত ব্যক্তিদ্বয় বহুদিন ধৰি গোপনে নিচা জাতীয় টেবলেট অঞ্চলটোৰ বিভিন্ন ঠাইত বিতৰণ কৰি আহিছিল বুলি অভিযোগ উঠিছে। এই গোচৰৰ পটভূমিতেই মাজদিয়া আৰক্ষীয়ে সৰ্থেবাৰী আৰক্ষীৰ বিষয়াৰ উপস্থিতিত বিশেষ অভিযান চলাই দৰংগীপাৰা অঞ্চলৰ পৰা ২১৬০টা Spasgen Plus নামৰ নিষিদ্ধ টেবলেটসহ দুজনক গ্ৰেপ্তাৰ কৰে। লগতে আৰক্ষীয়ে এখন মটৰচাইকেল আৰু দুটা মোবাইল ফোনো জব্দ কৰিবলৈ সক্ষম হয়, যাৰ জৰিয়তে এই সৰবৰাহকাৰী সকলে সৰবৰাহ কাৰ্য সম্পাদন কৰি আছিল বুলি ধৰা হৈছে। আটক কৰা ব্যক্তিজনৰ নাম দেৱব্ৰত হৰিজন আৰু দেৱজিত কলিতা বুলি জানিব পৰা গৈছে। দুয়োজনেই মুকালমুৱা থানাৰ অন্তৰ্গত দৰংগীপাৰা গাঁৱৰ বাসিন্দা। আৰক্ষীয়ে জনোৱা অনুসৰি, এই দুয়োজন মাদক সৰবৰাহকাৰী ডাঙৰ মাদক চেইনৰ লগত জড়িত হোৱাৰ সন্দেহ কৰা হৈছে। সিহঁতৰ সৈতে সম্পৰ্কিত অন্যান্য ব্যক্তিৰ নাম উমৈহতীয়াকৈ উলিয়াবলৈ আৰু এই মাদক চেইন সম্পূৰ্ণভাৱে উচ্ছেদ কৰিবলৈ আৰক্ষীয়ে তদন্তৰ গতি তীব্ৰ কৰি তুলিছে। জব্দ কৰা মোবাইল ফোন আৰু অন্যান্য সামগ্ৰীসমূহৰ সহায়ত সন্দেহজনক যোগাযোগ আৰু লেনদেনৰ কড়িও টানিবলৈ আৰক্ষী চেষ্টা কৰি আছে। স্থানীয় ৰাইজৰ মাজতো এই অভিযান এক আশাব্যঞ্জক বাৰ্তা বহন কৰিছে। যুৱপ্ৰজন্মৰ ভিতৰত ব্যাপকভাৱে বিয়পি পৰা মাদকদ্ৰব্যৰ কুপ্ৰভাৱৰ পৰা সমাজক ৰক্ষা কৰিবলৈ এনে অভিযানৰ প্ৰয়োজনীয়তা তীব্ৰভাৱে অনুভূত হৈ আহিছিল। মাজদিয়া আৰু সৰ্থেবাৰী আৰক্ষীৰ এই অভিযানক স্থানীয় ৰাইজে ব্যাপকভাৱে স্বাগত জনাইছে আৰু আগলৈও এনে অভিযান জাৰি ৰাখিবলৈ দাবী জনাইছে। আৰক্ষীৰ মতে, মাদকবিৰোধী যুঁজত ৰাইজৰ সহায়-সহযোগিতাই অত্যন্ত গুৰুত্বপূৰ্ণ। আতংক আৰু উদ্বেগৰ মাজতে এই অভিযানয়ে কিছু পৰিমাণে নিশ্চয়তাৰ অনুভৱ জন্মাইছে, বিশেষকৈ তেনে অঞ্চলসমূহত য'ত মাদক ব্যৱসায়বোৰ গুপ্তভাৱে চলি থকা সন্দেহ আছে। মাদক মুক্ত সমাজ গঢ়াৰ ক্ষেত্ৰত এইধৰণৰ অভিযান আৰু কঠোৰ পদক্ষেপহে হ'ব পাৰে এক প্ৰভাৱশালী পদক্ষেপ।




## চেলেংহাটত ১০ দিনীয়া তাই ভাষা শিক্ষাৰ কৰ্মশালা শুভাৰম্ভ

অসম বাৰ্তা, আমগুৰি, ১৬ জুলাইঃ যোৰহাট জিলাৰ চেলেংহাটৰ পদুমণি চেতিয়া গাঁও প্ৰাথমিক বিদ্যালয়ত ১৫ জুলাইৰ পৰা ১০ দিনীয়া তাই ভাষা শিক্ষাৰ কৰ্মশালা আৰম্ভ হৈছে। পূৰ্বাঞ্চল তাই সাহিত্য সভা, যোৰহাট জিলা সমিতি আৰু পূৱ লাহিং গাঁও পঞ্চায়ত শাখা সমিতিৰ যৌথ উদ্যোগত অনুষ্ঠিত এই কৰ্মশালাৰ উদ্দেশ্য হৈছে তাই ভাষাৰ সংৰক্ষণ আৰু নতুন প্ৰজন্মক ভাষাটোৰ প্ৰতি আকৰ্ষিত কৰা। কৰ্মশালাত দুপৰীয়া ২ বজাৰ পৰা পাঠদান আৰম্ভ হোৱাৰ লগতে ২৪ জুলাইলৈ চলিব বুলি আয়োজকে জনাইছে। তাই ভাষা শিক্ষাৰ অভিজ্ঞ প্ৰশিক্ষক প্ৰকাশ গগৈয়ে এই কৰ্মশালাত সমল ব্যক্তি হিচাবে পাঠদান আগবঢ়াইছে। ইচ্ছুক ভাষা শিক্ষাৰ্থীয়ে ৮৮১২৮৭০৫৫৪ আৰু ৭০০২৫৪৬২৭২ নম্বৰত যোগাযোগ কৰিব পাৰে। কৰ্মশালাৰ উদ্বোধনী সভাত যোৰহাট জিলা সমিতিৰ সভাপতি ইন্দ্ৰেশ্বৰ গগৈয়ে সভাপতিত্ব কৰাৰ লগতে জিলা সমিতিৰ সম্পাদক নবীন গগৈ, পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ সভাপতি অতুল ফুকন, উপ-সভাপতি মহেন্দ্ৰ সন্দিকৈ, কেন্দ্ৰীয় সদস্য অনুৰঞ্জন দুৱৰা, জিলা সমিতিৰ উপ-সভাপতি সত্যজিৎ ফুকন, সহকাৰী সম্পাদক তপন পাত্ৰ, ভাষা-সংস্কৃতি সম্প্ৰসাৰণ বিভাগৰ প্ৰদীপ গগৈ, স্থানীয় গাঁও প্ৰধান ঋতুৰাজ ধেকীয়াল ফুকন, শাখা সমিতিৰ সম্পাদক নিৰুৎপল বড়া আৰু বহু সংখ্যক জনসাধাৰণে উপস্থিত থাকে। আই চিঙ লাও ৰীতিৰে আৰম্ভ হোৱা সভাখনিত তাই ভাষাৰ প্ৰচাৰ তথা সংৰক্ষণৰ বিষয়ত সভাত গুৰুত্বপূৰ্ণ আলোচনা কৰা হয়। ম' খাম ফান তাই ম্যুঙেৰে সভাখনি সমাপ্ত হয়। এই কৰ্মশালাই তাই ভাষা সম্প্ৰদায়ৰ ভাষা-সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ আৰু প্ৰচাৰ-প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আয়োজক সকলে আশা প্ৰকাশ কৰিছে।



**হাঁহচৰাত কণ্ঠশিল্পী আচুৰ্য বৰপাত্ৰৰ বাদ্যযন্ত্ৰী দলৰ বাহন দুৰ্ঘটনাগ্ৰস্থ, আহত ৪**

## শীঘ্ৰে নিৰ্মাণ সম্পূৰ্ণ কৰাৰ দাবী বিভিন্ন দল-সংগঠনৰ

# ছৈখোৱাত ভগ্নপ্ৰায় দলঙে জীয়াতু ভোগাইছে সৰ্বসাধাৰণ ৰাইজক

**অসম বাৰ্তা, ছৈখোৱা, ১৬ জুলাই ঃ** তিনিচুকীয়া জিলাৰ ছৈখোৱাত এখন কাঠৰ দলঙে বাতৰিৰ শিৰোনাম দখল কৰি আহিছে। উক্ত জৰাজীৰ্ণ দলংখনৰ বাবে ছৈখোৱাৰ ধলা বজাৰৰ অৰ্থনৈতিক ৰূপৰেখা সলনি হোৱাৰ উপক্ৰম হৈছে। । ইতিহাসে গৰকা ছৈখোৱাৰ শ্ৰী শ্ৰী কেঁচাঁখাইটী শালহৈ ড° ভূপেন হাজৰিকা সেতুঁত সংলগ্ন পথটি আৰু দলংখনৰ নিৰ্মাণৰ কাম চলি আছে যদিও কামৰ গতি অতি লেহেমীয়া হোৱাত ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে। মৰণক শৰণ দি চুলিৰ আগত জীওটো লৈ ছাত্র ছাত্রীৰ লগতে কেইবাখনো গাঁৱৰ ৰাইজে এতিয়া দলংখন পাৰ হ'বলগীয়া হৈছে। আছুকে ধৰি বিভিন্ন দ'ল সংগঠনৰ প্ৰতিবাদত উক্ত এলাগী হৈ পৰা দলংখন আৰু পথটি নিৰ্মাণৰ কাম আৰম্ভ হৈছে যদিও ধলা বজাৰ আৰু কেঁচাঁখাইটী শালৰ মাজত বান্দৰখাল নলাৰ ওপৰত থকা কাঠৰ দলংখন উৰলি ক্ৰমাৎ ফাকঁৰ সৃষ্টি হোৱাৰ লগতে মাজভাগৰ এটা অংশ তললৈ বহি ক্ৰমান্বয়ে সৰু হৈ যাতায়তৰ অনুপযোগী হৈ পৰিছে। দলংৰ তলত পানীৰে উপচি থকাৰ বাবে বৰ্তমান সময়ত এজন সুস্থ মানুহো পাৰ হ'বলৈ ভাৱিবলৈ বাধ্য হৈছে। দলং খনৰ কিছু নিলগতে ইতিহাসপ্ৰসিদ্ধ শ্ৰী শ্ৰী কেঁচাঁখাইটী থান অৱস্থিত। উক্ত শাললৈও বছৰৰ প্ৰতিটো দিনতে ভক্তৰ সমাগম হোৱা পৰিলক্ষিত হয়। কিন্তু বৰ্তমান সময়ত জৰাজীৰ্ণ দলংখনৰ বাবে ৰাইজে হাৰাশাস্তি খোৱাটো নিশ্চিত হৈ পৰিছে কিয়নো আজিলৈকে কোনেও দলংখন মেৰামতি কৰা পৰিলক্ষিত হোৱা নাই। দলংখনৰ কাষতে এখন পকী দলংৰ নিৰ্মাণ কাৰ্য্য চলি আছে যদিও কামৰ গতি লেহেমীয়া হোৱাত ৰাইজৰ লগতে বিভিন্ন দল-সংগঠনৰ লগতে ছৈখোৱা আঞ্চলিক ছাত্র সন্থাই অসন্তুষ্টি প্ৰকাশ কৰিছে। লগতে নিৰ্মাণকাৰী সংস্থাক কামৰ গতি ক্ষিপ্ৰ কৰি নিৰ্মাণ কৰি তুলিবলৈ দাবী জনাইছে।



# এম এলৰ উদ্যোগত অভিৰোচন শিবিৰৰ আয়োজন

**অসম বাৰ্তা, অভয়াপুৰী, ১৬ জুলাই ঃ** টাটা ট্ৰাষ্টৰ অধীনত চলি থকা চেণ্টাৰ ফৰ মাইক্ৰ ফাইনেঞ্চ এণ্ড লিভলিহুড চমুকৈ চি এম এল ৰ উদ্যোগত চলিত জুলাই মাহত সৃজনগ্ৰাম শিক্ষা খণ্ডৰ বিভিন্ন প্ৰান্তত শিক্ষা মূলক অভিৰোচন শিবিৰ অনুষ্ঠিত হৈছে। এই শিবিৰসমূহৰ মূল উদ্দেশ্য আছিল বিদ্যালয় এৰি দিয়া বা বিদ্যালয়ত ভৰ্তিৰ পৰা বঞ্চিত হৈ পৰা ৬ৰ পৰা ১৪ বছৰ বয়সৰ শিশু সকলক পুনৰ শিক্ষাৰ প্ৰতি আকৃষ্ট কৰা। শিবিৰসমূহ লেংটিছিঙাৰ জানেৰমুখ পূৱ প্ৰাথমিক বিদ্যালয়, ৰঙাপানী গাঁও পঞ্চায়ত, টাপাট্টাৰী নিউ পিৰাধৰা স্কুল, কুশবাৰী গাঁও পঞ্চায়ত আদি স্থানত আয়োজিত হয়। উল্লেখযোগ্য যে, শিবিৰ অনুষ্ঠিত হোৱা কোঠাসমূহ আৰু বাহিৰৰ মুকলি স্থানসমূহ শিশু সকলৰ মনোযোগ আকৰ্ষণ কৰিব পৰাৰ দৰে সুন্দৰভাৱে সজোৱা হৈছিল। শিবিৰত অংশগ্ৰহণ কৰা শিশু সকলৰ বাবে নিৰাপদ যাতায়াতৰ ব্যৱস্থা, পুষ্টিকৰ আৰু সুস্বাদু আহাৰৰ যোগান ধৰা হয়। কোনো শিশু হঠাতে অনুপস্থিত হ'লে, অভিভাৱকৰ সৈতে যোগাযোগ কৰি সিহঁতক শিবিৰলৈ অনা হয়। চি এম এলৰ শৈক্ষিক সহযোগীসকলে অঞ্চল ভিত্তিক ঘৰে ঘৰে, চুবুৰীয়া, দোকান বা অন্যান্য স্থানত গৈ ৬ৰ পৰা ১৪ বছৰ বয়সৰ শিশুৰ খবৰ সংগ্ৰহ কৰে আৰু তেওঁলোকক শিবিৰলৈ আনে। শিবিৰ আৰম্ভ হোৱাৰ পূৰ্বে স্থানীয় ৰাইজ, শিক্ষক সমাজ আৰু গাঁও পঞ্চায়তৰ লগত আলোচনা কৰি সকলো প্ৰস্তুতি সম্পন্ন কৰা হয়। দহদিনীয়া এই শিবিৰত শিশুবোৰৰ বাবে বিভিন্ন আনন্দদায়ক কাৰ্যসূচী, শৈক্ষিক খেল, সৃজনশীলতা বৃদ্ধিৰ পৰিসৰ আৰু উৎসাহজনক পৰিবেশ সৃষ্টি কৰা হয়। শিবিৰৰ শেষত শিশুবোৰক স্থানীয় বিদ্যালয়সমূহত নামভৰ্তি কৰাই দিয়া হয়। স্মৰণীয় যে, শিবিৰ শেষ হোৱাৰ পিছতো চি এম এলৰ শৈক্ষিক সহযোগীসকলে শিশুবোৰ বিদ্যালয়লৈ নিয়মিত গৈছে নে নাই সেয়া পৰ্যবেক্ষণ কৰি থাকে আৰু প্ৰয়োজনত আন অনুকূল পদক্ষেপ গ্ৰহণ কৰে। চি এম এলৰ শিক্ষামূলক অভিযানৰ অংশস্বৰূপ বৰ্তমানলৈকে সৃজনগ্ৰাম খণ্ডত ২০ টাতকৈও অধিক অভিৰোচন শিবিৰ অনুষ্ঠিত হৈছে আৰু আগন্তুক দিনত অধিক সংখ্যক শিবিৰ আয়োজনৰ বাবে জৰিপ চলি আছে বুলি চি এম এলৰ অতুল ৰাউনিয়া, পাপৰি কলিতা আৰু গাজালা উমৰে জনাইছে। এই অভিৰোচন শিবিৰসমূহে শিক্ষাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ সামাজিক ভূমিকা পালন কৰি বিদ্যালয় বহিৰ্ভূত শিশুক বিদ্যালয়মুখী কৰিবলৈ সহায় কৰিছে।



## ত্ৰিনয়ন সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগ মহাপুৰুষীয়া ভাওনা কৰ্মশালা আৰম্ভ

**অসম বাৰ্তা, অভয়াপুৰী, ১৬ জুলাই ঃ** গোলাঘাট জামুগুৰিত ত্ৰিনয়ন সাংস্কৃতিক গোষ্ঠীৰ উদ্যোগত আজিৰ পৰা ১৫ দিনীয়া মহাপুৰুষীয়া ভাওনা কৰ্মশালাৰ শুভাৰম্ভণি কৰা হয়। সেই উপলক্ষে অনুষ্ঠিত হোৱা সভাখনৰ সভাপতিত্ব কৰে ত্ৰিনয়ন সাংস্কৃতিক গোষ্ঠীৰ সভাপতি ৰিতু শইকীয়াই। ত্ৰিনয়ন সাংস্কৃতিক গোষ্ঠীৰ সম্পাদক ৰিতুপন দত্তই আঁতধৰা সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে ত্ৰিনয়ন সাংস্কৃতিক গোষ্ঠীৰ সম্পাদক ছবিন দত্তই। জামুগুৰি প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি মৃদুল বৰাই উদ্বোধন কৰা অনুষ্ঠানৰ বন্তি প্ৰজলন কৰে জামুগুৰি প্ৰেছ ক্লাবৰ উপ সভাপতি নোমল শইকীয়াই। সভাত মুখ্য প্ৰশিক্ষক হিচাপে উপস্থিত থাকে ভূপেন সিং তেৰাং, দিবাঙ্গনা দত্ত আৰু চানি দত্ত। অনুষ্ঠানত জামুগুৰি প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক পাৰ্থপ্ৰতিম শইকীয়া, সাংস্কৃতিক কৰ্মী লীলা সোণোৱাল, যুৱ সমাজকৰ্মী অনন্ত শইকীয়া লগতে কেইবাজনো সাংস্কৃতিক কৰ্মী অংশগ্ৰহণ কৰে। প্ৰায় অৰ্ধশতাধিক প্ৰশিক্ষাৰ্থীয়ে ভাওনা কৰ্মশালত অংশগ্ৰহণ কৰা কৰ্মশালা সামৰণি পৰিব ২৯ জুলাইত।

## দলীয় ৰাজনীতিৰ যুঁজ-বাগৰ,

এনেহেন সামাজিক গোট বা সংস্থা সংগঠনৰ মূল ভেটি, লক্ষ্য আৰু উদ্দেশ্যই হৈছে নাগৰিকৰ মাজত সুখ-শান্তি, সম্প্ৰীতি, সংহতি তথা ভ্ৰাতৃত্ববোধৰ শক্তিশালী বুনিয়াদ গঢ়ি তোলা। জনগণৰ মাজত প্ৰচলিত হোৱা বা ধাৰাবাহিকতাৰে চলি থকা শিক্ষা-সভ্যতা, ধৰ্ম, আধ্যাত্মিকতা সামাজিকতাৰ অনুলেপনৰ জৰিয়ত থকা মানৱতাবোধৰ সৌধ নিৰ্মাণৰ গুৰি ধৰাই হৈছে ৰাজনীতিৰ লক্ষ্য-উদ্দেশ্য। স্বৰূপাৰ্থত চাবলৈ গ'লে ৰাজনীতি বহুজনে ভবাৰ দৰে বৰ এটা বেয়া ব্যাপাৰ নহয়। ৰাজনীতিয়ে জনগণক চেতনা দিয়ে, সজাগতাৰ সমল যোগায়, যুগ প্ৰগতিৰ যাত্ৰা পথৰ সূচনা কৰে আৰু জন সমাজৰ মাজত মানসিক চিন্তাকৰ্ষণত ইন্ধনহে যোগায়। কিন্তু দুখৰ বিষয় যে ৰাজনীতিক আকৌ বহুলোকে বেয়া অৰ্থত বা কু-অভিপ্ৰায়েৰে ব্যৱহাৰ কৰে। মানুহে কথাই কথাই কোৱা শুনা যায় - অমুকে এইক্ষেত্ৰত বেয়া ৰাজনীতি কৰিছে, ৰাজনীতিৰ চক্ৰান্তৰ বাবেই এই কামটো হৈ নুঠিল ইত্যাদি।

স্বভাৱ যে, ৰাজনীতিত সদায় বহুদলীয় প্ৰথা থাকেই। দল-সংগঠনৰ মত-অভিমত, সত্য শুদ্ধ আদিৰ মাধ্যমতে ৰাজনীতিৰ স্থিতি-অৱস্থিতিৰ মূল্যাংকন কৰা হয়। ৰাজ্য বা ৰাষ্ট্ৰ একোখনৰ মঙ্গলময় দিশসমূহৰ কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ আমাক ৰাজনীতি লাগে, সমাজনীতি আৰু ধৰ্মনীতি লাগে। সমাজৰ কু-অভিপ্ৰায়সমূহ সংস্থাৰ জৰিয়তে নিকাকৰণৰ বাবেই মানৱৰ অন্যান্য ধৰ্ম-আধ্যাত্মিকতাৰ দৰেই ৰাজনীতিও সমাজত অতীৱ প্ৰয়োজন।

এতিয়া কথা হৈছে ৰাজনীতি নানান প্ৰকাৰৰ দল-মত আৰু কাৰ্যনীতিৰ বিধান থাকিলেও আমি ভাবোঁ এয়াও মানৱ সেৱা কাৰ্যকৰণৰ একো-একোটাহে মঞ্চ বা মাধ্যমহে। প্ৰতিখন মঞ্চৰে একান্ত লক্ষ্য আৰু উদ্দেশ্য পৰম্পৰাৰ জৰিয়তে মানৱ সমাজৰ অভাৱ-অনাটন, উৎকৰ্ষ সাধন আৰু দুখ-দুৰ্দশা মোচনৰহে ৰাস্তা থাকিব লাগে। সমাজ, ৰাজ্য বা ৰাষ্ট্ৰ একোখনৰ জনগণৰ মাজত উদ্ভৱ হোৱা সমস্যাৱলী নিৰাময়ৰ হেতুকে ৰাজনৈতিক দল-সংগঠনসমূহে মাত মাতিব লাগে, কাম কৰিব লাগে আৰু কৰ্ম-ধৰ্ম আৰু সহায়-সহযোগিতাৰ মাধ্যমেৰেহে জনগণৰ সেৱা কৰিবলৈ আগ্ৰহী আৰু উৎসাহী হ'ব লাগে।

এতিয়া আহিছোঁ প্ৰকৃত ছবিখনলৈ। সাম্প্ৰতিকৰ দলীয় ৰাজনীতিৰ বীভৎস আৰু নিন্দনীয় কাণ্ড-কাৰখানাবোৰ দেখা পাই পাই সচেতন জনগণ অতিষ্ঠপ্ৰায় হ'বলৈ ধৰিছে। শাসনাধিষ্ঠ শাসকীয় দলকেই বোলক কিম্বা অন্যান্য বিৰোধী দলবোৰকেই বোলক প্ৰত্যেকে পৰস্পৰে পৰস্পৰৰ দোষ-ত্ৰুটিবোৰ খুচৰি ফুৰা বা কুৎসা-সমালোচনাদি ৰচনা কৰাতহে সদাব্যস্ত। জনসাধাৰণৰ হিতকল্পে আৰু মঙ্গলজনক কাম-কাজ কৰাৰ বিপৰীতে দলীয় ৰাজনীতিৰ অপকৰ্ম, গোপন কথা-বতৰা খুচৰি বা উকটি দলৰ বা ব্যক্তি আৰু বিশেষৰ ভাৱ-মূৰ্তি বিনষ্ট কৰাত নিতৌ উঠি-পৰি লাগে। আমি ভাবোঁ দলীয় স্বাৰ্থত যিকোনো পৰিৱেশ আৰু পৰিস্থিতিত সমালোচনা বা আলোচনা-বিলোচনাদি হোৱাটো বৰ বেয়া কথা নহয়। কিন্তু এয়া যেনিবা সদায় গঠনমূলক আলাপ বা সমালোচনাহে হোৱাটো ভাল বা সমীচীন। যিসকলে সদায় সততে অইনৰ ভুল বা দোষ-ত্ৰুটিবোৰহে দেখা পায় সিসকলে কেতিয়াও ভাল কাম কৰাৰ পথ সূচনা কৰিব নোৱাৰে। বহু সময়ত আমি দেখিবলৈ পাওঁ যে দল-সংগঠনৰ মাজত খুচা-খুচি, দলা-দলি কথা-বতৰাৰ উত্তৰা-উত্তৰি, হৈ-হাল্লাই কেতিয়াবা অতি চূড়ান্ত পৰ্য্যায় পায়গৈ। আনকি হতা-হতি, মাৰ-পিট, হাই-কাজিয়া পৰ্য্যন্তও হ'বলৈ ধৰে। সদনৰ মজিয়াত, সংসদৰ পবিত্ৰ মঞ্চত আৰু বিধায়িনী দলৰ মাজত বহুক্ষেত্ৰত এনেধৰণৰ অসাংস্কৃতিক কাৰ্যকলাপবোৰ সংঘটিত হোৱা আমি সততে দেখি থাকোঁ। আমি জনাত যুক্তিপূৰ্ণ, সৌজন্যসূচক কথা-বতৰা আৰু আচৰণ বিধিৰ যোগেদিও মানুহে একো একোটা বৰ বৰ সমস্যা সমাধানৰ আঁত উলিয়াব পাৰে, জটিল বিষয়ৰো জঁট ভাঙিব পাৰে। আমাৰ তেনেই থিতাতে উদ্ভৱ হোৱা গ্ৰামাঞ্চল, চহৰাঞ্চল বা নগৰীয়া পৰিৱেশৰো বহুবোৰ উত্তাল সমস্যাৰো নিৰাকৰণৰ ব্যৱস্থা কৰিব পাৰি।

যিকোনো দল-সংগঠনৰ নেতা-প্ৰতিনিধি আদিয়ে নিৰ্বাচনৰ সময়ত ভোট ভিক্ষা কৰি জনসাধাৰণৰ মাজত আশ্বাস প্ৰদান কৰে। কিন্তু আচৰিত হ'বলগীয়া কথা যে নিৰ্বাচনী বৈতৰণী পাৰ হৈ যোৱাৰ পাছত বহু নেতাই লংকা পাই ৰাৱণৰ ভূমিকা লয়। নিৰ্বাচনৰ প্ৰাকক্ষণত ৰাইজৰ মাজত সদৰি কৰি যোৱা প্ৰতিশ্ৰুতিবোৰ নিমিষতে পাহৰি যায়। দুই-একক আকৌ সমষ্টিৰ ৰাইজে ছাঁটোকে দেখি নাপায়। সাধাৰণ জনগণে ইসকলক কিবা সহায় অনুদান পোৱাৰ স্বাৰ্থত ঈশ্বৰ হেন জ্ঞান কৰে। পৰিতাপৰ বিষয় যে দলীয় ৰাজনীতিৰ খোৱা-কামোৰা তথা স্বাৰ্থান্বেষী বাসনাৰ তাড়নাত সমাজ উন্নয়নত জনগণৰ হিত সাধনাত দিনক দিনে অৱক্ষয়তাৰ ছবি একোখনহে প্ৰকট হৈ পৰে। এয়াই প্ৰাত্যাহিকতা।

## অধিবেশনত আঠখন বিধেয়ক

হ'ব। এই অধিবেশনত মুঠ আঠখন বিধেয়ক উত্থাপনৰ কাৰ্যসূচী ৰখা হৈছে। খবৰ অনুসৰি, মণিপুৰত জাৰি থকা ৰাষ্ট্ৰপতিৰ শাসনৰ ম্যাদ বৃদ্ধিৰ প্ৰস্তাৱ এই অধিবেশনত দাখিল হ'ব পাৰে। বৰ্ষাকালীন অধিবেশন ২১ জুলাইৰ পৰা ২১ আগষ্টলৈ মুঠ ২১ দিন ধৰি চলিব। তাৰে ১২ আগষ্টৰ পৰা ১৮ আগষ্টলৈ সংসদৰ কাৰ্যকলাপৰ বাবে বিৰতি ঘোষণা কৰা হৈছে। এইবাৰৰ অধিবেশনৰ এটা গুৰুত্বপূৰ্ণ বিষয় হ'ব বিহাৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে ভোটাৰ তালিকাৰ নিবিড় সংশোধনৰ প্ৰক্ৰিয়া। নিৰ্বাচন আয়োগৰ এই নিৰ্দেশনাৰ কাৰ্যকৰীকৰণৰ বিষয়ে সংসদত তীব্ৰ বিতৰ্কৰ সম্ভাৱনা আছে। কংগ্ৰেছ আৰু আৰজেডিৰ দৰে ৰাজনৈতিক দল ইতিমধ্যে এই বিষয়ত অসন্তুষ্টি প্ৰকাশ কৰিছে। এই বিষয়টো উচ্চতম ন্যায়ালয়তো উত্থাপিত হৈছে। যদিও ন্যায়ালয়ে ভোটাৰ তালিকাৰ সংশোধন প্ৰক্ৰিয়া স্থগিত ৰখা নাই, তথাপি এই ক্ষেত্ৰত কিছু নিৰ্দেশনা আৰু নীতি জাৰি কৰিছে। এই অধিবেশনত দিল্লী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ যশৱন্ত ভাৰ্মাৰ নাম নগদ ধনৰ কেলেংকাৰীত জড়িত থকাৰ অভিযোগত বিতৰ্কৰ সৃষ্টি হ'ব পাৰে। এই বিষয়টোৱে যোৱা কিছুদিন ধৰি ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে। তদুপৰি, অপাৰেচন সিন্দূৰৰ বিষয়টোও এইবাৰৰ অধিবেশনত আলোচনাৰ কেন্দ্ৰবিন্দু হ'ব পাৰে। ইয়াৰোপৰি যোৱা অধিবেশনত উত্থাপিত নতুন আয়কৰ বিধেয়ক এইবাৰ পুনৰীক্ষণৰ পিছত গৃহীত হোৱাৰ সম্ভাৱনা আছে। যুটীয়া সমিতিৰ পৰ্যালোচনাৰ পিছত এই বিধেয়ক গৃহীত হ'লে ২০২৬ চনৰ ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হ'ব। এই অধিবেশনত উত্থাপনৰ বাবে প্ৰস্তুত কৰা আঠখন বিধেয়কৰ ভিতৰত আছে: ৰাষ্ট্ৰীয় ক্ৰীড়া শাসন বিধেয়ক, ৰাষ্ট্ৰীয় এণ্টি ড'পিং সংশোধনী বিধেয়ক, মণিপুৰ সামগ্ৰী আৰু সেৱা (সংশোধনী) বিধেয়ক, পাব্লিক ট্ৰাষ্ট (সংশোধনী) বিধেয়ক, ইণ্ডিয়ান ইনষ্টিটিউট অৱ মেনেজমেণ্ট (সংশোধনী) বিধেয়ক, কৰ (সংশোধনী) বিধেয়ক, আন দুখন বিধেয়ক (বিশদ তথ্য প্ৰকাশৰ প্ৰতীক্ষাত)। এই অধিবেশনত উত্থাপিত বিষয় আৰু বিধেয়কসমূহৰ ফলাফল ৰাজনৈতিক আৰু সামাজিক ক্ষেত্ৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব বুলি আশা কৰা হৈছে।

## তৃণমূল কৰ্মীক মিত্ৰতাৰ ধৰ্ম

অগপৰ নেতা-কৰ্মীসকলে প্ৰাপ্য সা-সুবিধাৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। এই পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মঙলবাৰে যোৰহাটত উপস্থিত হৈ অগপৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাই জিলা অগপৰ কাৰ্যালয়ত এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকত মাজুলী আৰু যোৰহাট জিলাৰ অগপৰ নেতৃত্বৰ লগতে ভাতৃ সংগঠনৰ প্ৰতিনিধিসকলৰ সৈতে আগন্তুক নিৰ্বাচন আৰু তৃণমূল কৰ্মীৰ অভাৱ-অভিযোগৰ বিষয়ে বিস্তৃত আলোচনা হয়। অতুল বৰাই এই প্ৰসংগত কয়, "এই অভিযান আমি যোৰহাটৰ পৰা আৰম্ভ কৰিছো আৰু ইয়াক বিশ্বনাথ জিলালৈও সম্প্ৰসাৰিত কৰা হ'ব। পৰিয়ালৰ ভাই-ভাইৰ মাজত মৰমৰ ক্ষেত্ৰত কোনোবাই বেছি আৰু কোনোবাই কম পোৱাৰ ফলত যেনেকৈ মনোমালিন্যৰ সৃষ্টি হয়, অগপতো ঠিক তেনেকুৱা পৰিস্থিতিৰ সৃষ্টি হৈছে। আমাৰ তৃণমূল কৰ্মীসকলৰ যি ক্ষোভ, সেয়া আমাৰ পাৰিবাৰিক সমস্যাৰ অংশ, কাৰণ আমি এটা পৰিয়ালৰ দৰে।" তেওঁ আৰু কয়, "যদি সকলোৱে মিত্ৰতাৰ ধৰ্ম পালন কৰিলেহেঁতেন, তেন্তে এনে সমস্যাৰ সৃষ্টি নহ'লেহেতেন। বিজেপিৰ বিধায়ক থকা সমষ্টিসমূহত অগপৰ কৰ্মীসকলে কি ধৰণৰ সুবিধা পাইছে আৰু অগপৰ বিধায়ক থকা সমষ্টিত বিজেপিৰ কৰ্মীসকলৰ অৱস্থা কি, এই সকলো বিষয়ৰ তথ্য সংগ্ৰহ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াক অৱগত কৰা হ'ব।" ইয়াৰ সমাধানৰ বাবে অগপৰ সভাপতি অতুল বৰাই দলীয় কৰ্মীসকলৰ সৈতে ধাৰাবাহিকভাৱে আলোচনা অব্যাহত ৰাখিব। তেওঁ কয়, "মই ১১ বছৰ ধৰি অগপৰ সভাপতিৰ দায়িত্ব পালন কৰি আহিছো। আমাৰ কৰ্মীসকলৰ ত্যাগ আৰু নিষ্ঠাক স্বীকাৰ কৰি আমি দলটোক সেৱাৰ মাধ্যম হিচাপে আগুৱাই নিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। আমাৰ যুৱপ্ৰজন্মই অভিজ্ঞতা আহৰণ কৰি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ বাবে নিজকে প্ৰস্তুত কৰিব পাৰিব।" এই বৈঠকত মন্ত্ৰী তথা অগপৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তয়ো অংশগ্ৰহণ কৰে। তৃণমূল কৰ্মীৰ ক্ষোভ নীৰসনৰ লক্ষ্যৰে এই ধৰণৰ আলোচনা আৰু জিলাত জিলাত সম্প্ৰসাৰিত হ'ব বুলি অগপৰ সভাপতিয়ে আশা প্ৰকাশ কৰিছে।

## '২৬ৰ নিৰ্বাচনৰ পিছত জেললৈ

শ্বাহেও তেওঁক এই পৰিস্থিতিৰ পৰা ৰক্ষা কৰিব নোৱাৰিব। ৰাহুল গান্ধীৰ এই মন্তব্যৰ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এ' হেণ্ডেলত তৎক্ষণাত প্ৰত্যুত্তৰ দিয়ে। তেওঁ কয়, "ৰাহুল গান্ধীয়ে অসমত কংগ্ৰেছৰ সভাত দাবী কৰিছে যে মোক জেললৈ পঠোৱা হ'ব। তেওঁ নিশ্চয় পাহৰিছে যে তেওঁ নিজেই কেবাটাও ফৌজদাৰী গোচৰত জামিনত আছে।" শৰ্মাই ব্যংগাত্মকভাৱে লগতে কয়, "ৰাহুল জী, মোৰ শুভেচ্ছা গ্ৰহণ কৰক। অসমৰ আতিথ্য উপভোগ কৰি বাকী সময়খিনি কটাওক।" ইয়াৰ উপৰিও ৰাহুল গান্ধীয়ে সভাত বিজেপি আৰু নিৰ্বাচন আয়োগৰ বিৰুদ্ধেও গুৰুতৰ অভিযোগ উত্থাপন কৰে। তেওঁ দাবী কৰে যে, বিজেপিয়ে নিৰ্বাচন আয়োগৰ সৈতে মিলি ভোটাৰ তালিকাৰ "ৰিগিং"ৰ জৰিয়তে মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনত জয়লাভ কৰিছে। তেওঁৰ মতে, বিহাৰতো একেই কৌশল প্ৰয়োগ কৰা হৈছে আৰু অসমতো একে পদ্ধতিৰে নিৰ্বাচনী প্ৰক্ৰিয়া প্ৰভাৱিত কৰাৰ পৰিকল্পনা চলিছে। তেওঁ কংগ্ৰেছ কৰ্মীসকলক এই বিষয়ে সতৰ্ক হৈ থাকিবলৈ আহ্বান জনায়। ৰাহুলৰ এই মন্তব্যই অসমৰ ৰাজনৈতিক মহলত তীব্ৰ বিতৰ্কৰ সৃষ্টি কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাৰ প্ৰত্যুত্তৰত ৰাহুলৰ বিৰুদ্ধে ব্যক্তিগত আক্ৰমণৰ লগতে তেওঁৰ আইনী জটিলতাৰ প্ৰতি ইংগিত দিয়া হৈছে। এই ৰাজনৈতিক সংঘাতে অসমত বিজেপি আৰু কংগ্ৰেছৰ মাজত চলি থকা উত্তেজনাক আৰু তীব্ৰতৰ কৰিছে। আগন্তুক দিনত এই বিতৰ্কই কেনেদৰে ৰূপ লয়, সেয়া ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশৰ বাবে গুৰুত্বপূৰ্ণ হ'ব।

## ৰাহুল গান্ধীয়ে একমাত্ৰ

আহ্বানীক দিছে। মুখ্যমন্ত্ৰীয়ে ডাঙৰ ডাঙৰ কথা কয়, চিঞৰে কিন্তু তেওঁ কণ্ঠত ভয় সোমাই আছে। ইয়াৰোপৰি অমিত শ্বাহ, নৰেন্দ্ৰ মোদী কোনোৱে তেওঁক বচাব নোৱাৰে বুলি কৈছিল ৰাহুল গান্ধীয়ে। ইয়াৰ পিছতেই ৰাহুল গান্ধীক প্ৰত্যাক্ৰমণ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ। সামাজিক মাধ্যমত প্ৰতিক্ৰিয়া ব্যক্ত কৰি শৰ্মাই কয় যে, "আজি ৰাহুল গান্ধীয়ে কেৱল মোক সমালোচনা কৰিবলৈ অসমলৈ আহিছিল।" সামাজিক মাধ্যমত তেওঁ লিখে যে- "শ্ৰীৰাহুল গান্ধীয়ে একমাত্ৰ মোক সমালোচনা কৰিবলৈকে যে আজি অসমলৈ আহিছিল সেয়া আখৰে আখৰে প্ৰতিপন্ন হ'ল। প্ৰতিখন সভাতে মোৰ নামটো বাৰে বাৰে তেওঁ উল্লেখ কৰাটো হৈছে ইয়াৰে প্ৰমাণ। মই বিনা দ্বিধাই ক'ব বিচাৰোঁ যে মই কৃতজ্ঞ! কাৰণ আজি তেওঁ মোৰ ৰাজনৈতিক মৰ্যাদাক অন্য এক পৰ্যায়লৈ উন্নীত কৰিলে, যিটো হয়তো মই কংগ্ৰেছ দলত থকাহেঁতেন কেতিয়াও উপনীত হ'ব নোৱাৰিলোঁহেঁতেন। আজিৰ দিনটো সঁচাকৈয়ে এক অতি সন্তুষ্টিৰ দিন। যি কি নহওক, এটা কথা মই নিশ্চিতভাৱে ক'ব পাৰোঁ যে যিহেতু ৰাহুল গান্ধীয়ে মোক সমালোচনা কৰিবলৈকে বাছি লৈছে, তেন্তে মই নিশ্চয় অসমৰ জনসাধাৰণৰ বাবে সঠিক কাম কৰি আছোঁ আৰু শুদ্ধ পথেৰে আগুৱাই গৈছোঁ।'

## বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ

নিক্ষেপৰ ঘটনাই সমগ্ৰ অঞ্চলত চাঞ্চল্যৰ সৃষ্টি কৰিছে। এই ঘটনাত বাহনখনৰ সন্মুখৰ কাঁচ ভাঙি চুৰমাৰ হৈছে, আৰু বিধায়কগৰাকী সামান্যভাৱে আঘাতপ্ৰাপ্ত হৈছে। ঘটনাৰ সময়ত বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ সৈতে তেওঁৰ পৰিয়ালৰ সদস্যসকলৰ লগতে এটি শিশুও বাহনখনত উপস্থিত আছিল। ইটাৰ আঘাতৰ ফলত বাহনখনৰ ক্ষতি হোৱাৰ লগতে বিধায়কগৰাকীৰ সামান্য আঘাত হোৱা বুলি জানিব পৰা গৈছে। এই ঘটনাই স্থানীয় লোকৰ মাজত তীব্ৰ উত্তেজনাৰ সৃষ্টি কৰিছে। বোকাখাত আৰক্ষী তৎক্ষণাত ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে আৰু পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। অৱশ্যে, এতিয়ালৈকে আক্ৰমণকাৰীৰ পৰিচয় বা ইটা নিক্ষেপৰ পিছৰ উদ্দেশ্য সম্পৰ্কে কোন জানিব পৰা হোৱা নাই। স্থানীয় লোকৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে। এই ঘটনাৰ পিছত ৰাজনৈতিক মহলতো প্ৰতিক্ৰিয়া প্ৰকাশ পাইছে, আৰু তদন্তৰ অগ্ৰগতিৰ ওপৰত সকলোৰ দৃষ্টি নিবদ্ধ হৈ আছে।

## জি-২০ উন্নয়ন মন্ত্ৰীসভাৰ

চামিট) বৈঠকত অংশগ্ৰহণৰ উদ্দেশ্যে দক্ষিণ আফ্ৰিকালৈ যাত্ৰা কৰিছে। এই গুৰুত্বপূৰ্ণ বৈঠকত বিশ্ব সম্প্ৰদায়ৰ বিভিন্ন উন্নয়নমূলক বিষয়ৰ ওপৰত আলোচনা অনুষ্ঠিত হ'ব। এই যাত্ৰাৰ সময়ত মন্ত্ৰীগৰাকীয়ে আফ্ৰিকাৰ কিংডম অৱ ইশ্বাটিনি আৰু কিংডম অৱ লেছ'থ'লৈও ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ সময়ত তেওঁ ভাৰতৰ প্ৰতিনিধিত্ব কৰি কেইবাটাও গুৰুত্বপূৰ্ণ বৈঠকত অংশ ল'ব। ইফালে, অসমলৈ অহা কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু ৰাহুল গান্ধীৰ সম্পৰ্কত মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই এক তীক্ষ্ণ মন্তব্য প্ৰকাশ কৰিছে। তেওঁ কয়, "অসমলৈ মল্লিকাৰ্জুন খাৰ্গে আৰু ৰাহুল গান্ধীৰ আগমনক আমি স্বাগত জনাইছো। তেওঁলোকে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমত হোৱা উন্নয়নৰ কামৰ সাক্ষী হওক।" তদুপৰি, তেওঁ অভিযোগ কৰে যে, "মল্লিকাৰ্জুন খাৰ্গেহঁ ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ ভাৰতৰত্ন প্ৰদানৰ সময়ত তেওঁৰ অপমান কৰিছিল। কংগ্ৰেছৰ শাসনকালত অসমৰ প্ৰতি কৰা অন্যায়ৰ বাবে মল্লিকাৰ্জুন খাৰ্গে আৰু ৰাহুল গান্ধীয়ে ক্ষমা বিচৰা উচিত।'

## গেমন সেতু ৫৫ দিনৰ

চলাচলৰ বাবে মুকলি কৰা হৈছে। কাটিগৰাৰ বৰাক নদীৰ ওপৰত অৱস্থিত এই সেতুখন মন্ত্ৰী কৌশিক ৰায় আৰু কৃষ্ণেন্দু পালে পূজাৰ্চনাৰে ফিতা কাটি উদ্বোধন কৰে। এই উদ্বোধনৰ পিছতে পৰীক্ষামূলকভাৱে লঘু যানবাহন আৰু যাত্ৰীবাহী বাছৰ চলাচল আৰম্ভ হৈছে। পৰৱৰ্তী পাঁচ দিনৰ পিছত মালবাহী ট্ৰাক আৰু অন্যান্য গধুৰ যানবাহনৰ চলাচলৰ বাবে অনুমতি প্ৰদান কৰা হ'ব। ৰাজ্য চৰকাৰে সেতুখনৰ মেৰামতিৰ বাবে ২ কোটি ৭৫ লাখ টকা মঞ্জুৰ কৰিছিল। নিৰ্মাণৰ দায়িত্বপ্ৰাপ্ত NHIDCL সংস্থাই নিৰ্দিষ্ট সময়সীমা ২০ জুলাইৰ পূৰ্বেই সেতুখন যাতায়াতৰ উপযোগী কৰি তুলিছে। মন্ত্ৰী কৌশিক ৰায়ে জনোৱা মতে, ৫১ বছৰৰ পিছত দ্বিতীয়বাৰৰ বাবে এই সেতু পুনৰ মুকলি কৰা হৈছে, যিটো বৰাক উপত্যকাৰ লগতে মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ যোগাযোগৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ। গেমন সেতু বৰাক উপত্যকাৰ লাইফলাইন হিচাপে বিবেচিত। বিগত ২০ মে'ৰ পৰা সেতুখন মেৰামতিৰ বাবে বন্ধ হৈ পৰাৰ ফলত বদৰপুৰ-জোৱাই-গুৱাহাটী ৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ যাতায়াত ব্যৱস্থা বিঘ্নিত হৈছিল। ইয়াৰ ফলত বৰাক উপত্যকাৰ লগতে পাৰ্শ্বৱৰ্তী ৰাজ্য মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ সৈতে দেশৰ অন্যান্য অঞ্চলৰ যোগাযোগ বিচ্ছিন্ন হৈ পৰিছিল। সেতুখন পুনৰ মুকলি হোৱাৰ ফলত এই অঞ্চলৰ যানবাহনসমূহ পুনৰ স্বাভাৱিকভাৱে দেশৰ অন্যান্য অংশৰ সৈতে সংযোগ স্থাপন কৰিব পাৰিব। ইফালে, অভাৰলোড যানবাহনৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণৰ সিদ্ধান্ত লৈছে। গড়কাপ্তানী মন্ত্ৰী কৃষ্ণেন্দু পালে জনোৱা মতে, গেমন সেতুৰ ওপৰত অতিৰিক্ত বোজা কঢ়িয়াই নিয়া যানবাহনৰ প্ৰৱেশ নিষিদ্ধ কৰাৰ বাবে পৰিবহণ বিভাগ আৰু আৰক্ষীক কঠোৰ নিৰ্দেশনা জাৰি কৰা হৈছে। ইয়াৰ উপৰিও, অতিৰিক্ত বডি বৃদ্ধি কৰি সামগ্ৰী কঢ়িয়াই নিয়া ডাম্পাৰৰ অতিৰিক্ত অংশ কাটি পেলোৱাৰ নিৰ্দেশো জাৰি কৰা হৈছে। এই পদক্ষেপৰ জৰিয়তে গেমন সেতুৰ স্থায়িত্ব আৰু নিৰাপত্তা নিশ্চিত কৰাৰ লগতে বৰাক উপত্যকাৰ যোগাযোগ ব্যৱস্থা পুনৰ সুচাৰুৰূপে পৰিচালনাৰ প্ৰতি চৰকাৰে গুৰুত্ব আৰোপ কৰিছে।

## ডিমা হাছাওত ভূমিস্খলনত

বুধবাৰে পুৱা প্ৰায় ১০ মান বজাত জিলাখনৰ মাহুৰ আৰক্ষী থানাৰ অন্তৰ্গত হাংৰুম অঞ্চলত হোৱা প্ৰচণ্ড ভূমিস্খলনত প্ৰায় ৭০ বছৰ বয়সৰ এজন বৃদ্ধ নিহত হোৱাৰ উপৰিও পাহাৰ কটা কামত নিয়োজিত এ'কেভেটৰৰ চালক নিহত হোৱাৰ খবৰ পোহৰলৈ আহিছে। ভূমিস্খলনত নিহত এ'কেভেটৰ চালকজন লখিমপুৰৰ বাসিন্দা ফেৰণ টিগা বুলি চিনাক্ত কৰা হৈছে। পাহাৰৰ ওপৰভাগৰ পৰা খহি অহা মাটিয়ে তলত হেঁচা মাৰি ধৰাৰ ফলতে এ'কেভেটৰৰ চালকজনৰ মৃত্যু ঘটা বুলি নিৰ্মাণ সংস্থাটোৱে জানিবলৈ দিয়ে। এই ঘটনাত নিহত হোৱা আন এজন ব্যক্তি হৈছে হুয়াজেনগামবে নৃয়ামে। ভূমিস্খলনৰ ঘটনাটোত অন্য ৯জন লোক গুৰুতৰভাৱে আহত হোৱাৰ লগতে ক্ষতিসাধন হয় পাঁচখনকৈ ব্যৱসায়িক প্ৰতিষ্ঠানৰ। জানিব পৰা মতে, এন এইচ আই ডি চি এল(NHIDCL)-ৰ অন্তৰ্গত ভাৰতমালা আঁচনিৰ অধীনত অনুশা প্ৰজে" প্ৰাইভেট লিমিটেড নামৰ নিৰ্মাণ সংস্থাটোৱে চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ বাবে মাটি কটাৰ কামত নিয়োজিত হৈ থকাৰ সময়তে সংঘটিত হয় ভূমিস্খলন। এই কামত নিয়োজিত লোকসকলক যিখন বাহনত হাংৰুমৰ পৰা হাফলঙলৈ অনা হৈছিল, সেই বাহনখনৰ চালকজন আঘাতপ্ৰাপ্ত হয় এই ঘটনাত। উল্লেখযোগ্য যে, উক্ত এলেকাত মঙলবাৰে নিশা প্ৰচণ্ড বৰষুণ হৈছিল আৰু বুধবাৰে পুৱা নিৰ্মাণ সংস্থাটোৱে হাংৰুমত বজাৰ এলেকাৰ ওচৰতে থকা এখন পাহাৰত এ'কেভেটৰ লগাই মাটি কাটি আছিল। এনে সময়তে সংঘটিত হৈছিল এই ভূমিস্খলনৰ ঘটনাটো।

## নাটোৰ কঠোৰ সকিয়নি;

ৰাছিয়াৰ সৈতে বাণিজ্যিক সম্পৰ্ক অব্যাহত ৰাখে, তেন্তে তেওঁলোকৰ ওপৰত কঠোৰ নিষেধাজ্ঞা আৰোপ কৰা হ'ব। তেওঁ সতৰ্ক কৰি কয় যে এই দেশসমূহে ৰাছিয়াৰ পৰা তেল আৰু গেছ ক্ৰয় কৰি ৰাছিয়াৰ যুদ্ধ পৰিচালনাৰ বাবে ইন্ধন যোগান ধৰিছে। এই নিষেধাজ্ঞাৰ ফলত এই দেশসমূহৰ অৰ্থনীতিত ব্যাপক ক্ষতি হ'ব পাৰে বুলিও তেওঁ স্পষ্ট কৰিছে। ৰাছিয়াৰ সৈতে বাণিজ্যিক সম্পৰ্কৰ বাবে ভাৰত, চীন আৰু ব্ৰাজিলক বিশেষভাৱে লক্ষ্য কৰি মাৰ্ক ৰুটে কয়, "যদি এই দেশসমূহে ৰাছিয়াৰ সৈতে ব্যৱসায় চলাই যায়, তেন্তে তেওঁলোকৰ ওপৰত ১০০ শতাংশ নিষেধাজ্ঞা জাৰি কৰা হ'ব।" তেওঁ আৰু কয় যে ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনে শান্তি আলোচনাৰ প্ৰতি গুৰুত্ব প্ৰদান কৰা নাই। সেয়েহে এই দেশসমূহৰ নেতাসকলক পুটিনৰ ওপৰত হেঁচা প্ৰয়োগ কৰি শান্তি আলোচনাৰ পথ মুকলি কৰাৰ বাবে আহ্বান জনোৱা হৈছে। বৰ্তমান ভাৰত আৰু চীনে নিজৰ প্ৰয়োজনৰ প্ৰায় ৭০ শতাংশ তেল ৰাছিয়াৰ পৰা ক্ৰয় কৰি আছে। ব্ৰাজিলো ৰাছিয়াৰ তেল আৰু গেছৰ অন্যতম প্ৰধান গ্ৰাহক। আমেৰিকাৰ দৃষ্টিকোণৰ পৰা, এই তেল ক্ৰয়ে ৰাছিয়াক ইউক্ৰেইনৰ বিৰুদ্ধে যুদ্ধ চলাই যোৱাৰ বাবে অৰ্থনৈতিক শক্তি প্ৰদান কৰিছে। আমেৰিকাৰ মতে, এই দেশসমূহৰ বাণিজ্যিক কাৰ্যকলাপে পুটিনৰ যুদ্ধ পৰিচালনাৰ 'মেৰুদণ্ড' হিচাপে কাম কৰি আছে। ফলত ইউক্ৰেইনক সমৰ্থন জনোৱাৰ বাবে এই দেশসমূহৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয়তাৰ কথা আমেৰিকাই উল্লেখ কৰিছে। ইফালে, আমেৰিকাৰ কংগ্ৰেছত ৰিপাব্লিকান চিনেটৰ লিণ্ডচে গ্ৰেহাম আৰু ৰিচাৰ্ড ব্লুমেন্থালে ৰাছিয়াৰ সৈতে বাণিজ্য কৰা দেশসমূহৰ ওপৰত ৫০০ শতাংশ শুল্ক আৰোপৰ প্ৰস্তাৱৰ সৈতে এখন বিধেয়ক উত্থাপন কৰিছে। এই বিধেয়কখনে ইতিমধ্যে কংগ্ৰেছত ৮৪ শতাংৰ সমৰ্থন লাভ কৰিছে। সোমবাৰে হোৱাইট হাউছত সাংবাদিকৰ আগত আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে কয়, ৰাছিয়াক দীৰ্ঘদিন ধৰি ইউক্ৰেইনৰ সৈতে যুদ্ধ বন্ধ কৰিবলৈ আহ্বান জনোৱা হৈছে। যদি পুটিনে আগন্তুক ৫০ দিনৰ ভিতৰত যুদ্ধবিৰতিৰ বাবে সন্মতি নিদিয়ে, তেন্তে ৰাছিয়াৰ ওপৰত ১০০ শতাংশ শুল্ক. ট্ৰাম্পৰ এই সকিয়নিৰ পিছত নাটোৰ মহাসচিবে ভাৰত, চীন আৰু ব্ৰাজিলৰ দৰে দেশৰ ওপৰত নিষেধাজ্ঞাৰ ভাবুকি পুনৰ দোহাৰিছে। উল্লেখযোগ্য যে, ক্ষমতা গ্ৰহণৰ পিছৰে পৰা ট্ৰাম্পে ৰাছিয়া-ইউক্ৰেইন যুদ্ধৰ অৱসান ঘটোৱাৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি আহিছে। তেওঁ পুটিনৰ সৈতে আলোচনাৰ বাবে কেইবাটাও চেষ্টা কৰিছে যদিও তাত বিশেষ সফলতা লাভ কৰা নাই। এই যুদ্ধ বন্ধ কৰাটো ট্ৰাম্পৰ বাবে বিশ্বৰ আগত নিজকে শান্তিপ্ৰেমী নেতা হিচাপে প্ৰতিষ্ঠা কৰাৰ এক বৃহৎ প্ৰত্যাহ্বান। সেয়েহে তেওঁ ৰাছিয়া আৰু ইয়াৰ সৈতে বাণিজ্যিক সম্পৰ্ক বজাই ৰখা দেশসমূহৰ ওপৰত অৰ্থনৈতিক হেঁচা সৃষ্টি কৰি পুটিনক আলোচনাৰ মেজলৈ আনিবলৈ প্ৰয়াস কৰিছে। এই পৰিস্থিতিয়ে বিশ্বৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক পৰিস্থিতিত নতুন জটিলতাৰ সৃষ্টি কৰিছে। ভাৰতৰ দৰে দেশৰ বাবে এই নিষেধাজ্ঞাৰ ভাবুকিয়ে সুৰক্ষা আৰু আন্তঃৰাষ্ট্ৰীয় সম্পৰ্কৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ প্ৰশ্নৰ সন্মুখীন কৰিছে।

## সৰ্প বিশেষজ্ঞ ডাঃ সুৰজিত

ডাঃ গিৰীৰ মানৱীয় দৃষ্টিভংগী, কৰ্তব্যনিষ্ঠা আৰু সৰ্প দংশনৰ চিকিৎসাত তেওঁৰ অভূতপূৰ্ব অৱদানৰ বাবে তেওঁ সৰ্বজনপ্ৰিয়। কিন্তু এগৰাকী দণ্ডাধীশে তেওঁৰ কৰ্তব্যনিষ্ঠাৰ ওপৰত প্ৰশ্ন তুলি অপমান কৰাৰ পিছত তেওঁ এই কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰে। ডাঃ গিৰীয়ে কেৱল চিকিৎসালয়ত কৰ্তব্য পালন কৰাই নহয়, প্ৰয়োজনত মোবাইলৰ জৰিয়তে সৰ্প দংশনৰ চিকিৎসাৰ পৰামৰ্শ আৰু দিহা প্ৰদান কৰি আহিছে। তেওঁৰ এই নিষ্ঠাৰ পিছতো দণ্ডাধীশৰ অপমানজনক মন্তব্যই তেওঁক পদত্যাগৰ দিশে ঠেলি দিয়া বুলি জানিব পৰা গৈছে। তেওঁ সামাজিক মাধ্যমত এক আৱেগিক পোষ্টত উল্লেখ কৰিছে যে, আঢ়ৈ বছৰীয়া শিশু মনচোইৰীয়া কুৰ্মীৰ সৰ্প দংশনৰ চিকিৎসাৰ পিছত যেনেকৈ শিশুটিয়ে ডিমৌ গ্ৰাম্য চিকিৎসালয় ত্যাগ কৰিছে, তেনেকৈ তেওঁৰো এই চিকিৎসালয় ত্যাগৰ সময় উপস্থিত হৈছে। তেওঁ ১০ আগষ্টৰ পৰা ডিমৌ আদৰ্শ চিকিৎসালয়ৰ পৰা বিদায় ল'বলৈ সিদ্ধান্ত লোৱা বুলি স্পষ্ট কৰিছে। এই পোষ্ট ভাইৰেল হোৱাৰ পিছত থাওৰাৰ বিধায়ক সুশান্ত বৰগোঁহায়ে এই পদত্যাগক দুৰ্ভাগ্যজনক বুলি অভিহিত কৰি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। তেওঁ কয়, "ডাঃ সুৰজিত গিৰীৰ সৰ্প বিশেষজ্ঞ হিচাপে আন্তঃৰাষ্ট্ৰীয় খ্যাতি আৰু তেওঁৰ অৱদানৰ বাবেই ডিমৌ আদৰ্শ চিকিৎসালয় ৰাইজৰ মাজত পৰিচিত। তেওঁৰ নেতৃত্বত এই চিকিৎসালয়ে প্ৰসূতি চিকিৎসাৰ পৰা আৰম্ভ কৰি শিশু জন্মৰ ক্ষেত্ৰত বহু বৃহৎ চিকিৎসালয়কো অতিক্ৰম কৰিছে।'' বিধায়ক বৰগোঁহায়ে আৰু কয়, "ডাঃ গিৰীৰ দৰে কেইগৰাকীমান ব্যক্তিৰ নিষ্ঠাৰ বাবেই এই চিকিৎসালয়ৰ এই সফলতা সম্ভৱ হৈছে। তেওঁৰ পদত্যাগৰ সিদ্ধান্ত অত্যন্ত দুৰ্ভাগ্যজনক। আমি তেওঁক অনুৰোধ জনাইছো যে, উজনি অসমৰ জনতাৰ স্বাৰ্থত, তেওঁৰ এই সিদ্ধান্ত পুনৰ বিবেচনা কৰক। তেওঁৰ ভিডিঅ' কলৰ জৰিয়তে সৰ্প দংশনৰ চিকিৎসাৰ পৰামৰ্শ প্ৰদানৰ কামে এই অঞ্চলৰ লগতে বাহিৰৰ ৰোগীসকলৰো জীৱন ৰক্ষা কৰিছে।'' বিধায়কগৰাকীয়ে আশা প্ৰকাশ কৰিছে যে, ডাঃ গিৰীয়ে জনতাৰ স্বাস্থ্যসেৱাৰ স্বাৰ্থত এই সিদ্ধান্ত পৰিহাৰ কৰি পুনৰ কৰ্তব্যত যোগদান কৰিব। এই ঘটনাই ডিমৌ আদৰ্শ চিকিৎসালয়ৰ সেৱাৰ গুৰুত্ব আৰু ডাঃ গিৰীৰ অৱদানৰ প্ৰতি ৰাইজৰ মনোভাৱক পুনৰ স্মৰণ কৰাইছে।

## ছাত্ৰ সংস্থাৰ উদ্বেগ, শান্তি

কৰিছে। এই ঘটনাৰ প্ৰতি সদৌ অসম ছাত্ৰ সংস্থা (আছু)ৰ লগতে ৰাজ্যৰ জনসাধাৰণে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। আছুৰ সভাপতি উৎপল শৰ্মাই এই ঘটনাৰ প্ৰতিক্ৰিয়াত কয়, "আলফা স্বাধীনৰ লক্ষ্য আৰু পন্থা আমাৰ সৈতে ভিন্ন হ'লেও, অসমীয়া সন্তানৰ মৃত্যুৰ খবৰে আমাক গভীৰভাৱে মৰ্মাহত কৰিছে। এই ঘটনাত আমি গভীৰ শোক প্ৰকাশ কৰিছো।" দীৰ্ঘদিন ধৰি আছুৱে আলফা স্বাধীন আৰু ভাৰত চৰকাৰৰ মাজত শান্তি আলোচনাৰ পোষকতা কৰি আহিছে। শৰ্মাই কয়, "আমি সদায় এক সন্মানজনক পৰিৱেশত শান্তি আলোচনাৰ বাবে উভয় পক্ষক আহ্বান জনাই আহিছো। অসমৰ জনগণে শান্তিপূৰ্ণ পৰিৱেশৰ দাবী জনাইছে। কিন্তু এনে আক্ৰমণৰ ঘটনাই শান্তি প্ৰক্ৰিয়াত বাধাৰ সৃষ্টি কৰিব পাৰে, যিটো অসমৰ জনগণৰ বা আমাৰ কাম্য নহয়।" তেওঁ আৰু কয়, "আমি কেন্দ্ৰীয় চৰকাৰক আলফা স্বাধীনৰ সৈতে শান্তি আলোচনা ত্বৰান্বিত কৰিবলৈ আহ্বান জনাইছো। একে সময়তে, অসমৰ মুখ্যমন্ত্ৰীগৰাকীক এই আলোচনা সন্মানজনকভাৱে অনুষ্ঠিত কৰাৰ বাবে উদ্যোগ ল'বলৈও আমি অনুৰোধ জনাইছোঁ।" উল্লেখযোগ্য যে, দেওবাৰে পুৱতি নিশা ম্যানমাৰত আলফা স্বাধীনৰ চাৰিটা শিবিৰত ড্ৰ'নেৰে ভয়ংকৰ আক্ৰমণ চলোৱা হৈছিল। প্ৰথম অৱস্থাত এই আক্ৰমণত তিনিজন কেডাৰৰ মৃত্যু হোৱাৰ খবৰ প্ৰকাশ পাইছিল, যদিও পিছত আলফা স্বাধীনে এক বিবৃতিৰ জৰিয়তে জনাইছে যে এজন কেডাৰ জীৱিত আছে। আক্ৰমণত আলফাৰ কেইবাজনো সদস্য আহত হোৱাৰো খবৰ পোৱা গৈছে।

## ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ

এক চাঞ্চল্যকৰ কল ৰেকৰ্ডিং সামাজিক মাধ্যমত ধুমুহাৰ গতিত ভাইৰেল হোৱাৰ পিছত চৌদিশে সমালোচনাৰ সন্মুখীন হ'বলগীয়া হৈছে নিজকে এগৰাকী প্ৰকৃতিপ্ৰেমী বুলি চিনাকি দিয়া তিনিচুকীয়াৰ গুইজান গাঁও পঞ্চায়তৰ সদস্য তথা বিগত সময়চোৱাত বিজেপিৰ প্ৰাৰ্থী হৈ জিলা পৰিষদৰ সদস্য হিচাপে নিৰ্বাচিত হোৱা ব্যৱসায়ী সঞ্জয় দাস। উল্লেখ্য যে, এইগৰাকী জনপ্ৰতিনিধি সঞ্জয় দাসে তেওঁৰ বন্ধু কৃপেশ দাসক অলপতে ফোনযোগে ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা হৰিণাৰ মাংস অনাৰ কথা কৈ তেওঁৰ ঘৰলৈ নিমন্ত্ৰণ জনাইছিল। অৱশ্যে বন্ধুজনে সেই নিমন্ত্ৰণ প্ৰত্যাখান কৰিছিল। নিজকে সদায়ে প্ৰকৃতিপ্ৰেমী হিচাপে চিনাকি দি অহা এইগৰাকী তথাকথিত নেতা জনপ্ৰতিনিধিয়ে গুইজানত ৰিভাৰ ক্ৰুইজৰ এক ব্যৱসায়ো চলাইছিল। ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত 'স্কাইলেণ্ড' নামেৰে পেৰাগ-ইডিঙৰ ব্যৱসায়ো কৰা এই সঞ্জয় দাসৰ দায়িত্ব জ্ঞানহীনতাৰ বাবে এবাৰ এজন যুৱকে পেৰাগ-ইডিং কৰোঁতে ওপৰৰ পৰা পৰি মৃত্যুক আঁকোৱালি লবলগীয়া হোৱাৰ দৰে কৰুণ ঘটনাও সংঘটিত হৈছিল, যাৰ পৰিণতিত উদ্যানখনত পেৰাগ-ইডিঙৰ ব্যৱসায় সামৰিবলৈ বাধ্য হৈছিল সঞ্জয় দাসে। এইগৰাকী তথাকথিত সঞ্জয় দাসে এইবাৰ ৰাষ্ট্ৰীয় উদ্যানখনৰ হৰিণাৰ মাংস ভক্ষণ কৰাক লৈ আইনী ব্যৱস্থা গ্ৰহণৰ আহবান জনাইছে পৰিৱেশ সুৰক্ষা সমিতি, অসমৰ কেন্দ্ৰীয় সমিতিয়ে। সমিতিৰ কেন্দ্ৰীয় সভাপতি ঋতুৰাজ বৰুৱাই আজি তিনিচুকীয়া জিলা আয়ুক্তক এইগৰাকী বিতৰ্কিত সঞ্জয় দাসৰ বিৰুদ্ধে তৎকালে কাৰ্যকৰী হোৱাকৈ আইনী ব্যৱস্থা গ্ৰহণ কৰি যথোচিত তথা দৃষ্টান্তমূলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহবান জনাই এই সন্দৰ্ভত এখন স্মাৰক পত্ৰ প্ৰদান কৰে। সভাপতি বৰুৱাই উক্ত স্মাৰক পত্ৰত উল্লেখ কৰা অনুসৰি, যি সময়ত বন্যপ্ৰাণী সুৰক্ষা আইন- ১৯৭২ৰ অধীনত আৰু বিশ্বজুৰি বন্যপ্ৰাণী সুৰক্ষাৰ ক্ষেত্ৰত সজাগতা আৰু সচেতনতা গঢ় লৈ উঠিছে, তেনে সময়তে অবৈধভাৱে হৰিণা বধ কৰি তাৰ মাংস খাবলৈ নিমন্ত্ৰণ জনোৱাৰ লগতে উৎসাহিত কৰি চৰম আইনবিৰুদ্ধ পন্থা হাতত তুলি লৈছে। উক্ত বন্যপ্ৰাণী সুৰক্ষা আইনখনৰ অধীনত কিছুমান বনৰীয়া আৰু দুষ্প্ৰাপ্য জীৱ-জন্তু বধ আৰু ভক্ষণৰ ক্ষেত্ৰত ন্যায়ালয়ে নিষেধাজ্ঞা থকাৰ পাছতো সঞ্জয় দাসৰ এনে কাণ্ডই সকলোকে হতচকিত কৰি তুলিছে। জিলা আয়ুক্তগৰাকীয়ে সঞ্জয় দাসৰ বিৰুদ্ধে আইনী ব্যৱস্থা গ্ৰহণেৰে বন্যপ্ৰাণী সুৰক্ষাৰ ক্ষেত্ৰত সজাগতা আনিবলৈ প্ৰয়াস চলাব বুলিও আশা প্ৰকাশ কৰে।

## ঝাৰখণ্ডত নক্সাল বিৰোধী

জানিব পৰা মতে, বুধবাৰে পুৱা প্ৰায় ৫: ৩০ বজাত ঝাৰখণ্ডৰ বোকাৰো জিলাৰ গোমিয়া আৰক্ষী থানাৰ অন্তৰ্গত বীৰহৰ্ডেৰা বনাঞ্চলত কেন্দ্ৰীয় আৰক্ষী বাহিনী (চি আৰ পি এফ)ৰ ২০৯ কোব্ৰা বেটেলিয়ন আৰু ঝাৰখণ্ড আৰক্ষীৰ যৌথ অভিযানৰ সময়ত মাওবাদীৰ সৈতে তীব্ৰ গুলীচালনাৰ ঘটনা সংঘটিত হয়। বোকাৰোৰ জ'নৰ আই জি ক্ৰান্তি কুমাৰ গাদিদেশীয়ে সংবাদ সংস্থা পি টি আইক জনোৱা অনুসৰি, এই সংঘৰ্ষত নিৰাপত্তা বাহিনীয়ে দুজন মাওবাদীক নিহত কৰে, আনহাতে চি আৰ পি এফৰ কোব্ৰা বেটেলিয়নৰ জোৱান পৰ্নেশ্বৰ কোঁচ শ্বহীদ হয়। ঘটনাস্থলীৰ পৰা এখন এ কে-৪৭ ৰাইফল উদ্ধাৰ কৰা হৈছে। বোকাৰোৰ আৰক্ষী অধীক্ষক হৰবিন্দৰ সিংহে জনোৱা মতে, এই এনকাউণ্টাৰৰ পিছত অঞ্চলটোত তালাচী অভিযান অব্যাহত আছে। আন এগৰাকী আৰক্ষী বিষয়াই জানিবলৈ দিয়া অনুসৰি, নিহত মাওবাদীৰ চিনাক্তকৰণৰ প্ৰক্ৰিয়া চলি আছে, য'ত এজনৰ নাম কুঁৱৰ মাঝী ওৰফে ছাহদেও মাঝী ওৰফে ছাদে বুলি জানিব পৰা গৈছে। শ্বহীদ জোৱান পৰ্নেশ্বৰ কোঁচৰ ঘৰ অসমৰ কোকৰাঝাৰ জিলাৰ মাগুৰমাৰী গাঁৱত। তেওঁৰ শ্বহীদত্বৰ খবৰ নিশ্চিত হোৱাৰ পিছতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ তেওঁৰ ফেচবুক পোষ্টত লিখিছে: "অসমৰ সাহসী সন্তান তথা মা ভাৰতীৰ বীৰ পুত্ৰ চিটি-জিডি পৰ্নেশ্বৰ কোঁচে আজি পুৱা ঝাৰখণ্ডত নক্সালীৰ বিৰুদ্ধে যুঁজ দি শ্বহীদ হৈছে। কোকৰাঝাৰৰ এই অমৰ শ্বহীদৰ বলিদানৰ প্ৰতি হৃদয়ৰ গভীৰতম স্থানৰ পৰা শ্ৰদ্ধা জ্ঞাপন কৰি তেওঁৰ আত্মাৰ শান্তিৰ বাবে প্ৰাৰ্থনা কৰিছো। শোকসন্তপ্ত পৰিয়ালৰ প্ৰতি গভীৰ সমবেদনা জনাইছো। আমি আমাৰ শ্বহীদৰ পৰিয়ালৰ কাষত সদায় আছো আৰু ভৱিষ্যতেও থাকিম।" এই সংঘৰ্ষ অপাৰেশ্যন সংকল্পৰ অধীনত চলি থকা নক্সাল বিৰোধী অভিযানৰ এক অংশ বুলি জানিব পৰা গৈছে। চি আৰ পি এফৰ ডি জি জি পি সিঙে সামাজিক মাধ্যমত শ্বহীদ জোৱানৰ প্ৰতি শ্ৰদ্ধা জনাই কয় যে, "পৰ্নেশ্বৰ কোঁচৰ এই বলিদান চিৰস্মৰণীয় হৈ থাকিব আৰু আমি ন'লবাদৰ অৱসানৰ বাবে পুনৰ উৎসৰ্গিত হৈ কাম কৰিম।" এই ঘটনাই অসমৰ লগতে সমগ্ৰ দেশৰ জনতাৰ মাজত গভীৰ শোকৰ ছাঁ পেলাইছে। পৰ্নেশ্বৰ কোঁচৰ এই সাহসী বলিদানে দেশৰ সুৰক্ষাৰ বাবে তেওঁৰ অটল দায়বদ্ধতাৰ পৰিচয় দিছে।

## নাগালেণ্ডত ভুৱা আৰক্ষীৰূপী

আৰক্ষীৰ নিৰিক্ষকৰ পোচাক পৰিধান কৰা এজন ব্যক্তিয়ে চলাই থকা এখন বাহনত গোপনে লুকুৱাই নিয়া বিপুল পৰিমাণৰ অবৈধ মদ জব্দ কৰি লোকজনক আটক কৰে। নাগালেণ্ডৰ মোককচুং জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষকৰ কাৰ্যালয় তৰফৰ পৰা প্ৰকাশ পোৱা তথ্য অনুসৰি এ এচ ০৩ এইচ ৯২২৪ নম্বৰৰ আগফালে "পুলিচ" বুলি লিখা বগা ৰঙৰ ইণ্ডিকা বাহনখন সন্দেহবশত তালাচী চলোৱাত বাহনখনৰ ভিতৰত সংগোপনে লুকুৱাই অনা বৃহৎ পৰিমাণৰ ভাৰতত নিৰ্মিত বিদেশী সুৰা উদ্ধাৰ হয়। উদ্ধাৰ হোৱা সামগ্ৰীসমূহৰ ভিতৰত দুই কেছ ৭৫০ মিঃ লিটাৰৰ এম চি ৰাম, ১২কেছ ১৮০ মিঃ লিটাৰৰ এম চি ৰাম, এক কেছ ১৮০মিঃ লিটাৰৰ এ চি হুইস্কী, ৪ কেছ কিংফিছাৰ বীয়েৰ বুলি জানিব পৰা গৈছে। আৰক্ষীৰ তদন্তত অসম আৰক্ষী নিৰীক্ষকৰ পোচাক পৰিধান কৰা অভিযুক্ত আমগুৰি হাতীমূৰীয়া গাঁৱৰ সূৰ্য গগৈৰ পুত্ৰ দীপাংকৰ গগৈ বুলি আৰক্ষী সূত্ৰত প্ৰকাশ পাইছে। আৰক্ষী সূত্ৰই জানিব পৰা মতে, দীপংকৰ গগৈ গুৱাহাটী পানবজাৰস্থিত অগ্নি নিৰ্বাপক বিভাগত চালক হিচাপে কৰ্মৰত। ইতিমধ্যে মোককচুং আৰক্ষীয়ে চোৰাং মদখিনি জব্দ কৰাৰ লগতে দীপাংকৰক গ্ৰেপ্তাৰ কৰি তেওঁৰ বিৰুদ্ধে বি এন এছ, এম ভি এ" আৰু এন এল টি পি এ"ৰ অধীনত গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে, অসমৰ আমগুৰি, নামতি বামুণপুখুৰী, হালোৱাটিঙ আদি অঞ্চলৰ একাংশ সুৰা বিপনীৰ পৰা এটা দুষ্ট চক্ৰই এনেদৰেই বিভিন্ন পথেৰে নগালেণ্ডলৈ অবৈধভাৱে সুৰা সৰবৰাহ কৰি আহিছে। আজি কিছুদিনৰ পূৰ্বেও আমগুৰিৰ পৰা এনেদৰে অবৈধ ভাবে সুৰা সৰবৰাহ কৰা এখন বাহন নগালেণ্ডৰ টুলিত দুৰ্ঘটনাগ্ৰস্ত হৈছিল।

# চাপানালাৰ পৰা পোনপ্ৰথমবাৰৰ বাবে বড়মপুৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি আসনত নৃপেন খাকলাৰী; চাপানালাত বিজয় উৎসৱ

**অসম বাৰ্তা, পুৰণিগুদাম, ১৬ জুলাই ঃ** নগাঁও জিলাৰ যুগ যুগ ধৰি অৱহেলিত হৈ থকা এটা অঞ্চল চাপানালা। বড়মপুৰ সমষ্টিৰ অধীনৰ এই সমষ্টিটো অৱহেলিত হৈ থকাই নহয় বিভিন্ন জাতি জনগোষ্ঠীৰ বসতিস্থল চাপানালাৰ জনসাধাৰণ সকলো দিশতে আছিল অৱহেলিত। ভোটবেংক হিচাপে ব্যৱহাৰ কৰা জনসাধাৰণে কোনো ক্ষেত্ৰতে পোৱা নাছিল বিশেষ সুবিধা। পাহাৰীয়া দাঁতি কাষৰীয়া অঞ্চলৰ ৰাইজৰ মাজত আজি দেখা গ'ল আনন্দ-উল্লাস। আৱতৰীয়া দীপাৱলী পালন কৰিলে চাপানালাৰ জনসাধাৰণে। স্বাধীনতাৰ পিছৰে পৰা পিছপৰি ৰোৱা চাপানালা গাঁও পঞ্চায়তৰ পৰা আঞ্চলিক সদস্য হিছাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰা নৃপেন খাকলাৰী বড়মপুৰ উন্নয়ন খণ্ডৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি নিৰ্বাচিত হ'ল। সমষ্টিৰ বিধায়ক জিতু গোস্বামীৰ বিশেষ তৎপৰতাত আন ১২ গৰাকী সদস্যৰ সৰ্বসন্মত সিদ্ধান্ত অনুসৰি নৃপেন খাকলাৰী সভাপতি আসন লাভ কৰাৰ বাবে আজি চাপানালা বাসীয়ে পাতিলে বিজয় উৎসৱ। চাপানালাৰ দৰে পিছপৰা অঞ্চলৰ পৰা কোনো ধৰণৰ সংৰক্ষণ নথকা সভাপতি আসনত পোনপ্ৰথম বাৰৰ বাবে সমাজকৰ্মী যুৱক নৃপেন খাকলাৰীক অধিষ্ঠিত কৰাৰ বাবে চাপানালাবাসী ৰাইজ আনন্দিত হৈ পৰিছে। আজিৰ এই বিজয় উৎসৱত কলিয়াবৰ জিলা বিজেপিৰ সাধাৰণ সম্পাদক অৰবিন্দ চৌধুৰী, সমাজকৰ্মী কমল শইকীয়াকে ধৰি চাপানালাৰ বহুকেইগৰাকী সমাজকৰ্মী চাপানালাৰ স্থানীয় ৰাইজ উপস্থিত থাকে। বিজয় উৎসৱত নৃপেন খাকলাৰীক চাপানালা ৰাইজৰ তৰফৰ পৰা বিপুল ভাৱে আদৰণি জনায়। অহা কালিলৈ বড়মপুৰ উন্নয়ন খণ্ডত শপত গ্ৰহণ কৰিব খাকলাৰীয়ে।

## লুৰিণজ্যোতিক সাহস দিয়া অসম জাতীয় পৰিষদৰ আঞ্চলিক পঞ্চায়তৰ সদস্যা মেৰিলিন বৰা গগৈৰ শপত গ্ৰহণ সম্পন্ন

**অসম বাৰ্তা, মাকুম, ১৬ জুলাই ঃ** অসম জাতীয় পৰিষদ দলৰ সভাপতি লুৰিণজ্যোতি গগৈক সাহস দি মাকুম সমষ্টিৰ বজালতলি পঞ্চায়তৰ পৰা আঞ্চলিক পঞ্চায়তৰ সদস্যা হিচাপে বিপুল ভোটত বিজয়ী হৈছিল মেৰিলিন বৰা গগৈয়ে। আজি হাপজান উন্নয়ন খণ্ডৰ কাৰ্যালয়ত নৱ নিযুক্ত আঞ্চলিক পঞ্চায়তৰ সদস্যাগৰাকীৰ সুকলমে শপত গ্ৰহণ কাৰ্যসূচী সম্পন্ন হৈ যায়। শপত গ্ৰহণ অনুষ্ঠান সম্পন্ন হোৱাৰ পাছত অজাপৰ আঞ্চলিক পঞ্চায়তৰ সদস্যাগৰাকীয়ে অসম জাতীয় পৰিষদ দলৰ বিষয়ববীয়া, কাৰ্যকৰ্তা সকলোকে অন্তৰৰ পৰা ধন্যবাদ জ্ঞাপন কৰে। কিয়নো দলৰ প্ৰতিগৰাকী ব্যক্তিৰ সহযোগিতাৰ বাবেই আজি আঞ্চলিক পঞ্চায়তৰ সদস্যাৰ পদত অধিষ্ঠিত হবলৈ সক্ষম হৈছোঁ বুলি কয় মেৰিলিন বৰা গগৈয়ে। লগতে আগন্তুক দিনবিলাকত ৰাইজৰ হকে কাম কৰাৰ সকল্পবদ্ধ হয় অসম জাতীয় পৰিষদৰ আঞ্চলিক পঞ্চায়তৰ সদস্যা গৰাকীয়ে।



## শিৱসাগৰ জিলা বাৰ্তাজীৱী সংঘৰ অধিৱেশন

# জ্যেষ্ঠ সাংবাদিক মণিৰুল ইছলাম বড়ালৈ ‘গুণ বৰুৱা সোঁৱৰণী ৰাজ্যিক সাংবাদিকতা বঁটা-২০২৫’

**ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ১৬ জুলাই ঃ** অহা ২ আৰু ৩ আগষ্টত দুদিনীয়া কাৰ্যসূচীৰে শিৱসাগৰ প্ৰেছ ক্লাবৰ সভাগৃহত অনুষ্ঠিত হ'ব শিৱসাগৰ জিলা বাৰ্তাজীৱী সংঘৰ অধিৱেশন। উক্ত অধিৱেশনৰ লগত সংগতি ৰাখি পতাকা উত্তোলন, স্মৃতি তৰ্পন, প্ৰতিনিধি সভা, মুকলি সভা অনুষ্ঠিত হ'ব। ৩ আগষ্টত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত শিৱসাগৰৰ জ্যেষ্ঠ সাংবাদিক মণিৰুল ইছলাম বড়াক একনিষ্ঠ সমাজসেৱক, বিশিষ্ট সাংবাদিক ‘গুণ বৰুৱা সোঁৱৰণী ৰাজ্যিক সাংবাদিকতা বঁটা-২০২৫’ প্ৰদান কৰা হ'ব। মুকলি সভাত অসম বাৰ্তাজীৱী সংঘৰ সভাপতি মধুসূদন মেধি, সাধাৰণ সম্পাদক মুকুট ৰাজ শৰ্মা আৰু ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য ভাস্কৰ শৰ্মা বিশিষ্ট অতিথি হিচাপে আৰু শিৱসাগৰ জিলা সাহিত্য সভাৰ সভাপতি যোগেশ কিশোৰ ফুকন মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। মুকলি সভাত জ্যেষ্ঠ সাংবাদিক মফিদুল ইছলাম আৰু প্ৰাঞ্জল পূজাৰীক বিশেষভাৱে সন্মানিত কৰা হ'ব। আজি শিৱসাগৰ প্ৰেছক্লাবৰ সভাগৃহত অনুষ্ঠিত হোৱা শিৱসাগৰ জিলা বাৰ্তাজীৱী সংঘৰ কাৰ্যনিৰ্বাহক সভাত আগন্তুক জিলা অধিৱেশনৰ বাবে বিশদভাৱে আলোচনা কৰা হয়। শিৱসাগৰ জিলা বাৰ্তাজীৱী সংঘৰ ভাৰপ্ৰাপ্ত সভাপতি ৰাতু কুমাৰ দাসে পৰিচালনা কৰা উক্ত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে শিৱসাগৰ জিলা বাৰ্তাজীৱী সংঘৰ সম্পাদক মনোজ কুমাৰ গগৈয়ে। সভাত জিলা সমিতিৰ সহকাৰী সম্পাদক হিমাংশু নেওগ, মফিদুল ইছলাম, কোষাধ্যক্ষ দেৱজ্যোতি বৰুৱা, প্ৰাঞ্জল পূজাৰী আদি কেইবাজনো বিষয়-ববীয়াই মন্তব্য প্ৰকাশ কৰে। উল্লেখ্য যে, ‘গুণ বৰুৱা সোঁৱৰণী ৰাজ্যিক সাংবাদিকতা বঁটা’ লাভ কৰা মনিৰুল ইছলাম বড়া অসমৰ এগৰাকী জ্যেষ্ঠ সাংবাদিক। ১৯৮৭ চনত শিৱসাগৰৰ পৰা প্ৰকাশিত নিৰ্ভীক পযেকীয়া কাকত “কলম”ৰ সহকাৰী সম্পাদক হিচাপে সাংবাদিকতা আৰম্ভ কৰিছিল মনিৰুল ইছলাম বড়াই। ইয়াৰ পিছত অজিত কুমাৰ ভূঞা সম্পাদিত “সাদিন” আজিৰ সংবাদ, পৰাগ কুমাৰ দাসৰ সম্পাদিত বুধবাৰ, আগান, অজিত কুমাৰ ভূঞা সম্পাদিত “আজি” কাকতত সাংবাদিকতা কৰাৰ পাছত বৰ্তমান গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক অসম আৰু অসমীয়া খবৰ কাকতত শিৱসাগৰৰ জিলা সদৰৰ সংবাদদাতা হিচাপে সেৱা আগবঢ়াই আছে। সাংবাদিকতাৰ উপৰিও মনিৰুল ইছলাম বড়াই অৰ্দ্ধ শতাধিক অসমীয়া নাটক, দূৰদৰ্শন ধাৰাবাহিক আৰু বোলছবিতো অভিনয় কৰি সুনাম অৰ্জন কৰিছে। অসমৰবিভিন্ন সামাজিক সাংস্কৃতিক আৰু বৌদ্ধিক অনুষ্ঠানৰ সৈতে ৯০ দশকৰ পৰা জড়িত হৈ থকা মনিৰুল ইছলাম বড়া অসমৰ প্ৰথম গৰাকী ড”ৰেট তথা প্ৰথম গৰাকী অসমীয়া উপাচাৰ্য ড° ময়িদুল ইছলাম বড়াৰ জেষ্ঠ নাতি হিচাপে অসম সাহিত্য সভাৰ সৈতে দীৰ্ঘদিন জড়িত হৈ আছে।

# বিজনীত বন্যপ্ৰাণীৰ অংগ-প্ৰত্যংগসহ চাৰিটা চোৰাং চিকাৰী গ্ৰেপ্তাৰ

**অসম বাৰ্তা, বিজনী, ১৬ জুলাই ঃ** বুধবাৰে চিৰাং জিলাৰ বিজনী আৰক্ষীৰ অভিযানত বন্যপ্ৰাণীৰ অংগ-প্ৰত্যংগ, চোৰাং চিকাৰত ব্যৱহৃত বিভিন্ন সামগ্ৰীসহ চাৰিটা চোৰাং চিকাৰীক গ্ৰেপ্তাৰ কৰে। বিজনী থানাৰ অন্তৰ্গত কুমাৰশালিৰ ২ নং ছটো লাডাংগুৰি, আৰু ফাৰমাইছালি গাঁৱত মঙ্গলবাৰে নিশা আৰক্ষীয়ে ৪টা ঘৰত তালাচী চলাই বিভিন্ন বন্যপ্ৰাণীৰ শৰীৰৰ অংগ-প্ৰতংগ জব্দ কৰাৰ লগতে চিকাৰ আৰু বিক্ৰী কাৰ্যত জড়িত থকাৰ সন্দেহত মহিলা সহ চাৰিজন লোকক গ্ৰেপ্তাৰ কৰে। ধৃত লোক চাৰিজন ক্ৰমে ২ নং ছটো লাডাংগুৰিৰ প্ৰদীপ নাৰ্জাৰী ওৰফে ভেৰগো(৪৫), কুমাৰশালিৰ সমৰ সিং বসুমতাৰী(৫২), কাঞ্চা দৈমাৰী ওৰফে বুডাং(৪০) আৰু বিনাশ্ৰী বসুমতাৰী(৪০)। জানিব পৰা মতে আৰক্ষীয়ে প্ৰদীপ নাৰ্জাৰী ওৰফে ভাৰ্গোৰ ঘৰৰ পৰা বনৰীয়া জীৱ-জন্তু চিকাৰত ব্যৱহৃত লোহাৰ ফান্দ তিনিটা, ডাঙৰ আকাৰৰ বনৰীয়া গাহৰিৰ দাঁত চাৰিটা, পিষ্টলৰ গ্ৰীপ, হস্ত-নিৰ্মিত বন্দুকৰ বেৰেল নিৰ্মাণৰ বাবে ব্যৱহাৰ কৰা কিছুমান লোহাৰ পাইপ, কিছুমান লোহাৰ গুলী, বন্দুক নিৰ্মাণৰ বাবে ব্যৱহাৰ কৰা বুলি সন্দেহ কৰা কিছুমান লোহাৰ স্প্ৰিং, এটা ভঙা ট্ৰিগাৰ, এটা ভঙা বেৰেল, কিছুমান সন্দেহযুক্ত বিস্ফোৰক, বৈদ্যুতিক ড্ৰিলিং মেচিন, মেচৰ বাকচ ১৮টা উদ্ধাৰ কৰে। আনহাতে অভিযানকাৰী আৰক্ষীৰ দলটোৱে সমৰসিং বসুমতাৰীৰ ঘৰৰ পৰা সন্দেহযুক্ত প্ৰায় ৩ ইঞ্চিৰ এটা হাতীৰ দাঁত, বনৰীয়া জন্তুৰ হাড়, সন্দেহযুক্ত বন্যপ্ৰাণীৰ দাঁত পাঁচটা, সন্দেহযুক্ত বাঘৰ জিভা, সন্দেহযুক্ত বাঘৰ চুলি, সন্দেহযুক্ত পেংগুলিন ছালৰ অংশ, পৰ্কঁপাইন কাঁইট ২০ টুকুৰা আৰু অজ্ঞাত প্ৰাণীৰ কিছু শুকান অংগ উদ্ধাৰ কৰে। পিছত জব্দকৃত সামগ্ৰী সহ ধৃত চাৰিজনক আৰক্ষীয়ে বিজনী থানালৈ লৈ আহে। চোৰাং চিকাৰী চাৰিটা মানাছ ৰাষ্ট্ৰীয় উদ্যানত বন্যপ্ৰাণী নিধন কাৰ্যত জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰা হৈছে। ঘটনা সংক্ৰান্তত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

# বিজনীত হস্তনিৰ্মিত বন্দুক সহ ধৃত এক

**অসম বাৰ্তা, বিজনী, ১৬ জুলাই ঃ** মঙলবাৰে চিৰাং জিলাৰ বিজনীত এছএছবি আৰু আৰক্ষীৰ যৌথ অভিযানত হস্ত-নিৰ্মিত বন্দুক, অবৈধভাৱে মজুত ৰখা সুৰাৰ বটলসহ সুজিৎ দাস(১৬) নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰা হয়। কাজলগাঁৱৰ ১৫ নং বেটেলিয়ানৰ বিজনীৰ ধোলাস্থিত শিবিৰৰ এটা এছএছবিৰ দল আৰু বিজনীৰ আৰক্ষীয়ে ২ নং দাৰাঙ্গাৰ আনন্দ বজাৰস্থিত সুজিৎ দাসৰ বাসগৃহত অভিযান চলাই এখন বস্তাত কাঠৰ মাজত লুকাই থোৱা অৱস্থাত এটা হস্ত নিৰ্মিত বন্দুক, ১৬টা বিয়েৰৰ বটল, ২৫টা সুৰাৰ বটল জব্দ কৰাৰ লগতে গ্ৰেপ্তাৰ কৰে সুজিৎ দাসক। ধৃত সুজিৎ দাস পেছাত এগৰাকী গেলামাল দোকানী। সুজিৎ দাসে কি কাৰণত নিজৰ বাসগৃহত বন্দুক ৰাখিছিল সেয়া জানিব পৰা নাই। ঘটনা সংক্ৰান্তত বিজনীৰ আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। আজি দিনৰ ভাগত ধৃত সুজিৎ দাসক আৰক্ষীয়ে বিজনীৰ অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ আদালতত হাজিৰ কৰাই জেললৈ প্ৰেৰণ কৰে।

# পুৰণিগুদাম আউনিআটিত কিশোৰৰ আত্মহত্যা

**অসম বাৰ্তা, পুৰণিগুদাম, ১৬ জুলাই ঃ** নগাঁও জিলাৰ পুৰণিগুদাম আৰক্ষী চকীৰ অন্তৰ্গত পুৰণিগুদাম আউনিআটিত আজি এক মৰ্মান্তিক ঘটনা সংঘটিত হয়। আজি নিজৰ জন্মদিনৰ দিনাই এজন কিশোৰে আত্মহননৰ দৰে চৰম সিদ্ধান্ত লোৱাৰ ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। কিশোৰজনৰ নাম জিণ্টু শইকীয়া (১৪)। জানিব পৰা মতে, আজিৰ পৰা প্ৰায় চাৰিমাহ পূৰ্বে জিণ্টু শইকীয়াই নিজৰ পিতৃক হেৰুৱাইছিল। জিণ্টুৰ লগত বাক-বিতাণ্ডা কৰি মাতৃও কিছুদিনৰ পূৰ্বে পুত্ৰৰ লগৰ পৰা আঁতৰি আছিল। ঘৰখনত অকলশৰীয়া হৈ পৰা জিণ্টুয়ে হতাশাত ভোগাৰ সন্দেহ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। হতাশাত ভুগি আত্মহত্যাৰ দৰে চৰম সিদ্ধান্ত লোৱাৰ সন্দেহ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। অষ্টমশ্ৰেণীত অধ্যয়ন কৰি থকা ছাত্ৰজনৰ অকাল মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। পৰৱৰ্তী সময়ত দণ্ডাধীশৰ উপস্থিতিত আৰক্ষীয়ে সমগ্ৰ ঘটনাৰ তদন্ত আৰম্ভ কৰে।

# গোলাঘাট জিলা কৃষি বিভাগৰ উদ্যোগত সামূহিক কঠীয়া সিঁচা কাৰ্যসূচী সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৬ জুলাই ঃ** গোলাঘাট জিলা কৃষি বিভাগৰ উদ্যোগত জিলাখনৰ মৰঙি কৃষি উন্নয়ন চক্ৰৰ অধীনস্থ ফলঙনিত আজি ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা ২০২৫-২৬ ৰ অন্তৰ্গত সামূহিক কঠীয়াতলি প্ৰস্তুত আঁচনিৰ অধীনত কঠীয়া সিঁচাৰ কাৰ্যসূচী সম্পন্ন কৰা হয়। অঞ্চলটোৰ কৃষি ক্ষেত্ৰৰ সৈতে উতঃপ্ৰোতভাৱে জড়িত ‘ৰিদম কৃষক গোট'ৰ সহযোগত প্ৰায় ৪০ বিঘা কৃষিভূমিত কঠীয়া সিঁচা কাৰ্যসূচী আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে জিলা কৃষি বিষয়া ৰঞ্জন বৰুৱাই। অনুষ্ঠানৰ শুভাৰম্ভণি কৰি জিলা কৃষি বিষয়াগৰাকীয়ে কয় যে, বিগত কিছুদিন পূৰ্বে গোলাঘাট জিলাৰ ৬টা ৰাজহ চক্ৰৰ কেইবা হে”ৰ কৃষি ভূমি বানে নষ্ট কৰাৰ ফলত কৃষকসকল ক্ষতিগ্ৰস্ত হৈছে। মূলত বান বিধ্বস্ত কৃষক ৰাইজক এই বিপদৰ সময়ত কঠীয়া যোগানৰ বাবে উক্ত আঁচনি গ্ৰহণৰ কৰা হৈছে। বৰ্তমান ৪০ বিঘা কৃষিভূমিত কঠীয়া সিঁচা কাৰ্যসূচী আৰম্ভ কৰা হৈছে যদিও জিলাখনৰ বিভিন্ন ঠাইত সামূহিক কঠীয়াতলিৰ বাবে কৃষিভূমি সাজু কৰি ৰখা হৈছে বুলিও জানিবলৈ দিয়ে জিলা কৃষি বিষয়াগৰাকীয়ে। আনহাতে ৰিদম কৃষক গোটৰ সম্পাদক ৰাজীৱ হাজৰিকাই কৃষি বিভাগে গ্ৰহণ কৰা সামূহিক নাৰ্চাৰী প্ৰস্তুতকৰণ পদক্ষেপৰ শলাগ লয় আৰু লগতে এই পদক্ষেপে অঞ্চলটোৰ বহুসংখ্যক কৃষকক সহায় কৰিব বুলি মন্তব্য কৰে। উল্লেখ্য যে, সামূহিক নাৰ্চাৰীৰ বাবে কৃষি বিভাগৰ তৰফৰ পৰা বিনা-১০ আৰু নুমলী জাতৰ বীজ যোগান ধৰা হৈছে। সংশি-ষ্ট কৃষি উন্নয়ন বিষয়া ড° হৃদয়ানন্দ দাসৰ তত্ত্বাৱধানত তথা ৰিদম কৃষক গোটৰ সভাপতি পূৰ্ণ ৰাজখোৱা, বিপুল শইকীয়াৰ লগতে গোটৰ সদস্যসকলৰ সহযোগত আজি কঠীয়া সিঁচাৰ কাৰ্যসূচী সফলতাৰে সম্পন্ন হয়।

# কল্যাণী বাল্যভৱনৰ ৰূপালী জয়ন্তী কবিতা আবৃত্তি কৰ্মশালা আৰম্ভ; সৌৰ শক্তি প্ৰকল্প উদ্বোধন

**অসম বাৰ্তা, নিমাতীঘাট, ১৬ জুলাই ঃ** কল্যাণী বাল্যভৱন ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ৰূপালী জয়ন্তীবৰ্ষৰ লগত সংগতি ৰাখি যোৰহাট সাহিত্য সভাৰ সহযোগত আজিৰে পৰা কবিতা আবৃত্তি কৰ্মশালা আৰম্ভ হৈছে। কল্যাণীৰংগ মঞ্চত কৰ্মশালা উদ্বোধন কৰি তিতাবৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা যোৰহাট থিয়েটাৰৰ প্ৰাক্তন সভাপতি যোগানন্দ বৰাই অসমীয়া ভাষাত লাখ লাখ শব্দ আছে যদিও এজন ব্যক্তিয়ে বছৰত পাঁচ হাজাৰ মান শব্দহে ব্যৱহাৰ কৰে বুলি উল্লেখ কৰি কবিতা আবৃত্তিৰ দৰে কলা শিকিলে আৰু হাজাৰ হাজাৰ শব্দৰ সোৱাদ ল'ব পাৰিব বুলি ব্যক্ত কৰে। কল্যাণী বাল্যভৱনৰ ৰূপালী জয়ন্তী উদযাপন সমিতিৰ সম্পাদক নিযুত কুমাৰ দত্তই পৰিচালনা কৰা উদ্বোধনী অনুষ্ঠানত কৰ্মশালাৰ সমল ব্যক্তি কবিতাৰত্ন শান্তিছায়া শইকীয়াই বক্তব্য প্ৰদান কৰে। সভাত উদযাপন সমিতিৰ সভাপতি নুৰুজ জামান, যোৰহাট সাহিত্য সভাৰ সভাপতি যুগল কিশোৰ আগৰৱালা, উত্তৰ যোৰহাট জ্যেষ্ঠ নাগৰিক মঞ্চৰ সভাপতি বৈকুণ্ঠ মহন্ত, সম্পাদক পৰেশ চন্দ্ৰ নেওগ, সাহিত্য শাখাৰ সভাপতি গোপাল মহন্ত, মহাত্মা গান্ধী জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ত্ৰিলোক বৰা, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° হেমেন শইকীয়া, অৱসৰপ্ৰাপ্ত অধ্যাপিকা ৰাণী বৰা, বিদ্যালয়ৰ অধ্যক্ষা বিশ্বজিতা বৰপূজাৰী, সাহিত্য শাখাৰ সম্পাদিকা তথা লেখিকা ৰুমা শইকীয়া প্ৰমুখ্যে বিভিন্নজন উপস্থিত থাকে। শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থকা অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয়খনত সাত কিলোৱাত ক্ষমতাসম্পন্ন সৌৰ শক্তি প্ৰকল্প উদ্বোধন কৰে যোৰহাটৰ প্ৰতিষ্ঠিত ব্যৱসায়ী অম্বৰিশ বৰুৱাই। অনুষ্ঠানত বিদ্যালয়ৰ নতুন চৌহদৰ বেৰাৰ বাবে অম্বৰিশ বৰুৱাই ত্ৰিশ হাজাৰ আৰু যুগল কিশোৰ আগৰৱালাই একৈছ হাজাৰ টকা আগ বঢ়ায়।



# নামনি মাজুলীৰ শ্ৰীৰাম পৰীয়া আদৰ্শ অংগনাৱাদী কেন্দ্ৰ উদ্বোধন

**অসম বাৰ্তা, উজনী মাজুলী, ১৬ জুলাই ঃ** মাজুলী জিলাৰ সমাজ কল্যাণ বিভাগৰ উদ্যোগত নামনি মাজুলীৰ কৰতিপাৰ গাঁও পঞ্চায়তৰ শ্ৰীৰাম পৰীয়া আদৰ্শ অংগনাৱাদী কেন্দ্ৰ আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। মাজুলীৰ বিশিষ্ট সমাজকৰ্মী তথা মাজুলী আঞ্চলিক পঞ্চায়তৰ উপ সভাপতি চন্দেশ্বৰ কুলিয়ে। সমাজ কল্যাণ বিভাগৰ নিৰ্মাণ প্ৰতিষ্ঠানৰ হৈ শৰৎ বৰাই আঁত ধৰা উক্ত অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে স্থানীয় অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক গোপীৰাম শইকীয়াই। উক্ত, উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে কৰতিপাৰ গাঁও পঞ্চায়তৰ সভাপতি প্ৰফুল্ল পেগু, সমাজ কল্যাণ বিভাগৰ ছুপাৰ ভাইজাৰ পম্পী দত্ত, সমাজকৰ্মী লক্ষ্য দলে, ৱাৰ্ড সদস্যা সুমিত্ৰা টায়ুং, গাঁও প্ৰধান দিপালী ভূঞা সাংবাদিক যদু কলিতা আদিৰ উপৰিও অংগনাৱাদী কেন্দ্ৰটোৰ কৰ্মী, সহায়িকা আদিৰ লগতে শতাধিক স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। উক্ত, অংগনাৱাদী কৰ্মীটো উদ্বোধন কৰি সমাজকৰ্মী চন্দেশ্বৰ কুলিয়ে শ্ৰীৰাম পৰীয়া আদৰ্শ অংগনাৱাদী কেন্দ্ৰটোয়ে বৃহত্তৰ অঞ্চলটোৰ ৰাইজৰ ডাঙৰ উপকাৰ হ'ব বুলি উল্লেখ কৰে। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে শৰৎ বৰাই।

# জামুগুৰিত সমাজকৰ্মী সৰুকন শইকীয়াৰ মৃত্যুত শোক

**অসম বাৰ্তা, মেৰাপানী, ১৬ জুলাই ঃ** গোলাঘাট জিলাৰ জামুগুৰি আৰক্ষী থানাৰ অন্তৰ্গত মলহানীটুপৰ নিবাসী, বিশিষ্ট সমাজকৰ্মী, ধৰ্মীয়প্ৰাণ ব্যক্তি তথা জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতি প্ৰাক্তন সভাপতি সৰুকন শইকীয়া বাধ্যকজনিত কাৰণত মঙ্গলবাৰে নিজা বাসগৃহত সন্ধিয় ৭.১৫ মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল প্ৰায় ১০৫ বছৰ। ইফালে সৰুকন শইকীয়াৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে তেখেতৰ বাসগৃহত উপস্থিত হয় শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আনহাতে মৃত্যুৰ সময়ত শইকীয়াই পত্নী, এজন পুত্ৰ, এগৰাকী কন্যা সহ নাতি-নাতিনী সহ বহু আত্মীয়ক এৰি থৈ গৈছে। অন্যহাতে সৰুকন শইকীয়াই মৃত্যুত জামুগুৰি প্ৰেছ ক্লাব, ত্ৰিনয়ন যুৱ সমাজ, জামুগুৰি, আটছা ফৰকাটিং উপ -শাখা, জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়, মলহানীটুপ গাঁৱৰক্ষী বাহিনী, কালুজান নামঘৰ পৰিচালনা সমিতি আদি কৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

## গুৱাহাটী বিশ্ববিদ্যালয়ত স্বৰ্গদেউ ৰুদ্ৰসিংহৰ নামেৰে আসন হ'ব লাগে

# ডিব্ৰুগড় লাহোৱালত আটাছুৰ ৩৭ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৬ জুলাই ঃ** ছয়শ বছৰীয়া আহোম ৰাজত্বৰ এগৰাকী সৰ্বশ্ৰেষ্ঠ স্বৰ্গদেউ ৰুদ্ৰসিংহৰ নামেৰে গুৱাহাটী বিশ্ববিদ্যালয়ত এখন আসন প্ৰতিষ্ঠা কৰাৰ বাবে আহ্বান জনায় বিশিষ্ট সাংবাদিক তথা এন ডি ২৪ মুখ্য সম্পাদক ৰাজদ্বীপ বাইলুং বৰুৱাই। ডিব্ৰুগড়ৰ লাহোৱালৰ জাপিসজীয়া সমন্বয় ক্ষেত্ৰত তাই আহোম ছাত্ৰ সন্থা চমুকৈ আটাছুৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত কেন্দ্ৰীয় সমিতিৰ সহযোগত লাহোৱাল আঞ্চলিক সমিতি আৰু জাপিসজীয়াবাসীৰ আতিথ্যত অনুষ্ঠিত ৩৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত নিৰ্দ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি জেষ্ঠ সাংবাদিক তথা এন ডি ২৪ মুখ্য সম্পাদক ৰাজদ্বীপ বাইলুং বৰুৱাই কয় যে, ইতিমধ্যে অসমৰ তথা বৃহত্তৰ অসমীয়া জাতি গঠন কৰা স্বৰ্গদেউ চাওলুং চুকাফাৰ নামত এখন আসন আছে যদিও এই আসনৰ সন্দৰ্ভত কেনেধৰণৰ কি কি কৰি আছে তাক আমি উপলব্ধি কৰা নাই। ছশ বছৰীয়া আহোম ৰাজত্বৰ দুই এজনক বাদ দি সকলোৱে নিজ নিজ গুণেৰে গৰিমামণ্ডিত বুলি কৈ ইয়াৰ ভিতৰত আহোম ৰাজত্বৰ সৰ্বশ্ৰেষ্ঠ স্বৰ্গদেউ জনাৰ নামেৰে এখন আসন প্ৰতিষ্ঠা কৰি বিভিন্ন বিষয়ত গৱেষণা কৰাৰ বাবে নৱপ্ৰজন্মক উদ্বুদ্ধ কৰিব লাগে বুলি কয়। ১২২৮ খ্ৰীষ্টাব্দৰ পৰা ১৮২৬ লৈকে প্ৰায় ছশ বছৰীয়া এই আহোম ৰাজত্ব কালত বৃহত্তৰ অসমীয়া জাতিগঠন প্ৰক্ৰিয়াৰ স্বাৰ্থত আহোম সকলে নিজৰ ভাষা, সাহিত্য, সংস্কৃতি বিসৰ্জন দিছিল। অসমীয়া জাতিটো আৰ্থ—সামাজিক, শৈক্ষিক তথা ৰাজনৈতিকভাৱে সুৰক্ষা প্ৰদান কৰিবলৈ সক্ষম হৈছিল। পৃথিৱীৰ বুকুত এটা জাকত জিলিকা জাতি হিচাপে গঢ়ি তুলিছিল। কিন্তু সাম্প্ৰতিক সময়ত চুক্যাফাৰ এই পৰিনাতি সকলৰ অস্তিত্ব বিপদাপন্ন বুলি কয়। ৰাজনীতিৰ মেৰপেছত আহোম সকলৰ মাজত ভেদাভেদ সৃষ্টি হোৱাৰ লগতে আহোম জনগোষ্ঠীৰ প্ৰতিটো আহোম সংগঠন আজি বহুধাবিভক্ত বুলি উদ্বেগ প্ৰকাশ কৰে। এই জাতিটোৰ ভেটি যি গৰাকী ব্যক্তিয়ে এই ভেটি নিৰ্মাণ কৰি গল চাওলুং চুকাফাই বৰ অসমৰ ভেটি প্ৰতিষ্ঠা কৰি গল। তেওঁৰ আদৰ্শৰে বাট বুলিব লাগিব। আমি সাত ৰাজ মাৰি এক ৰাজ কৰা নীতিৰ কথা কৈছোঁ, ছশ বছৰীয়া আহোম ৰাজত্বৰ কথা কৈছো, কিন্তু এক হ'ব পৰা নাই। আমাৰ বাবে চাওলুং চুকাফা এজনেই, বীৰ লাচিত এজনেই, জাতিৰ বাবে প্ৰাণ আহুতি দিয়া জয়মতী এগৰাকীয়েই, কিন্তু এতিয়া আহোম জনগোষ্ঠীটোক প্ৰতিনিধিত্ব কৰা সকলক দেখা গৈছে একতাৰ অভাৱ। আমি এক হৈ আগবঢ়া বিষয়টোত লক্ষ্য ৰাখিব জনগোষ্ঠীটোৰ স্বাৰ্থত। আজি বড়ো জনগোষ্ঠী আহোমতকৈ কম কিন্তু তেওঁ লোকৰ সভালৈ গৃহমন্ত্ৰী পৰ্যন্ত আহে। কিন্তু অসমৰ ভেটি প্ৰতিষ্ঠা কৰা আহোম জনগোষ্ঠীৰ সভালৈ অসমৰ মুখ্যমন্ত্ৰী গৰাকী অহাৰ ক্ষেত্ৰত দহবাৰ ভাবিব লগা হয় কিয় বুলি প্ৰশ্ন কৰে। আমি নিজক অবজ্ঞা কৰিছো। আহোম এটা পৰাক্ৰমী জাতি, সেই পৰাক্ৰমী জাতি এতিয়া সেই পৰাক্ৰমী জাতি হৈ থকা নাই, এতিয়া কিয় দুৰ্বল হৈছে। আমি নিজে নিজক দুৰ্বল কৰি লৈছো তাৰ কথা ভাবিবৰ হ'ল। আমি সকলোৱে নিজে নিজক স্বৰ্গদেউ বুলি ভাবিব লৈ লৈছো। যাৰ বাবে জাতিটোৰ কাৰণে শুভ লক্ষণ নহয়। সিদিনা লৈ একত্ৰিত নহ'ব তেতিয়া লৈকে জনগোষ্ঠীয়টো শক্তিশালী হ'ব নোৱাৰে। কিন্তু বড়ো জনগোষ্ঠীয়ে নিজৰ জনগোষ্ঠীৰ বাবে প্ৰাপ্যখিনি আজুৰি আনিবলৈ সক্ষম হৈছে। তেওঁলোকৰ, ঐক্য, শক্তি, সাহসৰ বিষয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। সংগঠন হ'লেই নহ'ব, ঐক্যবদ্ধ হ'ব লাগিব বুলি কৈ জনগোষ্ঠীয় সৰ্বাংগীণ উন্নতি আৰু বিকাশ তেতিয়াহে হ'ব বুলি কয়। আটাছুৰ যুটীয়া সম্পাদক অচ্যুত বৰগোহাঁইয়ে আঁত ধৰা তথা আটাছুৰ সভাপতি বসন্ত গগৈৰ সভাপতিত্ব অনুষ্ঠিত হোৱা মুকলি সভাত অঞ্জন চেতিয়া আৰু ৰাতুল বুঢ়াগোহাঁই সম্পাদনাত প্ৰকাশিত “ৰুঙ ছেঙ বান” নামৰ স্মৃতি গ্ৰন্থখন উন্মোচন কৰে আটাছুৰ প্ৰতিষ্ঠাপক সম্পাদক অৰুণ গগৈয়ে। মুকলি সভাত আটাছুৰ মুখ্য উপদেষ্টা দুলাল বৰুৱা, মণিপুৰী ছাত্ৰ সন্থাৰ সভাপতি চেপাম চেনেহুল, সূত্ৰধৰ ছাত্ৰ সন্থাৰ সভাপতি লক্ষ্মীকান্ত সূত্ৰধৰ, অসম জাতীয়তাবাদী যুৱ পৰিষদৰ সম্পাদক উদয়ন কুমাৰ গগৈ, আটাছুৰ প্ৰাক্তন সভাপতি সপোন গগৈ, সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পমিত্ৰ বৰুৱা, মটক যুৱ ছাত্ৰ সন্মিলনৰ সভাপতি স্বৰূপ গোহাঁই, জেষ্ঠ সাংবাদিক তথা নিবন্ধকাৰ চন্দন ফুকন, বিশিষ্ট ক্ৰীড়া সংগঠক তথা সমাজকৰ্মী অঞ্জন চেতিয়া, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁইকে প্ৰমুখ্যে কৰি বিভিন্ন ছাত্ৰ সংগঠন আৰু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আনহাতে পুৱাৰ ভাগত পতাকা উত্তোলন কৰে আটাছুৰ কেন্দ্ৰীয় সভাপতি বসন্ত গগৈয়ে, মৈদাম তৰ্পণ কৰে যুটীয়া সম্পাদক অচ্যুত বৰগোহাঁই আৰু দিগন্ত চাংমাইয়ে। মাল্যাৰ্পণ কৰে কাৰ্যকৰী সভাপতি কুমুদ গগৈয়ে। আনহাতে ছাত্ৰ ছাত্ৰী সকলৰ মাজত অনুষ্ঠিত হোৱা ৰচনা আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। নিশালৈ কেইবাজনো স্থানীয় শিল্পীৰ লগতে জনপ্ৰিয় কণ্ঠশিল্পী পাপৰি গগৈয়ে সংগীত পৰিৱেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে। কাৰ্যসূচী সফল সমাপ্ত হোৱাৰ ক্ষেত্ৰত ডিব্ৰুগড় তথা লাহোৱালবাসীৰ সহযোগিতা বাবে ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি তপন গগৈ আৰু যুটীয়া সম্পাদক বিমল সন্দিকৈ আৰু বিপুল কোঁৱৰে সকলোকে ধন্যবাদ জ্ঞাপন কৰে।



# শংকৰজ্যোতি বহুমুখী সাংস্কৃতিক মহাবিদ্যালয়ৰ উদ্যোগত নামনি মাজুলীত বৰগীত, খোল আৰু সত্ৰীয়া নৃত্যৰ গ্ৰীষ্মকালীন কৰ্মশালাৰ আৰম্ভ

**অসম বাৰ্তা, উজনী মাজুলী, ১৬ জুলাই ঃ** সাংস্কৃতিক ক্ষেত্ৰ - মাজুলীৰ উদ্যোগত আৰু শংকৰজ্যোতি বহুমুখী সাংস্কৃতিক মহাবিদ্যালয়ৰ সহযোগত আজিৰ পৰা নামনি মাজুলীৰ বালিচাপৰিৰ মিলিত কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত গ্ৰীষ্মকালীন কৰ্মশালাৰ শুভাৰম্ভ কৰা হয়। আজি বিয়লি দুই বজাত উক্ত, সাংস্কৃতিক কৰ্মশালাখন বিশিষ্ট সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত প্ৰৱক্তা ভবেন কাকতিৰ বন্তিপ্ৰজ্বলন আৰু বিশিষ্ট সত্ৰীয়া শিল্পী ঋষিতা গোস্বামীৰ মংগলাচৰণে শুভাৰম্ভ কৰা হয়। আজিৰ পৰা আৰম্ভ হোৱা উক্ত বৰগীত, খোল আৰু সত্ৰীয়া নৃত্যৰ গ্ৰীষ্মকালীন কৰ্মশালাখন অহা ৩০ জুলাইলৈকে চলিব। কৃতী শিক্ষক, শিক্ষাৰত্ন তথা মহাবিদ্যালয়খনৰ ভূমি দাতা ভবেন কাকতিৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উদ্বোধনী অনুষ্ঠানত উদ্বোধনী বৰগীত পৰিৱেশন কৰে শিল্পী অলিম্পিকা হাজৰিকাই। উক্ত, কৰ্মশালাখন আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে পীতাম্বৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ প্ৰৱক্তা যদু কলিতাই। উক্ত, কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অৱসৰপ্ৰাপ্ত শিক্ষক তথা বিশিষ্ট পৰিৱেশবিদ অতুল হাজৰিকা, বিশিষ্ট সমাজকৰ্মী বীৰেন শইকীয়া, শংকৰজ্যোতি বহুমুখী সাংস্কৃতিক মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ সভাপতি বীৰেন শৰ্মা, গড়মূৰ শ্ৰীশ্ৰীপীতাম্বৰ দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক প্ৰমোদ গোস্বামী, অৰোণোদয় উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দেবেন বৰুৱা, সমাজকৰ্মী চিত্ৰৰঞ্জন হাজৰিকা, মিলিত কৃষ্টি সংঘৰ সম্পাদক কৌশিক শইকীয়াই অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে। শংকৰজ্যোতি বহুমুখী সাংস্কৃতিক মহাবিদ্যালয়ৰ অধ্যক্ষ দেবেন চন্দ্ৰ ভূঞা আৰু কৰ্মশালাৰ আহ্বায়ক যদুমণি ভূঞাই আঁত ধৰা উক্ত কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানত অভিজ্ঞ প্ৰশিক্ষক নন্দেশ্বৰ ভূঞা, ইভাৰাণী গোস্বামী আৰু যদুমণি ভূঞাই প্ৰশিক্ষকৰ তত্ত্বগধুৰ ভাষণ ভাষণ প্ৰদান কৰে। উক্ত, উদ্বোধনী অনুষ্ঠানত কণমানি শিল্পী হৰ্ষিতা শৰ্মা আৰু ৰঞ্জনা ভূঞাই সত্ৰীয়া নৃত্যৰ গীতাভিনয় পৰিৱেশন কৰি সকলোকে অভিভূত কৰে। উদ্বোধনী অনুষ্ঠানৰ পাছতে প্ৰশিক্ষকসকলে সত্ৰীয়া নৃত্য, বৰগীত আৰু খোল বাদ্যৰ প্ৰশিক্ষণ ছাত্ৰ ছাত্ৰীসকলক প্ৰদান কৰে। উল্লেখযোগ্য যে উক্ত সাংস্কৃতিক কৰ্মশালাখনত মাজুলীৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ১০০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে অধ্যক্ষ দেবেন চন্দ্ৰ ভূঞাই।



# ‘জন সাংস্কৃতিক সমাজ, ডিব্ৰুগড়'ৰ বছৰজোৰা ৰূপালী জয়ন্তীৰ সামৰণি; ৩ গৰাকী কণ্ঠশিল্পীক সম্বৰ্ধনা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৬ জুলাই ঃ** দুহেজাৰ চনত ডিব্ৰুগড়ত প্ৰতিষ্ঠা লাভ কৰা অন্যতম সাংস্কৃতিক অনুষ্ঠান ‘জন সাংস্কৃতিক সমাজে’ যোৱা এবছৰে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰাৰ অন্তত তিনিদিনীয়াকৈ ‘আধুনিক গীত'ৰ কৰ্মশালা এটি সম্পন্ন কৰে। অসমৰ মঞ্চ, অনাতাঁৰ আৰু দূৰদৰ্শনৰ এগৰাকী জনপ্ৰিয় কণ্ঠশিল্পী ৰুমি গোস্বামীৰ দক্ষ পৰিচালনাৰে এই প্ৰশিক্ষণ কাৰ্যসূচী ৰূপায়িত কৰা হয়। স্থানীয় সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱনত অনুষ্ঠিত প্ৰশিক্ষণৰ পিছদিনা আয়োজিত এক আকৰ্ষণীয় কাৰ্যসূচীত প্ৰশিক্ষক ৰুমি গোস্বামীলৈ উদ্যোক্তা অনুষ্ঠানৰ পক্ষৰ পৰা সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। প্ৰশিক্ষক গৰাকীয়ে তেখেতৰ দীৰ্ঘদিনীয়া সাংস্কৃতিক যাত্ৰাৰ আভাস ডাঙি ধৰাৰ লগতে ডিব্ৰুগড়ৰ মঞ্চ, অনাতাঁৰ আৰু দূৰদৰ্শনৰ সৈতে থকা মধুৰ সান্নিধ্যৰ কথা ব্যক্ত কৰে। ইয়াৰ পাছতে শিল্পী গৰাকীয়ে তেখেতৰ কেইবাটিও জনপ্ৰিয় গীত পৰিৱেশনেৰে অনুষ্ঠানটি জীপাল কৰি তোলে। এই অনুষ্ঠানতে ডিব্ৰুগড় তথা আকাশবাণীৰ তিনিগৰাকী জনপ্ৰিয় জ্যেষ্ঠ কণ্ঠশিল্পী চৈয়দা জুৰি ৰহমান, কল্পনা ভাগৱতী ভট্টাচাৰ্য আৰু ৰুণজুন ফুকনলৈও ৰাজহুৱা সম্বৰ্দ্ধনা জনোৱা হয় আৰু কেউগৰাকী শিল্পীয়ে তেওঁলোকৰ সুললিত কণ্ঠেৰে সন্ধিয়াটো প্ৰাণৱন্ত কৰি তোলে। ৰূপালী জয়ন্তীৰ চাৰিদিনীয়া এই সামৰণি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে আকাশবাণীৰ খ্যাতনামা অৱসৰপ্ৰাপ্ত কণ্ঠশিল্পী, সুৰকাৰ, সঙ্গীত প্ৰযোজক ৰাজেন গোহাঁয়ে। ৰূপালী জয়ন্তী উদযাপনৰ বছৰ জোৰা কাৰ্যসূচী সফলকাম কৰি তোলাত উদ্যোক্তা অনুষ্ঠানে - সংশ্লিষ্ট সদৌ জনলৈ কৃতজ্ঞতা নিৱেদন কৰে।

